'আমি এতিয়াও শান্তি আৰু সহিষ্ণুতাত বিশ্বাসী, কিন্তু বিশ্বখনে এয়া বুজিব লাগিব'

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙৰে এটি বিশেষ সাক্ষাৎকাৰ

পৃষ্ঠা 24-27

» বছৰ ১, সংখ্যা ১১

১-১৫ ডিচেম্বৰ, ২০২০

বিনামূলীয়া বিতৰণৰ বাবে

নিউ ইণ্ডিয়া সমাচাৰ

সমৰ্থ সৈন্যবাহিনী শক্তিশালী ভাৰত

দেশৰ সীমান্তক সুৰক্ষিত কৰিবলৈ চৰকাৰখনৰ দৃঢ় সংকল্পই প্ৰতিৰক্ষা বাহিনীসমূহক প্ৰাণঘাতী 'মিন-মেছিন'লৈ ৰূপান্তৰিত কৰিছে যিয়ে সীমান্তৰপৰা প্ৰত্যাহ্বানৰ মুখামুখি হ'বলৈ তেওঁলোকৰ সাহসক প্ৰমাণিত কৰিছে

ৰাষ্ট্ৰীয় শক্তি সংৰক্ষণ দিৱস

শক্তি ৰাহি অৰ্থ ৰাহি

২০১৪ৰ পৰা

৮,৪০,০০০

কোটি ইউনিটৰো অধিক বিজুলী উৎপাদন হৈছে

১০০ শতাংশ গ্ৰাম্য বৈদ্যুতীকৰণ

২,৮০,১২,৩৯১

গৃহত বিদ্যুৎ সংযোগ প্ৰদান

- কেন্দ্ৰীয় চৰকাৰখনে ২০২২ চনৰ ভিতৰত ১৭৫ গিগাৱাট নৱীকৰণযোগ্য শক্তি উৎপাদনৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে
- ইয়াত অন্তৰ্ভুক্ত হৈছে বায়ু শক্তিৰপৰা ৬০ গিগাৱাট, সৌৰ শক্তিৰপৰা ১০০ গিগাৱাট, জৈৱ শক্তি (biomass energy)ৰ পৰা ১০ গিগাৱাট আৰু ক্ষুদ্ৰ জল বিদ্যুৎ প্ৰকল্পৰপৰা ৫ গিগাৱাট

প্ৰতি বছৰে ১৪ ডিচেম্বৰত ৰাষ্ট্ৰীয় শক্তি সংৰক্ষণ দিৱস উদযাপন কৰা হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ কথাৰে, "ৰাষ্ট্ৰীয় শক্তি সংৰক্ষণ দিৱসত আমি আমাৰ দৈনন্দিন জীৱনত শক্তি সংৰক্ষণৰ অৰ্থে আমাৰ ঐকান্তিক অংগীকাৰৰ সংকল্প গ্ৰহণ কৰো।"

এখনি উজ্জ্বল আৰু শক্তিশালী আত্ম-নিৰ্ভৰ ভাৰতৰ সংকল্প গ্ৰহণ কৰো আহক

নিউ ইণ্ডিয়া সমাচাৰ

বছৰ ১, সংখ্যা ১১

১-১৫ ডিচেম্বৰ, ২০২০

সম্পাদক
কুলদীপ সিং ধাতৱালিয়া,
মুখ্য সঞ্চালক প্ৰধান, পিআইবি, নতুন দিল্লী

পৰামৰ্শকাৰী সম্পাদক
বিনোদ কুমাৰ
সন্তোষ কুমাৰ

সহকাৰী পৰামৰ্শকাৰী সম্পাদক
শৰৎ কুমাৰ শৰ্মা

অলংকৰণ
ৰবীন্দ্ৰ কুমাৰ শৰ্মা

প্ৰকাশন ও মুদ্ৰণ
সত্যেন্দ্ৰ প্ৰকাশ,
ডিজি, বিআ'চি
ব্যুৰ' অৱ আউটৰীচ্ছ এণ্ড কমিউনিকেশ্যনৰ হৈ

মুদ্ৰণঃ
ভিবা প্ৰেছ প্ৰাইভেট লিমিটেড
চি -৬৬/৩, ওখলা ফেজ-২,
নতুন দিল্লী
১১০০২০

প্ৰকাশৰ স্থান
ব্যুৰ' অৱ আউটৰীচ্ছ এণ্ড কমিউনিকেশ্যন, ২য় মহলা, সূচনা ভৱন, নতুন দিল্লী- ১১০০০৩

নিউ ইণ্ডিয়া সমাচাৰ

আৰএনআই নং . : DELASS/2020/78827

response-nis@pib.gov.in

Contents

» 1	সম্পাদকীয়	» 02
» 2	মেইল বক্স	» 03
» 3	সংক্ষিপ্ত সংবাদ	» 04-05
» 4	বিশেষ লেখাঃ: পঞ্চতীৰ্থ	» 06-08
» 5	ব্যক্তিত্বঃ: এম এছ চুব্বুলক্ষ্মী	» 09
» 6	সামাজিক চিন্তাঃ : সুগম্য ভাৰত অভিযান	» 10-12
» 7	সুৰক্ষাঃ ভাৰত-আমেৰিকা যুক্তৰাষ্ট্ৰ ২+২ আলাপ	» 13
» 8	ধ্বজাবাহী আঁচনিঃ প্ৰধানমন্ত্ৰী ভাৰতীয় জনঔষধি প্ৰকল্প	» 14-16
» 09	ক'ৰোনাৰ বিৰুদ্ধে যুঁজ	» 17
» 10	প্ৰচ্ছদ লেখাঃ প্ৰতিৰক্ষা	» 18-27
» 11	অৰ্থনীতিঃ আত্মনিৰ্ভৰ ভাৰত পেকেজ ৩.০	» 28
» 12	কেবিনেটৰ সিদ্ধান্তসমূহ	» 29
» 13	প্ৰধানমন্ত্ৰীৰ ভাষণঃ ভাৰ্চুৱেল গ্ল'ৱেল ইনভেষ্টৰ ৰাউণ্ডটেবুল	» 30-31
» 14	জলপথঃ ৰো-পেক্স ফেৰী সেৱা	» 32-33
» 15	যোগাযোগঃ কমিউনিটি ৰেডিঅ'	» 34-35
» 16	ধনাত্মক দৃষ্টিকোণঃ পৰিৱৰ্তনশীল ভাৰত	» 34-35

সম্পাদকৰ মেজৰ পৰা

সাদৰ নমস্কাৰ,

নিউ ইণ্ডিয়া সমাচাৰৰ আন এটা সংখ্যা আপোনালোকৰ হাতত পৰিছে যাক পাঠকক লাভান্বিত কৰিব পৰাকৈ চৰকাৰখনৰ সুৰক্ষা, সৰলীকৰণ আৰু জনতা-কেন্দ্ৰিক নীতিসমূহৰ বিষয়বস্তুৰে সমৃদ্ধ কৰা হৈছে।

এই আলোচনীখনত বহনক্ষম উন্নয়নৰ লক্ষ্য (SDG)ৰে খোজত খোজ মিলাই দিব্যাংগ সৰলীকৰণক এই সংক্ৰান্তীয় ভিন্ন চৰকাৰী ব্যৱস্থাৰ সৈতে তুলি ধৰা হৈছে। ইয়াৰোপৰি, সকলোলৈ সুলভ মেডিচিন যোগান ধৰা প্ৰধান মন্ত্ৰী ভাৰতীয় জনঔষধি কাৰ্যক্ৰম সন্দৰ্ভত এখনি প্ৰতিবেদনো আগবঢ়োৱা হৈছে।

আমেৰিকা যুক্তৰাষ্ট্ৰৰ সৈতে ২+২ বৈঠক, ভিন্ন ব্যৱস্থাৰ জৰিয়তে প্ৰধামন্ত্ৰীজনৰ অৰ্থনীতি পুনৰুদ্ধাৰৰ প্ৰচেষ্টা আৰু ক'ভিড-১৯ সংকটৰ সময়ছোৱাত দেশখনৰ দূৰৱৰ্তী অঞ্চলসমূহত তথ্যৰ প্ৰচাৰত কমিউনিটি ৰেডিঅ'ই কিদৰে সহায় কৰিছে সেয়াও এই সংখ্যাত সামৰি লোৱা হৈছে।

সমাজ সংস্কাৰক, পণ্ডিত, অৰ্থনীতিবিদ আৰু আইনজ্ঞ ডঃ বি.আৰ. আম্বেদকাৰৰ ৬৪ সংখ্যক মৃত্যুবাৰ্ষিকী আৰু সংগীতজ্ঞ এম.এছ. চুব্বুলক্ষ্মীৰ ১৬ সংখ্যক মৃত্যুবাৰ্ষিকী উপলক্ষে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হৈছে। দুয়োগৰাকী মহান ব্যক্তিত্বক দেশখনৰ সৰ্বোচ্চ অসামৰিক সন্মান ভাৰত ৰত্নৰে সন্মানিত কৰা হৈছে।

আলোচনীখনত নিয়মীয়া শিতান হিচাপে কেবিনেটৰ সিদ্ধান্তসমূহ, ভাৰতৰ কথা আৰু ক'ৰোনাভাইৰাছৰ পযেকীয়া তথ্যৰাজি সন্নিৱিষ্ট কৰা হৈছে। প্ৰচ্ছদ লেখাটোৰ জৰিয়তে আন্তঃগাঁথনিৰ বৰ্ধন, বৰ্ধিত ফায়াৰপাৱাৰ, অত্যাধুনিক মিছাইল প্ৰণালী আৰু পৰিশীলিত যুদ্ধ বিমানৰ বদান্যতাৰে আমাৰ সশস্ত্ৰ বাহিনীসমূহৰ বৰ্ধমান শক্তিৰ কথাই কোৱা হৈছে। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙৰ বিশেষ সাক্ষাৎকাৰটোৱে নিশ্চিতভাৱে যিকোনো সম্ভাব্য ঘটনাৰ অৰ্থে ভাৰতৰ প্ৰতিৰক্ষা প্ৰস্তুতি বুজি উঠাত সহায় কৰিব।

আলোচনীখনত চৰকাৰী পদক্ষেপসমূহৰ সন্দৰ্ভত আনসমূহ তথ্যৰাজি প্ৰকাশ কৰা হৈছে।

আপোনাৰ মতামত আৰু পৰামৰ্শৰ বাবে আমি আগ্ৰহেৰে বাট চাই ৰ'লো।

অনুগ্ৰহ কৰি আপোনাৰ সঁহাৰি প্ৰেৰণ কৰকঃ

ঠিকনা ঃ ব্যুৰ' অৱ আউটৰীচ্ছ এণ্ড কমিউনিকেশ্যন, ২য় মহলা, সূচনা ভৱন, নতুন দিল্লী- ১১০০০৩

ই-মেইল ঃ response-nis@pib.gov.in

আপোনাৰ আশিস লৈ

(কে এছ ধাতৰালিয়া)

মেইল বক্স

মই অন্ধ্র প্ৰদেশৰ এন স্বামী ৰাজেশ। মই ব্যুৰ' অৱ আউটৰীচ্ছ এণ্ড কমিউনিকেশ্যনৰ আলোচনী নিউ ইণ্ডিয়া সমাচাৰ পঢ়িছো। আমাৰ দেশৰ প্ৰতিজন লোকৰ বাবেই ই অত্যন্ত তথ্যসমৃদ্ধ আৰু অতিশয় জ্ঞানপূৰ্ণ। মই আলোচনীখন নিয়মীয়াকৈ পঢ়ো। ইয়াৰ মুদ্ৰিত সংস্কৰণ (hardcopy) উপলব্ধনে? মোক আলোচনীখনৰ হাৰ্ডক'পিৰ প্ৰয়োজন হৈছে যি লাভ কৰিলে মোৰ গোটেই পৰিয়ালটোৱে এইখনি পঢ়িব পাৰিব। মই ইয়াক দুটা ভাষা 'তেলেগু আৰু ইংৰাজী'ত বিচাৰিছো। এই আলোচনীখন কিদৰে চাবচক্ৰাইব কৰে? অনুগ্ৰহ কৰি মোলৈ চাবচক্ৰিপশ্যনৰ সবিশেষ প্ৰেৰণ কৰিব।

nswamyrajesh@gmail.com

নিউ ইণ্ডিয়া সমাচাৰৰ ই-সংস্কৰণ প্ৰেৰণ কৰাৰ বাবে ধন্যবাদ। মই সমগ্ৰ ভাৰতত ইমানবোৰ ক্ৰিয়া-কলাপ প্ৰত্যক্ষ কৰি পুলকিত হৈছো। এই আলোচনীখন সুন্দৰকৈ আৰু আকৰ্ষণীয় ধৰণেৰে সংকলিত কৰা হৈছে। আলোচনীখনৰ দিগন্ত প্ৰসাৰী যাত্ৰালৈ আমাৰ শুভেচ্ছা জনালো। আমি সমগ্ৰ টীমটোকে অলেখ শুভকামনা যাচিছো

mathuramindia@gmail.com

মই আপোনাৰ মূল্যৱান প্ৰকাশ নিউ ইণ্ডিয়া সমাচাৰ আলোচনীখন আন ভাষাতো লাভ কৰিব খুজিছো। মোৰ বাবে এই আলোচনীখন অতি মূল্যৱান আৰু তথ্যসমৃদ্ধ। অনুগ্ৰহ কৰি মই ইয়াৰ ছপা সংস্কৰণ ঘৰতে কিদৰে লাভ কৰিব পাৰিম জনাব।

bablupavitra@gmail.com;

ভাল লাগিছে
সুন্দৰ উপস্থাপন
ই আৰম্ভণিৰপৰা শেষলৈকে সকলো গুৰুত্বপূৰ্ণ বাতৰিসমূহক সামৰি লৈছে (সাধাৰণ জ্ঞান, স্থানীয় বাতৰি, ৰাষ্ট্ৰীয় বাতৰি)।

shilpyagarwal08896@gmail.com;

নিউ ইণ্ডিয়া সমাচাৰ আলোচনীখন প্ৰতিযোগিতামূলক পৰীক্ষাসমূহৰ বাবে প্ৰস্তুতি চলাই থকা ছাত্ৰ-ছাত্ৰীসকলৰ বাবে অতি উপযোগী, ইয়াত অত্যন্ত প্ৰয়োজনীয় তথ্যৰাজি লাভ কৰা যায়।
সেয়েহে, আমি ইয়াৰ তেলেগু ভাষাৰ ছপা সংস্কৰণ নিয়মীয়াভাৱে বিচাৰিছো। সেয়েহে, অনুগ্ৰহ কৰি মোৰ অনুৰোধটো বিবেচনা কৰে যেন। কোনো বিপণীত আলোচনীখনৰ ছপা সংস্কৰণ উপলব্ধ হয় নে অনুগ্ৰহ কৰি মহাশয়ে জনাব।

kampalliramarao@gmail.com;

প্ৰথমেই অত্যন্ত উপযোগী পষেকীয়া নিউ ইণ্ডিয়া সমাচাৰৰ প্ৰকাশ আৰম্ভ কৰাৰ বাবে অভিনন্দন জনাইছো। মোৰ এজন বন্ধুৰ কাৰ্যালয়ত আলোচনীখন পঢ়িবলৈ পাই সন্তোষ লভিছো। সাম্প্ৰতিক পৰিস্থিতিত ই অতিশয় উপযোগী হৈছে। নিম্ন উল্লেখিত আমাৰ কাৰ্যালয়ৰ ঠিকনাত নিয়মীয়াভাৱে নিউ ইণ্ডিয়া সমাচাৰ প্ৰেৰণেৰে আমাক বাধিত কৰিব বুলি আশা কৰিলো।

বুটাড সমাচাৰ ডেইলী ২১৯, ৰয়েল প্লাজা, দ্বিতীয় মহলা, মস্তৰাম মন্দিৰৰ সমীপত,
বুটাড- ৩৬৪৭১০, গুজৰাট।

অক্টোবৰ মাহত ১.০৫ লাখ কোটি টকাৰ জিএছটি সংগ্ৰহ

অৰ্থনীতিৰ পুনৰ উত্থানৰ ইংগিত বহন কৰি ২০২০ৰ অক্টোবৰ মাহত সেৱা আৰু সামগ্ৰী কৰ(জিএছটি) সংগ্ৰহৰ পৰিমাণ মুঠ ১.০৫ লাখ কোটি টকা হৈছে। এয়া এটা বিত্তীয় বৰ্ষৰ ভিতৰতে সৰ্বাধিক হিচাপে বিবেচিত হৈছে। জিএছটি সংগ্ৰহৰ পৰিমাণ বিগত বৰ্ষৰ একেটা মাহত সংগৃহীত ৯৫,৩৭৯ কোটি টকাৰ তুলনাত ১০শতাংশ অধিক। যোৱা বিত্তীয় বৰ্ষৰ একে সময়ছোৱাত সামগ্ৰী আমদানিৰ পৰা আহৰিত ৰাজহৰ পৰিমাণতকৈ ৯শতাংশ অধিক আৰু ঘৰুৱা লেনদেনৰ পৰা আহৰিত ৰাজহ (সেৱা আমদানিকে ধৰি)ৰ পৰিমাণ ১১শতাংশ অধিক। জিএছটি বৃদ্ধিৰ পৰিমাণ ২০২০ৰ জুলাই, আগষ্ট আৰু ছেপ্টেম্বৰ মাহত ক্ৰমে ১৪%, ৮% আৰু ৫%কৈ হৈছে, যিটোৱে বিকাশৰ পথক স্পষ্টকৈ প্ৰতিফলিত কৰিছে।

> জিএছটি সংগ্ৰহৰ পৰিমাণ বিগত বৰ্ষৰ একেটা মাহত সংগৃহীত ৯৫,৩৭৯ কোটি টকাৰ তুলনাত ১০শতাংশ অধিক



চৰকাৰৰ পূৰ্বোদয়ৰ কেন্দ্ৰবিন্দুত পৰিণত হৈছে পশ্চিমবংগ

পশ্চিমবংগৰ লোকসকলৰ জীৱন আৰু অধিক উন্নত কৰাৰ লক্ষ্যৰে চৰকাৰে পূৰ্বোদয় শীৰ্ষক নতুন মন্ত্ৰৰে আগুৱাই আহিছে। ইয়াৰ অধীনত পূব ভাৰতৰ উন্নয়নৰ বাবে কেতবোৰ নতুন পদক্ষেপ গ্ৰহণ কৰা হৈছে, যাতে পশ্চিমবংগয়ো পূৰ্বোদয় মিচনত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। এই পদক্ষেপসমূহৰ ভিতৰত প্ৰধানন্ত্ৰী আৱাস যোজনাৰ অধীনত দুখীয়া লোকসকলৰ বাবে প্ৰায় ৩০লাখ আৱাসৰ নিৰ্মাণ সম্পূৰ্ণ কৰা, উজ্জ্বালা যোজনাৰ অধীনত ৯০লাখ দুখীয়া মহিলাক বিনামূলীয়া গেছ সংযোগ প্ৰদান, জন ধন যোজনাৰ অধীনত ৪ কোটি বেংক একাউণ্ট খোলা আৰু জল জীৱন মিচনৰ অধীনত ৪লাখ গৃহত নল সংযোগী পানী যোগান ধৰা ইত্যাদি উল্লেখযোগ্য। ভাৰত, নেপাল আৰু বাংলাদেশ সীমান্ত সংযোগী একাধিক পথ প্ৰকল্পৰ বাবে শ শ কোটি টকাৰ কাম চলি আছে। পশ্চিমবংগৰ জনসাধাৰণৰ জীৱন আৰামদায়ক কৰি তোলাৰ লক্ষ্যৰে ইষ্ট-ৱেষ্ট কৰিড'ৰ অৰ্থাৎ ঘাইপথ, জলপথ আৰু গ্ৰামাঞ্চলৰ ব্ৰ'ডবেণ্ড সংযোগৰ বাবে ৮,০০০কোটি টকা অনুমোদন জনোৱা হৈছে।

ক'ভিড-১৯ৰ সময়ত উত্তৰ-পূবত অত্যাৱশ্যকীয় সামগ্ৰীৰ যোগান সুনিশ্চিত কৰা

উত্তৰ-পূবৰ উন্নয়নত চৰকাৰে সদায় অগ্ৰাধিকাৰ প্ৰদান কৰি আহিছে, সেয়া লাগিলে সংকটৰ সময়তে হওক বা স্বাভাৱিক সময়তে হওক। চৰকাৰে আনকি ক'ৰোনাৰ সময়তো উত্তৰ-পূবক ভৌগোলিকভাৱে একাষৰীয়াকৈ নাৰাখি অঞ্চলটোত পৰ্যাপ্ত সামগ্ৰীৰ যোগান ধৰিছে। ২৫ মাৰ্চৰ পৰা ৩০ ছেপ্টেম্বৰলৈকে উত্তৰ-পূবলৈ কোনো বাধাৰ সন্মুখীন নোহোৱাকৈ ৪,৫০০খন মালবাহী ৰে'লেৰে অত্যাৱশ্যকীয় সামগ্ৰীৰ যোগান সুনিশ্চিত কৰিছে। কেৱল ছেপ্টেম্বৰ মাহত অসমলৈ যোগান ধৰা ৫২৭ ৰেকৰ ভিতৰত ৩২২ৰেকেই অত্যাৱশ্যকীয় সামগ্ৰী। সেইবোৰৰ ভিতৰত খাদ্য-সামগ্ৰী, চেনি আৰু সাৰ অন্যতম। একেদৰে, ত্ৰিপুৰালৈ ৫৮ৰেক, নাগালেণ্ডলৈ ৩২ৰেক, অৰুণাচল প্ৰদেশলৈ দুই ৰেককৈ খাদ্য সামগ্ৰী আৰু পেট্ৰ'লিয়ামজাত সামগ্ৰী প্ৰেৰণ কৰা হৈছে।

আইটিআৰ ফাইলৰ তাৰিখ বৃদ্ধি

বিবাদৰ পৰা বিশ্বাস আঁচনিৰ অধীনত কৰদাতাসকলক তেওঁলোকৰ বিবাদ নিষ্পত্তিত অধিক সকাহ প্ৰদানৰ লক্ষ্যৰে চৰকাৰে কোনোধৰণৰ অতিৰিক্ত ৰাশি নভৰাকৈ ধনাদায় দিয়াৰ বাবে ৩১ডিচেম্বৰ, ২০২০ৰ পৰা ৩১ মাৰ্চ, ২০২১লৈ সময়সীমা বৃদ্ধি কৰিছে। ঘোষণা প্ৰস্তুতৰ অন্তিম তাৰিখ ৩১ ডিচেম্বৰ, ২০২০ হিচাপে জাননী জাৰি কৰা হৈছে। বিবাদৰ পৰা বিশ্বাস আঁচনিৰ অধীনত এই ঘোষণা ৩১ ডিচেম্বৰ, ২০২০ৰ ভিতৰত গাঁঠি দিব লাগিব। তদুপৰি, ২০১৯-২০২০ত আয়কৰ প্ৰত্যাৰ্পণ ফাইল(আইটিআৰ) দাখিলৰ অন্তিম সময়সীমা অধিকাংশ ব্যক্তিগত কৰদাতাৰ বাবে পূৰ্বৰ ৩০ নৱেম্বৰ, ২০২০ৰ পৰা ৩১ ডিচেম্বৰ, ২০২০লৈ বৃদ্ধি কৰা হৈছে। কৰ ফাইল দাখিলৰ বাবে দ্বিতীয়বাৰলৈ সময়সীমা বৃদ্ধি কৰা হৈছে।

কাৰ্গিল আৰু লেহত সংস্থাপন সৃষ্টিৰে হাঁহি বিৰিঙাইছে কেভিআইচিয়ে

খাদী আৰু গ্ৰামোদ্যোগ আয়োগে (কেভিআইচি) ধ্বজাবাহী আঁচনি প্ৰধানমন্ত্ৰী নিয়োগ সৃষ্টি কাৰ্যসূচী (পিএমইজিপি)ৰ অধীনত কাৰ্গিল আৰু লাডাখৰ লেহ অঞ্চলত প্ৰায় ১,০০০ ক্ষুদ্ৰ আৰু মজলীয়া নিৰ্মাণ গোট স্থাপন কৰি কেৱল চাৰে তিনি বছৰতে ৮,২০০তকৈ অধিক যুৱক-যুৱতীৰ বাবে সংস্থাপন সৃষ্টি কৰিছে। এই গোটসমূহক সহায় কৰাৰ বাবে কেভিআইচিয়ে ২০১৭-১৮ বৰ্ষৰ পৰা ৩২.৩৫ কোটি টকা মুকলি কৰি দিছে। চিমেণ্ট ব্লক নিৰ্মাণৰ পৰা ষ্টীলৰ সামগ্ৰী, অ'টো ম'বাইল মেৰামতি কৰ্মশালা, চিলাই কাম, কাঠৰ আচবাব গোট, কাঠৰ সামগ্ৰী নিৰ্মাণ গোট, চাইবাৰ কাফে, বিউটি পাৰ্লাৰ আৰু আ-অলংকাৰ নিৰ্মাণৰ জুৰেলাৰীলৈকে বিভিন্ন দিশত দক্ষতা বৃদ্ধিত কেভিআইচিয়ে সহায় কৰিছে, যাৰ দ্বাৰা স্থানীয় লোকসকলে সন্মানজনক জীৱিকা আহৰণ কৰিবলৈ সক্ষম হৈছে।

ৰেবছাইটত ক'ভিড-১৯ ভেকচিনৰ বিকাশৰ অগ্ৰগতি লক্ষ্য কৰক



চিএছআইআৰে উদ্যোগ আৰু অন্যান্য চৰকাৰী বিভাগ তথা মন্ত্ৰালয়ৰ সহযোগিতাত ক'ভিড-১৯ ভেকচিনৰ বিকাশৰ অগ্ৰগতি আৰু বিভিন্ন পৰীক্ষামূলক প্ৰচেষ্টা আৰু তথ্যৰ সন্দৰ্ভত জানিবলৈ মন্ত্ৰালয়ে দুটা ৰেবছাইটৰ ব্যৱস্থা কৰিছে। চিএছআইআৰ ইউজাৰড় ৰিপাৰ্প'জ ড্ৰাগছ (কিউৰড) শীৰ্ষক ৰেবছাইটত বৰ্তমানৰ পৰীক্ষণ পৰ্যায়, সহযোগিতা আগবঢ়োৱা প্ৰতিষ্ঠান আৰু পৰীক্ষণত ইয়াৰ ভূমিকা আৰু অন্যান্য সকলো বিষয়কে ধৰি ঔষধ, চিকিৎসা আৰু সঁজুলিৰ তথ্য আছে। এই https$\hat{E}$.//www.iiim.res.in/cured/ or http$\hat{E}$.//db.iiim.res.in/ct/index.php. লিংকত ক্লিক কৰি ছাইটটো চাব পাৰিব। ■



‘পঞ্চতীৰ্থ’

নৱপ্ৰজন্মৰ প্ৰেৰণাৰ উৎস

বাবা চাহেব ড০ বি. আৰ. আম্বেদকাৰ কেৱল ভাৰতীয় সংবিধানৰ খনিকৰেই নাছিল, বৰঞ্চ তেখেত একেধাৰে পণ্ডিত, বিচাৰক, অৰ্থনীতিবিদ আৰু সমাজ সংস্কাৰক আছিল। তেওঁ অস্পৃশ্যতাৰ ক্ষেত্ৰত সামাজিক বৈষম্যৰ বিৰুদ্ধে অভিযান চলোৱাৰ লগতে মহিলা আৰু শ্ৰমিক শ্ৰেণীৰ অধিকাৰৰ পোষকতা কৰিছিল। তেওঁ প্ৰতিগৰাকী যুৱক-যুৱতীৰ বাবে এক প্ৰেৰণা। আম্বেদকাৰৰ জীৱনৰ সৈতে জড়িত পাঁচটা স্থান চৰকাৰে তীৰ্থস্থান-‘পঞ্চতীৰ্থ’ হিচাপে উন্নয়ন সাধন কৰিছে।

“আম্বেদকাৰে তেওঁৰ সমগ্ৰ জীৱন পিছপৰা, অৱহেলিত আৰু জনজাতি লোকসকলৰ উন্নতিৰ প্ৰতি উচৰ্গিত কৰিছিল। তেওঁ অৱহেলিত শ্ৰেণীক এক স্বাভাৱিক জীৱনৰ সুযোগ দিয়াৰ সংকল্প গ্ৰহণ কৰিছিল। এই অৱহেলিত শ্ৰেণীটো এতিয়া সজাগ হোৱাৰ লগতে তেওঁলোক বিকাশৰ প্ৰতিও আগ্ৰহী হৈছে। তেওঁলোকে তেওঁলোকৰ অধিকাৰ লাভ কৰাটো বিচাৰে। এয়া বাবা চাহেব আম্বেদকাৰৰ বাবেই সম্ভৱ হ’ল।” এয়া কেৱল প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মন্তব্যই নহয়, বৰঞ্চ এক নতুন ভাৰতৰ সংকল্প, যিখন ভাৰতৰ কল্পনা কৰিছিল আম্বেদকাৰে। আম্বেদকাৰৰ এই সপোন বাস্তৱত পৰিণত কৰাৰ বাবে চৰকাৰে ২০২২ৰ ভিতৰত সময়সীমা নিৰ্ধাৰণ কৰিছে। চৰকাৰে বিচাৰে অধিক সংখ্যক লোক, বিশেষকৈ যুৱচামে তেওঁৰ সপোন আৰু ধাৰণাৰ বিষয়ে শিকক। এই ক্ষেত্ৰত এক পদক্ষেপ গ্ৰহণ কৰি চৰকাৰে আম্বেদকাৰৰ জীৱনৰ সৈতে জড়িত পাঁচটা তীৰ্থ স্থানক ‘পঞ্চতীৰ্থ’ হিচাপে উন্নয়ন সাধন কৰিছে।

> ‘এইটো বৰ্তমানৰ চৰকাৰৰ বাবে সৌভাগ্যৰ কথা যে আমি বাবা চাহেবৰ সৈতে জড়িত পাঁচটা স্থান পঞ্চতীৰ্থ হিচাপে উন্নয়ন সাধন কৰাৰ সুযোগ লাভ কৰিছো। মহৌৰ বাবা চাহেবৰ জন্মভূমি; লণ্ডনৰ ড০ আম্বেদকাৰ স্মৃতিসৌধ- তেওঁৰ শিক্ষা ভূমি; নাগপুৰৰ দীক্ষাভূমি, মুম্বাইৰ চাত্যভূমি; দিল্লীত তেওঁৰ মহাপৰিনিৰ্বান ভূমি’।
>
> প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী

মহৌৰ জন্মভূমি

১৮৯১চনৰ ১৪ এপ্ৰিলত আম্বেদকাৰৰ জন্ম হৈছিল। ২০১৬ৰ ১৪ এপ্ৰিলত তেওঁ ১২৫সংখ্যক জন্ম বাৰ্ষিকী উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁৰ জন্মভূমি মহৌ ভ্ৰমণ কৰাৰ লগতে তেওঁলৈ শ্ৰদ্ধাঞ্জলি নিবেদন কৰিছিল। মহৌ ভ্ৰমণ কৰা মোদী হৈছে প্ৰথমগৰাকী প্ৰধানমন্ত্ৰী। ১৯৯১চনত আম্বেদকাৰৰ জন্ম শতবৰ্ষ উপলক্ষে তেতিয়াৰ মধ্যপ্ৰদেশৰ মুখ্যমন্ত্ৰী সুন্দৰ লাল পাটৰাই মহৌত জন্মভূমি স্মৃতিসৌধ উদ্বোধন কৰিছিল। শিৱৰাজ সিং চৌহান চৰকাৰে এই ঠাইডোখৰ এক বৃহৎ স্মৃতিসৌধলৈ ৰূপান্তৰ কৰে।

যুৱপ্ৰজন্মৰ বাবে প্ৰেৰণা

লণ্ডনৰ শিক্ষাভূমি

কামদেনত দশম ৰজা হেনৰী পথত ১৯২১ আৰু ১৯২২ চনৰ মাজৰ সময়ছোৱাত লণ্ডনত আম্বেদকাৰৰ ঘৰটো তেওঁৰ সন্মানাৰ্থে এক স্মৃতিসৌধলৈ ৰূপান্তৰ কৰা হৈছে। ২০১৫ চনৰ ছেপ্টেম্বৰত মহাৰাষ্ট্ৰ চৰকাৰে এই গৃহটো ক্ৰয় কৰাৰ পাছত ২০১৫ৰ নৱেম্বৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ঘৰটো উদ্বোধন কৰিছিল। ৮০০ কোটি টকা ব্যয় কৰি ইয়াক এক স্মৃতিসৌধলৈ ৰূপান্তৰ কৰা হয়।

মুম্বাইৰ চাত্যভূমি

চাত্য ভূমি, যি স্থানত আম্বেদকাৰৰ অন্তিম সংস্কাৰ কৰা হৈছিল, সেই স্থানো এক স্মৃতিসৌধ হিচাপে বিকাশ সাধন কৰা হৈছে। ২০১৫ৰ ১১ অক্টোবৰত প্ৰধানমন্ত্ৰীয়ে ইয়াৰ আধাৰশিলা স্থাপন কৰিছিল। মুম্বাইৰ ইন্দু মিলত অৱস্থিত এই স্থানক ২০১৬ চনত 'প্ৰথম' শ্ৰেণীৰ পৰ্যটনস্থলী হিচাপে অনুমোদন জনোৱা হয়।

নাগপুৰৰ দীক্ষাভূমি

মহাৰাষ্ট্ৰ নাগপুৰ চহৰৰ কেন্দ্ৰস্থলত অৱস্থিত এই স্থানতে আম্বেদকাৰে ১৯৫৬চনৰ ১৪ অক্টোবৰত বৌদ্ধধৰ্ম গ্ৰহণ কৰিছিল। বৌদ্ধ ভৱনটো পাছত এক কেন্দ্ৰীয় স্মৃতিসৌধ হিচাপে নিৰ্মাণ কৰা হয়। আম্বেদকাৰৰ ১২৫সংখ্যক জন্মবাৰ্ষিকী উপলক্ষে প্ৰধানমন্ত্ৰীয়ে ইয়াক এক 'প্ৰথম' শ্ৰেণীৰ পৰ্যটনস্থলী হিচাপে ৰূপান্তৰ কৰে। 'প্ৰথম' শ্ৰেণীৰ পৰ্যটনস্থলী হিচাপে অনুমোদন জনোৱাৰ পাছত এই স্থানৰ ক্ষিপ্ৰতাৰে বিকাশ সাধন কৰা হয়।

দিল্লীৰ মহাপৰিনিৰ্বান ভূমি

দিল্লীৰ ২৬, আলিপুৰ পথত অৱস্থিত ড০ আম্বেদকাৰ ৰাষ্ট্ৰীয় স্মৃতিসৌধ (ডিএএনএম)ৰ যি স্থানত তেওঁ শেষ নিশ্বাস ত্যাগ কৰিছিল, সেই স্থানো এক স্মৃতিসৌধ হিচাপে উন্নয়ন সাধন কৰা হয়। দিল্লীৰ ২৬, আলিপুৰ পথৰ ছিৰোহীত মহাৰাজাৰ গৃহত তেওঁ থাকিবলৈ লয় আৰু ১৯৫৬ৰ ৬ ডিচেম্বৰত তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। প্ৰধানমন্ত্ৰীয়ে ২০১৬ৰ ২১ মাৰ্চত ডিএএনএমৰ আধাৰশিলা স্থাপন কৰিছিল। ২০১৮ৰ এপ্ৰিলত এই স্মৃতিসৌধ উদ্বোধন কৰা হয়।

ড০ আম্বেদকাৰ আন্তঃৰাষ্ট্ৰীয় কেন্দ্ৰ(ডিএআইচি): দিল্লীৰ ১৫, জনপথত অৱস্থিত এই কেন্দ্ৰ সামগ্ৰিক বিকাশৰ এটা থিংক টেংক। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০১৫ৰ এপ্ৰিলত ডিএআইচিৰ আধাৰশিলা স্থাপন কৰাৰ পাছত ২০১৭ৰ ডিচেম্বৰত এই কেন্দ্ৰটো উদ্বোধন কৰে। এই উপলক্ষে আগবঢ়োৱা ভাষণত প্ৰধানমন্ত্ৰীয়ে আশা প্ৰকাশ যে কেন্দ্ৰটোৱে আম্বেদকাৰৰ শিক্ষা আৰু সপোনৰ প্ৰসাৰত এক মুখ্য ভূমিকা পালন কৰিব।

চৰকাৰৰ পদক্ষেপ

- ২০১৫ চনৰ পৰা ২৬ নৱেম্বৰৰ দিনটো সংবিধান দিৱস হিচাপে পালন কৰা হয়। আম্বেদকাৰৰ ১২৫সংখ্যক জন্মবাৰ্ষিকীত এই ঘোষণা কৰা হৈছিল।
- আম্বেদকাৰৰ ১২৫ সংখ্যক জন্মবাৰ্ষিকী উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ১০টকীয়া আৰু ১২৫ টকীয়া স্মাৰক মুদ্ৰা মুকলি কৰিছিল
- আম্বেদকাৰৰ জন্ম বাৰ্ষিকী উপলক্ষে ১৪ এপ্ৰিলৰ দিনটো ব্যাপক পৰিসৰত উদযাপন কৰা হয়
- ২০১৬ চনত ৰাষ্ট্ৰসংঘৰ প্ৰথমবাৰৰ বাবে অসমতাৰ বিৰুদ্ধে যুঁজত গুৰুত্ব আৰোপ কৰি বহনক্ষম উন্নয়নৰ লক্ষ্যত উপনীত হোৱাৰ বাবে আম্বেদকাৰৰ বাৰ্ষিকী উদযাপন কৰা হয়
- ডিজিটেল লেনদেনৰ ভীম এপ হৈছে আম্বেদকাৰৰ অৰ্থনৈতিক ভিজনৰ প্ৰতি চৰকাৰৰ শ্ৰদ্ধাঞ্জলি

গ্ৰাম স্বৰাজ অভিযান

২০১৮ চনত চৰকাৰে ১৪ এপ্ৰিলৰ পৰা ৫ মে'লৈ গ্ৰাম স্বৰাজ অভিযানৰ আয়োজন কৰিছিল। ২০১৮ চনৰ ১ জুনৰ পৰা ১৫ আগষ্টলৈ ১১৬খন উন্নয়নক্ষম জিলাৰ ১,০০০তকৈ অধিক জনসাধাৰণ থকা গাঁৱত এই অভিযান প্ৰসাৰ কৰা হয়।

- 'সবকা সাথ, সবকা গাঁও, সবকা বিকাশ' শীৰ্ষক অভিযানৰ জৰিয়তে চৰকাৰে দুখীয়া লোকসকলৰ সামাজিক সংহতি, সজাগতা বৃদ্ধিৰ বাবে গ্ৰহণ কৰা প্ৰচেষ্টাৱলীৰ প্ৰসাৰ তথা দুখীয়া পৰিয়ালসমূহক পঞ্জীয়ন কৰাৰ লগতে বিভিন্ন কল্যাণকামী আঁচনিৰ সন্দৰ্ভত তেওঁলোকৰ মতামত লাভ কৰা হয়।
- গ্ৰাম স্বৰাজ অভিযানৰ সময়ত ৭ খন ধ্বজাবাহী আঁচনি ক্ৰমে-প্ৰধানমন্ত্ৰী উজ্জ্বালা যোজনা, সৌভাগ্য, উজলা আঁচনি, প্ৰধানমন্ত্ৰী জন ধন যোজনা, প্ৰধানমন্ত্ৰী জীৱনজ্যোতি বীমা যোজনা, প্ৰধানমন্ত্ৰী সুৰক্ষা বীমা যোজনা আৰু মিচন ইন্দ্ৰধনূষৰ সন্দৰ্ভত পৰিয়াল আৰু ব্যক্তিসকলৰ সন্তুষ্টিৰ সন্দৰ্ভত বিশেষ পৰিকল্পনা কৰা হৈছে। জিএছএৰ সময়ত দেশৰ গ্ৰামাঞ্চলত ব্লক পৰ্যায়ত ২০২২ চনৰ ভিতৰত 'কৃষকৰ উপাৰ্জন দুগুণ' কৰাৰ লক্ষ্যৰে কৃষকসকলৰ মাজত বৈঠক অনুষ্ঠিত কৰা হয়।

বাবা চাহেবৰ সন্মানাৰ্থে 'ভীম'

- বাবা চাহেব সন্মানাৰ্থে কেন্দ্ৰীয় চৰকাৰে ডিজিটেল লেনদেনৰ প্ৰসাৰ কৰাৰ লক্ষ্যৰে 'ভীম' শীৰ্ষক বিশেষ এপৰ শুভাৰম্ভ কৰিছিল।

বিগত ৬ বছৰত চৰকাৰে এই সুনিশ্চিত কৰিছে যাতে গুৰুত্বপূৰ্ণ স্থানসমূহৰ বিকাশ সাধনৰ লগতে সংৰক্ষণ কৰা হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, "সম্ভৱতঃ বাবা চাহেবলৈ এই চৰকাৰে আগবঢ়োৱা ধৰণৰ সন্মান, আৰু শ্ৰদ্ধাঞ্জলি পূৰ্বৰ কোনো চৰকাৰে দিয়া নাছিল। বাবা চাহেবক ৰাজনীতিৰে সৈতে সাঙুৰি লোৱাৰ পৰিৱৰ্তে আমি সকলোৱে তেওঁ দেখুৱাই যোৱা ভাতৃত্ববোধৰ পথ অনুসৰণ কৰা উচিত। সেইবোৰক বাদ দি আমি কেতিয়াও আগুৱাই যাব নোৱাৰো।" 'পঞ্চতীৰ্থ'ৰ ভিতৰত মধ্যপ্ৰদেশৰ মহৌৰ সেই স্থান, য'ত আম্বেদকাৰৰ জন্ম হৈছিল (জন্মভূমি); লণ্ডনৰ সেই স্থান, য'ত থাকি তেওঁ পঢ়িছিল (শিক্ষাভূমি); নাগপুৰৰ সেই স্থান, য'ত তেওঁ বৌদ্ধ ধৰ্মৰে দীক্ষিত হৈছিল (দীক্ষা ভূমি); দিল্লীৰ সেই স্থান, য'ত তেওঁ শেষ নিশ্বাস ত্যাগ কৰিছিল (মহাপৰিনিৰ্বান ভূমি); মুম্বাই দাদৰৰ সেই স্থান, য'ত তেওঁৰ অন্তিম সৎকাৰ কৰা হৈছিল (চাত্যভূমি)। ■

কৰ্ণাটকী সংগীতৰ নাইটিংগেল

তেওঁৰ কণ্ঠত বৈষ্ণৱ জন তো শুনি মহাত্মা গান্ধী শব্দহীন হৈ পৰিছিল, আৰু তেওঁ তেতিয়াই কৈছিল যে এম এছ চুব্বুলক্ষ্মীয়ে যেতিয়াই গীত গায় তেওঁ ঈশ্বৰৰ কাষ চাপি যায় আৰু ঠিক একেই অনুভৱ হয় তেওঁৰ গীত শুনোতাসকলৰো। তেওঁক ভাৰতৰ নাইটিংগেল নাম দিছিল সৰোজিনী নাইডুৱে আৰু লতা মঙ্গেশকাৰে নাম দিছিল তপস্বিনী। ওস্তাদ বড়ে গুলাম আলী খানে তেওঁক নাম দিছিল সুস্বৰালক্ষ্মী চুব্বুলক্ষ্মী। ১১ ডিচেম্বৰত এইগৰাকী মহীয়ান কণ্ঠশিল্পীক তেওঁৰ ষষ্ঠদশ মৃত্যু বাৰ্ষিকীত সমগ্ৰ দেশে শ্ৰদ্ধাৰে সুঁৱৰিছে।

জন্ম - ১৬ ছেপ্তেম্বৰ, ১৯১৬ || মৃত্যু - ১১ ডিচেম্বৰ, ২০০৪

১৯১৬ চনৰ ১৬ ছেপ্তেম্বৰত জন্মলাভ কৰা মাদুৰাই ছানমুখাৰাড়িৰু চুব্বুলক্ষ্মীক ঘৰত কুঞ্জাম্মা বুলি মাতিছিল। সম্ভ্ৰমৰ এক প্ৰতিভু চুব্বুলক্ষ্মীয়ে কেবাদশক ধৰি কৰ্ণাটকী সংগীতৰ এগৰাকী অতুলনীয় সাম্ৰাজ্ঞী হিচাপে অভিহিত হৈ আছিল। আদৰতে সকলোৱে এম এছ আম্মা বুলি মতা চুব্বুলক্ষ্মীয়ে কোটি কোটি লোকৰ হৃদয়ত স্থান লাভ কৰিছিল, সেয়া কেৱল তামিলনাড়ুতেই নহয়, বৰঞ্চ সমগ্ৰ ভাৰততে আৰু সমগ্ৰ বিশ্বতে।

তেওঁ সংগীতৰ গভীৰতালৈ গৈ আত্মাক স্পৰ্শ কৰিছিল আৰু তাৰ পৰা সংগীতৰ মধুময় ভাণ্ডাৰ লৈ আহিবলৈ সক্ষম হৈছিল, সেই কথা কেৱল সংগীতৰ পণ্ডিত বা বিশেষজ্ঞসকলেই নহয়, বৰঞ্চ দেশৰ সাধাৰণ মানুহেও স্বীকাৰ কৰে। তেওঁৰ ভালেমান গায়কীত প্ৰাণ পাই উঠা প্ৰখ্যাত ভজনসমূহৰ ভিতৰত ভজ গোবিন্দম, বিষ্ণু সহস্ৰনমম (ভগৱান বিষ্ণুৰ ১০০০ নাম), হৰি তুম হৰো আৰু ভেংকটেশ্বৰা সুপ্ৰভাতম (প্ৰাতঃকালে ভগৱান বালাজীক জগাবৰ বাবে কৰা সাংগীতিক শেক) আছিল অন্যতম। কিশোৰী আমোনকাৰে তেওঁক সংগীতৰ অষ্টম স্বৰ নামেৰে নামাকৰণ কৰিছিল।

এই প্ৰতিভাধৰ কণ্ঠশিল্পীগৰাকীয়ে তেওঁৰ প্ৰথমটো একক প্ৰদৰ্শন কৰিছিল মাত্ৰ ৮ বছৰ বয়সতে আৰু তেওঁৰ প্ৰথম এলবামটো তেওঁৰ মাত্ৰ ১০ বছৰ বয়সত মুক্তি লাভ কৰে। এগৰাকী ১০ বছৰীয়া ছোৱালী হিচাপে, দক্ষিণ ভাৰতীয় সাংস্কৃতিক কেন্দ্ৰ, মাদুৰাইত তেওঁ তেওঁৰ প্ৰতিষ্ঠিত মাতৃৰ সংগীতানুষ্ঠানত সহযোগ কৰিছিল আৰু তেওঁৰ লগত বীণা বাদন কৰিছিল। এক অনবদ্য কণ্ঠ, কঠোৰ শ্ৰম, অবিশ্বাস্য নিয়মানুৱৰ্তিতা, অধ্যৱসায়, অমায়িকতা আৰু সকলোৰে পৰা শিকাৰ প্ৰচুৰ ইচ্ছাৰ অধিকাৰী এইগৰাকী শিল্পীয়ে প্ৰথমবাৰৰ বাবে একক অনুষ্ঠান পৰিৱেশন কৰে ১৭ বছৰ বয়সত।

এগৰাকী প্ৰচুৰ প্ৰতিভাসম্পন্ন কণ্ঠশিল্পীয়েই নহয়, তেওঁ আছিল এগৰাকী মহান অভিনয় শিল্পীও, যিয়ে মীৰাবাঈ আৰু শকুন্তলা বোলছবিত গুৰুত্বপূৰ্ণ ভূমিকাত অভিনয়ো কৰিছিল। উল্লেখ্য যে চুব্বুলক্ষ্মী হৈছে ১৯৯৮ চনত ভাৰতৰ সৰ্বোচ্চ অসামৰিক সন্মান ভাৰতৰত্ন লাভ কৰা প্ৰথমগৰাকী সংগীতশিল্পী। তেওঁ ভালেমান গীততো কণ্ঠদান কৰিছে। চুব্বুলক্ষ্মীৰ জন্ম শতবাৰ্ষিকীত তেওঁৰ স্মৰণত এটা স্মাৰক মুদ্ৰাও মুকলি কৰিছিল কেন্দ্ৰীয় চৰকাৰে।

সঙ্গীত অৱশ্যেই তেওঁৰ জীৱন আছিল, কিন্তু তেওঁ তেওঁৰ স্বামীৰ সৈতে দেশৰ স্বাধীনতা আন্দোলনলৈও অৱদান আগবঢ়াইছিল আৰু সঙ্গীতৰ পৰা তেওঁলোকে কৰা আয়ৰ এটা নিৰ্দ্দিষ্ট পৰিমাণ কস্তুৰবা গান্ধী মেমোৰিয়েল ফাণ্ডলৈ প্ৰেৰণ কৰিছিল। তেওঁৱেই প্ৰথমগৰাকী ভাৰতীয় সঙ্গীতজ্ঞ, যিয়ে ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদৰ সভাত সঙ্গীত পৰিবেশন কৰিছিল আৰু তেওঁৱেই প্ৰথমগৰাকী ভাৰতীয় সঙ্গীতশিল্পী যিয়ে ১৯৭৪ চনত ৰাজহুৱা সেৱাৰ বাবে ৰমন মেগছেছে পুৰস্কাৰেৰে বিভূষিত হৈছিল। ৰাষ্ট্ৰসংঘৰ উপৰিও তেওঁ এডিনবাৰ্গ আন্তৰ্জাতিক উৎসৱ তথা লণ্ডনৰ ৰয়েল এলবাৰ্ট হলত ৰাণী দ্বিতীয় এলিজাবেথৰ বাবেও গীত পৰিৱেশন কৰিছিল। তেওঁ মূলতঃ তামিল, তেলুগু, কন্নড় আৰু মীৰা ভজন হিন্দী ভাষাত পৰিবেশন কৰিছিল। ■

দিব্যাঙ্গসকলৰ সবলীকৰণ

দিব্যাঙ্গ বা শাৰীৰিক প্ৰতিবন্ধী লোকসকলে এতিয়ালৈ তেওঁলোক জীয়াই থাকিবৰ বাবে আনৰ ওপৰতে নিৰ্ভৰশীল বুলি বিবেচনা কৰা হয়। যিহওঁক, বিগত ছটা বছৰত, কেন্দ্ৰীয় চৰকাৰে নিশ্চিত কৰিছে যে দেশখন এইসকল বিশেষভাৱে সক্ষম লোকৰ বাবে সুগম্য কৰা হওঁক, যাতে দেশৰ ২.৬৮ কোটি দিব্যাঙ্গ লোকে দেশত উৎকৰ্ষ অৰ্জন কৰিবলৈ সক্ষম হয়।

"সেইবাবেই মই ভাবিছিলো যে তেওঁলোকৰ বাবে বিকলাংগ বা প্ৰতিবন্ধী শব্দটো আঁতৰাই দিব্যাঙ্গ শব্দটো ব্যৱহাৰ কৰা হওঁক। তেওঁলোক হৈছে সেইসকল লোক, যাৰ মাজত সাধাৰণ মানুহৰ তুলনাত দেৱত্ব প্ৰবাহিত এক বা একাধিক অংগ আছে। মোৰ এই শব্দটো ভাল লাগে। মোৰ আদৰৰ দেশবাসী, আমি দিব্যাঙ্গ শব্দটোৰ ব্যৱহাৰ আৰু ইয়াক জনপ্ৰিয় কৰি তুলিব নোৱাৰোনে? মই আশা কৰো যে মোৰ এই শব্দটো আপোনালোকে আগবঢ়াই নিব।"

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পাচবছৰ পূৰ্বে দিয়া এই টিপ্পনী নৱ ভাৰতৰ বাবে এক নতুন মন্ত্ৰ হৈ পৰিছে। ইয়াৰ উদাহৰণ চলমান। উত্তৰ প্ৰদেশৰ মুৰাদাবাদ জিলাৰ হাৰিমপুৰ গাওঁত জন্মলাভ কৰা চলমান জন্মৰে পৰা দিব্যাঙ্গ আছিল। যদিও তেওঁৰ বাবে খোজ কঢ়াটো অতিকৈ জটিল আছিল, তথাপি তেওঁৰ মাজত থকা আত্মনিৰ্ভৰ হৈ উঠাৰ প্ৰবল ইচ্ছাশক্তিয়ে এই জটিলতাৰ পথত কেতিয়াও প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিব পৰা নাছিল। আনকি তেওঁ আনৰো মনোবল বৃদ্ধি কৰিছিল। চলমানে নিজৰ গাওঁত চেণ্ডেল আৰু ডিটাৰজেণ্ট প্ৰস্তুতকৰণৰ কাম আৰম্ভ কৰি দিয়ে। আৰু এই প্ৰয়াসৰ সুন্দৰ পৰিণাম তেওঁ লাভ কৰে। তেওঁৰ এই প্ৰয়াসে ত্ৰিশগৰাকী দিব্যাঙ্গ লোকক তেওঁৰ সৈতে জড়িত হোৱাৰ বাবে প্ৰেৰণা দিয়ে। এতিয়া চলমানৰ কোম্পানীয়ে লাভ অৰ্জন কৰিবলৈও লৈছে। এই কোম্পানীৰ জৰিয়তে আৰু ১০০ গৰাকী দিব্যাঙ্গ লোকক প্ৰশিক্ষণ প্ৰদানৰ লক্ষ্য হাতত লোৱা হৈছে।

এতিয়া চলমান অকলশৰীয়া নহয়। কেন্দ্ৰীয় চৰকাৰৰ সুগম্য ভাৰত অভিযানৰ সুবাদত, য'ত দিব্যাঙ্গসকলৰ বাবে আত্মনিৰ্ভৰ হোৱাৰ বিকল্প থাকে। প্ৰতিবন্ধী সবলীকৰণ বিভাগৰ দ্বাৰা ৩ ডিচেম্বৰ, ২০১৫ তাৰিখে আৰম্ভ কৰা সুগম্য ভাৰত অভিযান শীৰ্ষক কাৰ্যসূচীৰে এক দেশজোৰা অভিযান প্ৰতিবন্ধী লোকসকলৰ বাবে সাৰ্বভৌমিক উপলব্ধতা লাভ কৰাৰ দিশত কাম কৰি থকা হৈছে।

এই অভিযানে দিব্যাঙ্গ লোকসকলৰ প্ৰতি সমাজৰ পুৰণি চিন্তাধাৰা সলনি কৰিছে। এগৰাকী প্ৰতিবন্ধী কৰ্মকৰ্তা তথা আমেৰিকাৰ কবি ৰবাৰ্ট মাইকেল হেন্সেলৰ মতে, "মোৰ এটা বিকলাংগতা আছে। হয়, এয়া সঁচা কথা, কিন্তু এই সকলোবোৰৰ বাস্তৱিক অৰ্থ হৈছে যে মই আপোনাতকৈ অলপ পৃথক পথ গ্ৰহণ কৰিব পাৰো।" এই অভিযান সংযুক্ত ৰাষ্ট্ৰৰ কাৰ্যক্ৰমণিকাৰ দীৰ্ঘম্যাদী বিকাশৰ লক্ষ্য (SDG)ৰ এক অংশ।

ইয়াৰ উদ্দেশ্য হৈছে চৰকাৰী ভৱন, বিদ্যালয়, পথ, বিমান বন্দৰ, পৰ্যটনস্থলী আৰু ৱেবছাইটবোৰ প্ৰতিবন্ধী লোকসকলৰ বাবে সুলভ আৰু সহজ কৰি নিৰ্মাণ কৰা। ইয়াৰ উদ্দেশ্য হৈছে তেওঁলোকৰ বাবে সৰ্বসমাৱেশী সুযোগ সৃষ্টি কৰা। তেওঁলোকে নিজৰ পৰিকল্পনা আৰু উদ্দেশ্যৰ ক্ষেত্ৰত অভূতপূৰ্ব সাফল্য লাভ কৰিবলৈ সক্ষম হৈছে।

সুগম্য ভাৰত অভিযানৰ ৩ টা গুৰুত্বপূৰ্ণ উপাদান

পৰিৱেশৰ উপলব্ধতা

উদ্দেশ্য

৫০ খন চহৰত ২৫-৩০ টা আটাইতকৈ গুৰুত্বপূৰ্ণ চৰকাৰী ভৱনৰ অডিট কৰা আৰু সেইবোৰক সম্পূৰ্ণৰূপে সুগম্য ভৱনলৈ পৰিৱৰ্তিত কৰা

সাফল্যবোৰ

- ১৬,৬৬২ টা চিনাক্তকৃত ভৱনৰ অডিট সম্পন্ন হৈছে আৰু প্ৰতিবেদনো দাখিল কৰা হৈছে।
- ১,১৫২ টা ভৱনৰ বাবে ৪৪৩.৬৩ কোটি টকা আবণ্টন দিয়া হৈছে
- সুগম্য অডিটৰ বাবে ২৮.৩১ লাখ টকা দিয়া হৈছে অডিটৰসকলক

পৰিবহন ব্যৱস্থাৰ সুগম্যতা

- সুগম্য বিমানবন্দৰসমূহৰ পৰিবৰ্ধন

উদ্দেশ্যবোৰ

সকলো আন্তঃৰাষ্ট্ৰীয় আৰু ঘৰুৱা বিমানবন্দৰৰ সুগম্যতা অডিট আয়োজন কৰা আৰু সেইবোৰক সম্পূৰ্ণৰূপে সুগম আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰলৈ পৰিবৰ্তিত কৰা।

সাফল্যবোৰ

- দেশত থকা ৩৫ টা আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰ আৰু ৬৯ টা ঘৰুৱা বিমানবন্দৰ সকলো লোকৰ বাবেই সুগম্য
- ভাৰতীয় বিমানবন্দৰ প্ৰাধিকৰণে অধিক গতিশীলতা নথকা লোকসকলৰ বাবে প্ৰতিবন্ধকতাবিহীন ঠাইৰ বাবে এখন পুস্তিকাও প্ৰকাশ কৰিছে।
- নিৰ্দেশাৱলীৰ ভিত্তিত আদৰ্শ বিমানবন্দৰবোৰ ডিজাইন কৰা হৈছে, যাতে সেইবোৰ সমগ্ৰ দেশতে উপস্থাপন কৰিব পৰা যায়।

সুগম্য ৰে'ল ষ্টেশ্যনবোৰ অনুপাত বৃদ্ধি

দেশত থকা ৰে'লৱে ষ্টেশ্যনবোৰৰ ভিতৰত A1, A আৰু B শাখাৰ ষ্টেশ্যনবোৰক সম্পূৰ্ণৰূপে সকলোৰে বাবে সুগম্য ষ্টেশ্যনলৈ পৰিৱৰ্তিত কৰা হৈছে। দেশৰ প্ৰায় ৫০ শতাংশ ৰে'লেৱে ষ্টেশ্যনক এতিয়া পূৰ্ণপৰ্যায়ৰ সুগম্য ৰে'লৱে ষ্টেশ্যনলৈ পৰিৱৰ্তিত কৰা হৈছে।

সাফল্যবোৰ

- ৭০৯ টা ষ্টেশ্যনত হ্ৰস্বম্যাদী সুবিধা উপলব্ধ কৰোৱা হৈছে, আনফালে ৬০৩ টা ৰে'লৱে ষ্টেশ্যনত দীৰ্ঘকালীন সুবিধা উপলব্ধ কৰোৱা হৈছে।
- ৰে'লবোৰ প্ৰতিবন্ধী লোকসকলৰ বাবে অনুকূল কৰি তুলিবৰ বাবে ৰে'লৱেৰ হাতত ৩৪০০ টা প্ৰতিবন্ধী অনুকূল দবা আছে। আগন্তুক তিনি বছৰত প্ৰায় ৪৯৮ টা নতুন দবা নিৰ্মাণ কৰি উলিওৱা হ'ব।
- ২৫০ টা ষ্টেশ্যনত ৫২১ টা লিফ্‌ট স্থাপন কৰাহৈছে। ইফালে ২২৬ টা ষ্টেশ্যনত ৭০৫ টা এছকেলেটৰ লগোৱা হৈছে।

সুগম্য ৰাজহুৱা পৰিবহণৰ পৰিবৰ্ধন

উদ্দেশ্য — ৫০ শতাংশ চৰকাৰৰ মালিকানাধীন ৰাজহুৱা পৰিবহন বাহনক সম্পূৰ্ণৰূপে সুগম্য বাহনলৈ পৰিৱৰ্তিত কৰাটো নিশ্চিত কৰা

সাফল্য — সম্প্ৰতি, ১,১৩,৩৯৭ খন বাছৰ ভিতৰত অন্ততঃ ৭,১৩১ খন বাছত হুইলচেয়াৰ কঢ়িয়াব পৰা যায়। মুঠ ২৪,৭৫৪ খন বাছ আংশিকভাৱে সুগম্য।

তথ্য আৰু যোগাযোগ পৰিস্থিতি তন্ত্ৰ সুগম্যতা

উদ্দেশ্য — ৫০ শতাংশ কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ ৱেবছাইট সম্পূৰ্ণৰূপে সুগম্য ৱেবছাইটলৈ পৰিৱৰ্তন কৰা

সাফল্যবোৰ

- ৯১৭ টা ৱেবছাইট সুগম্য কৰি তুলিবলৈ ২৬ কোটি টকা আবণ্টন দিয়া হৈছে আৰু ১৫.৫২ কোটি টকা মোকলাই দিয়া হৈছে
- ২০২০ চনৰ ছেপ্তেম্বৰ মাহলৈ ৫৯১ টা ৱেবছাইট সুগম্য কৰি তোলা হৈছে। ইয়াৰ ভিতৰত ৪১৯ টা ৱেবছাইট সম্প্ৰতি কাৰ্যক্ষম হৈ আছে।
- মুঠ ১০০ টা ৱেবচাইটৰ ভিতৰত কেন্দ্ৰীয় মন্ত্ৰালয় আৰু দপ্তৰৰ অন্ততঃ ৯৫ টা ৱেবছাইট সুগম্য কৰি তোলা হৈছে।

চৰকাৰে গ্ৰহণ কৰা অন্যান্য গুৰুত্বপূৰ্ণ পদক্ষেপসমূহ

- ১৯৯২ আৰু ২০১৪ চনৰ ভিতৰত মাত্ৰ ৫৬ টা অনুষ্ঠান অনুষ্ঠিত হৈছিল। বিগত ছয় বছৰত অনুষ্ঠিত হোৱা ৯০০০ তকৈও অধিক কাৰ্যসূচীয়ে দেশৰ লক্ষ লক্ষ প্ৰতিবন্ধী লোকক সহায় কৰিছে।

- চৰকাৰে প্ৰতিবন্ধীসকলৰ বাবে আয়োজন কৰা দহটা অনুষ্ঠানে গিনিজ বুক অৱ ৱৰ্ল্ড ৰেকৰ্ডছত স্থান লাভ কৰিছে।
- প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যেতিয়া কাৰ্যভাৰ গ্ৰহণ কৰিলে তেতিয়া প্ৰতিবন্ধী সকলৰ বাবে সংৰক্ষিত হৈ থকা ১,৬৫,০০০ টা পদৰ ভিতৰত মাত্ৰ এটা বছৰৰ ভিতৰতে ১৪,৫০০ টা পদ পূৰণ কৰা হৈছে।
- প্ৰতিবন্ধী লোকক নিয়োগ কৰিবৰ বাবে বিশেষ অভিযান মুকলি কৰা হৈছে। সংৰক্ষণৰ কোটা তিনিৰ পৰা চাৰি শতাংশলৈ বৃদ্ধি কৰা হৈছে।
- উচ্চশিক্ষা প্ৰতিষ্ঠানবোৰত প্ৰতিবন্ধী লোকসকলৰ বাবে থকা সংৰক্ষণৰ পৰিমাণ তিনিৰ পৰা পাচ শতাংশলৈ বৃদ্ধি কৰা হৈছে।
- ৬ বছৰৰ পৰা ১৮ বছৰ বয়সৰ শিশু-কিশোৰৰ বাবে বিনামূলীয়া শিক্ষাৰ বাবে আইনগত ব্যৱস্থা কৰা হৈছে।
- তেওঁলোকক স্বাধীন কৰি তুলিবলৈ, এই পৰ্যন্ত দুই লাখ প্ৰতিবন্ধী লোকক দক্ষতা উন্নয়ণৰ প্ৰশিক্ষণ প্ৰদান কৰা হৈছে। এই সংখ্যা ২০২২ চনৰ ভিতৰত ২৫ লাখলৈ বৃদ্ধি কৰাৰ লক্ষ্য গ্ৰহণ কৰা হৈছে।
- ভাৰতীয় সাংকেতিক ভাষা গৱেষণা আৰু প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন। ৭০ বছৰত প্ৰথমবাৰৰ বাবে ৬০০০ শব্দৰ এখন অভিধান প্ৰস্তুত কৰি উলিওৱা হৈছে।
- ৰাষ্ট্ৰীয় সুগম্য গ্ৰন্থাগাৰত প্ৰতিবন্ধী লোকসকলক বাতৰি কাকত, আলোচনী আৰু কিতাপ পঢ়াৰ অনুমতি প্ৰদান কৰা হৈছে।

প্ৰতিবন্ধী লোক কোনবোৰ?

দৃশ্য-শ্ৰাব্য, ভাষণ আৰু লোকোমোটিভ বিকলাংগতা, মানসিকভাৱে দুৰ্বলতা, মানসিক অসুস্থতা, একাধিক বিকলাংগতা বা অন্যান্য বিকলাংগতা। ২০১১ চনৰ লোকপিয়ল অনুসৰি ভাৰতত ২.৬৮ কোটি লোক প্ৰতিবন্ধী, যিটো হৈছে দেশৰ মুঠ জনসংখ্যাৰ ২.২১ শতাংশ।

সুগম্য ভাৰত অভিযানৰ বাবে প্ৰয়োজনীয়তা

আনকি, প্ৰতিবন্ধী লোকসকলৰ সমান অধিকাৰ সুনিশ্চিত কৰিব পৰা আইনো আছিল, কিন্তু বাস্তৱিক দিশ আছিল পৃথক। প্ৰতিবন্ধী ব্যক্তিসকলৰ বাবে সাৰ্বভৌমিক সুগমতা লাভ কৰিবৰ বাবে সুগম্য ভাৰত অভিযান আৰম্ভ কৰা হৈছিল। ইয়াত শাৰীৰিক আৰু ভাৰ্চুৱেল ভেটি শক্তিশালী কৰাৰ দিশো সন্নিৱিষ্ট আছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০১৫ চনতে কৈছিল, যেতিয়া আমি এনে লোকসকলৰ সৈতে কথা বতৰা পাতো, তেতিয়া আমি অনুভৱ কৰো যে আমি আমাৰ চকুৰে কেৱল শাৰীৰিক অভাৱখিনিহে দেখিবলৈ পাওঁ, কিন্তু ভগৱানে নিশ্চিতভাৱে তেওঁলোকক কিছু অতিৰিক্ত শক্তি দি পঠিয়ায়। প্ৰায় প্ৰতিটো ক্ষেত্ৰতে প্ৰতিবন্ধী লোকসকলে উৎকৃষ্ট প্ৰদৰ্শন আগবঢ়াই আহিছে আৰু ইয়াৰ দ্বাৰা অভিযানৰ সফলতা অনুমান কৰিব পৰা যায়। ইফালে, চৰকাৰে নিজৰ কাম কৰিয়েই আছে, দিব্যাঙ্গ লোকসকলৰ প্ৰতি তেওঁলোকৰ দৃষ্টিভঙ্গী সলনি কৰাৰ দায়িত্ব সমাজ আৰু জনসাধাৰণৰ ওপৰত ন্যস্ত থাকে।. ■

অধিক তথ্যৰ বাবে চাওঁক **www.accessibileindi. gov. in** আৰু **www.disabilityaffairs.**

স্পৰ্শকাতৰ তথ্য বিনিময়ৰ বাবে BECA

ভাৰত আৰু আমেৰিকাৰ মাজত ২+২ বৈঠকৰ সময়ছোৱাত BECA ৰ হস্তাক্ষৰে চাৰিটাকৈ মুখ্য বুজাবুজি চুক্তিক চূড়ান্ত ৰূপ প্ৰদান কৰিছে, যিটো বিস্তাৰৰ বাবে গুৰুত্বপূৰ্ণ হৈছে কৌশলী সম্পৰ্ক।

ভাৰতৰ নতুন দিল্লীত আৰু আমেৰিকাত অলপতে ২+২ বাৰ্তাৰ সময়ছোৱাত ভু-স্থানীয় সহযোগ (BECA) ৰ বাবে বুনিয়াদী বিনিময় আৰু সহযোগ বুজাবুজিৰ ওপৰত হস্তাক্ষৰ কৰাৰ লগতে দুয়োখন দেশৰ সশস্ত্ৰ বাহিনীক ভূ-স্থানীয় জাননী জাৰি কৰিবৰ বাবে সক্ষম কৰি তুলিবলৈ এক ঐতিহাসিক প্ৰতিৰক্ষা চুক্তি সম্পাদন কৰিছে। পৰিৱৰ্তিত বৈশ্বিক ব্যৱস্থাত ভাৰতৰ বৃদ্ধি পোৱা গ্লোবেল 'ৱাল্লোপ'-এ এনেধৰণৰ চুক্তিক অতি গুৰুত্বপূৰ্ণ কৰি তোলে।

দুয়োখন দেশৰ মাজত দ্বিপাক্ষিক প্ৰতিৰক্ষা সম্বন্ধ বৃদ্ধি কৰাৰ সংকেতেৰে এই ২+২ বৈঠকৰ তৃতীয় সংস্কৰণৰ সময়ছোৱাত ২৭ অক্টোবৰ, ২০২০ তাৰিখে সংশ্লিষ্ট বিষয়ত হস্তাক্ষৰ কৰা হৈছিল। ই বিশ্ব ব্যৱস্থাত এক প্ৰধান পৰিৱৰ্তনৰ সৈতে COVID-১৯ৰ পিছত পৰিৱৰ্তন হোৱা বৈশ্বিক দৃশ্যপটত আৰু অধিক প্ৰাসঙ্গিক হৈ পৰিছে। BECA ই ২০১৬ ত লজিষ্টিক্স এক্সচেঞ্জ মেমোৰেণ্ডাম অৱ এগ্ৰিমেণ্ট (LEMOA) আৰু ২০১৮ চনত সঞ্চাৰ অনুকূলতা আৰু সুৰক্ষা বুজাবুজি COMCASA ত স্বাক্ষৰ কৰা হৈছে। GSOMIA, LEMOA, COMCASA আৰু BECA হৈছে চাৰি মুখ্য বুজাবুজি চুক্তি, যিকেইখন আমেৰিকা যুক্তৰাষ্ট্ৰই ইয়াৰ ঘনিষ্ঠ দেশ বা অংশীদাৰৰ সৈতে স্বাক্ষৰ কৰিছে, এই চুক্তিকেইখনৰ উদ্দেশ্য হৈছে সৈন্যবাহিনীসমূহৰ মাজত আন্তঃকাৰ্যক্ষমতা আৰু উচ্চ প্ৰযুক্তিৰ বিক্ৰী কৰা। ■

২+২ সন্মিলন, BECA কি?

- আমেৰিকাৰ ৰাজ্যিক আৰু প্ৰতিৰক্ষা সচিব আৰু ভাৰতীয় বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী আৰু প্ৰতিৰক্ষা মন্ত্ৰীৰ মাজৰ বাৰ্তালাপেই ২+২ বৈঠক বা সন্মিলন।
- BECA ই ভাৰত আৰু আমেৰিকাক ভু-স্থানিক ডাটা, যেনে বিস্তৃত নক্সা, সামুদ্ৰিক আৰু বৈমানিক চাৰ্ট, তাৰ লগতে দুয়োখন দেশৰ ইমেজেৰী পৰ্যন্ত পাৰস্পৰিক ব্যৱহাৰৰ অনুমতি প্ৰদান কৰিব।
- এইখিনি ডাটাই ভাৰতৰ দীৰ্ঘ দূৰত্বৰ মিছাইলবোৰ বা ড্ৰোণ, আদি ব্যাপক সঠিকতাৰে হাজাৰ হাজাৰ কিলোমিটাৰ দূৰৈত থকা লক্ষ্য ভেদ কৰাৰ ক্ষমতা প্ৰদান কৰিব।

আন তিনিখন চুক্তি

- জেনেৰেল ছিকিউৰিটি অৱ মিলিটাৰী ইনফৰ্মেশ্যন এগ্ৰিমেণ্ট (GSOMIA) স্বাক্ষৰিত হৈছিল 2002 চনত। GSOMIA য়ে মিলিটাৰী খণ্ডত ব্যাপক কাৰিকৰী সহযোগিতাৰ বাবে এক অনবদ্য পথ মুকলি কৰিছে।
- লজিষ্টিক্স এক্সচেঞ্জ মেমোৰাণ্ডাম অৱ এগ্ৰিমেণ্ট (LEMOA) স্বাক্ষৰিত হৈছিল ২০১৬ চনত। এই চুক্তিয়ে দুয়োখন দেশৰ সেনাবাহিনীক মিলিটাৰীৰ সা-সৰঞ্জাম তথা সুবিধাবোৰৰ পাৰস্পৰিক সুবিধা আহৰণ কৰাৰ সুবিধা প্ৰদান কৰে।
- কমিউনিকেশ্যনছ কম্পেটিবিলিটি এণ্ড ছিকিউৰিটি এগ্ৰিমেণ্ট (COMCASA) খন স্বাক্ষৰিত হৈছিল ২০১৮ চনত, ইয়াৰ উদ্দেশ্য আছিল অত্যাধুনিক প্ৰতিৰক্ষা ব্যৱস্থা আহৰণ কৰা, যিয়ে ভাৰতক ইয়াৰ সৈতে পূৰ্বৰে পৰা থকা ইউএছ মূলৰ প্লেটফৰ্মখন ব্যৱহাৰ কৰাৰ সুবিধা প্ৰদান কৰে।

প্ৰতিৰক্ষা আৰু নিৰাপত্তা অংশীদাৰীত্ব

ভাৰতৰ প্ৰতিৰক্ষা আৰু বিদেশ মন্ত্ৰীসকলে আৰু আমেৰিকাৰ সচিবে ভাৰত আৰু আমেৰিকাৰ মাজত ব্যাপক, নমনীয় আৰু বহুমুখী প্ৰধান প্ৰতিৰক্ষা অংশীদাৰীত্ব **(MDP)** ৰ প্ৰসংশা কৰি সামুদ্ৰিক জাননীবোৰ আদান প্ৰদান আৰু সামুদ্ৰিক ডোমেইনৰ সজাগতাক স্বাগতম জনাইছে। দুয়োখন দেশে সংযুক্ত সেৱা আৰু সেৱাৰ পৰা সেৱালৈ স্তৰত থকা পূৰ্বৰে পৰা থকা প্ৰতিৰক্ষা সূচনাৰ ভিত্তিত নিৰ্মাণ কৰিব।

সকলোৰে বাবে সুলভ মূল্যৰ ঔষধ

কেন্সাৰৰ ঔষধ 'গেমচিটাবাইন'ৰ বজাৰত মূল্য হল ৬,৪১২ টকা। কিন্তু 'প্ৰধানমন্ত্ৰী জনৌষধি কেন্দ্ৰ'ত এই একেবিধ ঔষধৰ দাম মাত্ৰ ৬৩১ টকা। দেশৰ বিভিন্ন প্ৰান্তত থকা ৬,৬৩৪টা 'জনৌষধি কেন্দ্ৰ'ত বিভিন্ন তেনেই সুলভ মূল্যত 'ব্ৰেণ্ডেড' ঔষধৰ উপৰি 'জেনেৰিক' ঔষধ উপলব্ধ হয়।

"জীৱনৰ সাফল্য আৰু সমৃদ্ধিৰ আধাৰ হ'ল স্বাস্থ্য, সেয়া লাগিলে কোনো ব্যক্তিৰ সাফল্যই হওক কিম্বা পৰিয়াল কিম্বা সমাজ নতুবা সামগ্ৰিক ভাবে ৰাষ্ট্ৰৰ প্ৰগতিয়েই হওক, ইয়াৰ বুনিয়াদো এই স্বাস্থ্যৰ ওপৰতে নিৰ্ভৰ কৰে"। ২০১৪ চনত বিশ্ব বেংকে প্ৰকাশ কৰা এক প্ৰতিবেদনৰ আঁত ধৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে কৰা এই মন্তব্য নিতান্তই গুৰুত্বপূৰ্ণ"।

'বিশ্ব বেংক'ৰ এক সমীক্ষাৰ তথ্য মতে, বিভিন্ন ধৰণৰ গুৰতৰ ৰোগত আক্ৰান্ত হৈ কৰাবলগীয়া হোৱা চিকিৎসা ব্যয়ৰ পৰিণতিতে বিগত সময়ছোৱাত দেশৰ ৬.৩ নিযুত লোক প্ৰতিবছৰে দৰিদ্ৰ সীমাৰেখাৰ তললৈ অৱনমিত হ'বলগীয়া হৈছিল। ব্যয় বহুল ঔষধৰ বোজা লোৱাৰ পৰা সাধাৰণ লোকসকলক সকাহ দিয়াৰ উদ্দেশ্যেই প্ৰধানমন্ত্ৰী মোডীয়ে ২০১৫ চনৰ ১ জুলাইত 'প্ৰধানমন্ত্ৰী ভাৰতীয় জনৌষধি প্ৰকল্প' (পিএমবিজেপি)ৰ শুভাৰম্ভ ঘোষণা কৰিছিল আৰু এই উদ্দেশ্যত উপনীত হ'ব পৰাকৈ ২০১৫ চনৰ ২৩ ছেপ্টেম্বৰ তাৰিখে 'আয়ুষ্মান ভাৰত যোজনা'ৰ শুভাৰম্ভ কৰা হৈছিল। আজিৰ তাৰিখত সমগ্ৰ দেশতে সিঁচৰতি হৈ থকা ৬,৬৩৪টা কেন্দ্ৰৰ জৰিয়তে দেশবাসীক সুলভ মূল্যত ঔষধৰ যোগান ধৰি অহা হৈছে। আজিৰ তাৰিখত এই কেন্দ্ৰসমূহৰ পৰা যিকোনো ব্যক্তিয়ে ১২৫০ বিধ ঔষধ আৰু ২০৪ বিধ অস্ত্ৰোপচাৰৰ বাবে প্ৰয়োজনীয় উপকৰণ তেনেই সুলভ মূল্যত বজাৰৰ নিয়মীয়া দৰতকৈ ৫০ৰ পৰা ৯০% কম দৰত ক্ৰয় কৰিব পাৰে।

'স্বাস্থ্যৰ পৰা সমৃদ্ধি'ৰ নীতিৰ আধাৰত চৰকাৰে এই পদক্ষেপ গ্ৰহণ কৰিছে। প্ৰধানমন্ত্ৰীয়ে সকলোৰে বহণ কৰিব পৰা সুলভ মূল্যত চিকিৎসা সেৱা উপলব্ধ হোৱাৰ কথাটোত সদায়ে গুৰুত্ব আৰোপ কৰি আহিছে। সেয়ে, সমগ্ৰ দেশতে জনৌষধি কেন্দ্ৰ স্থাপনৰ বাবে সৰ্ব ভাৰতীয় পৰ্যায়ত সজোৰে জনমত গঠন হ'বলৈ

‘পিএমবিজেপি’ কেন্দ্ৰ আৱণ্টনৰ বাবে প্ৰয়োজনীয় অৰ্হতা

যিকোনো নিবনুৱা ফাৰ্মাচিষ্ট, ডাক্তৰ, পঞ্জীয়ণভুক্ত চিকিৎসক, ন্যাস, এনজিঅ’, ব্যক্তিগত চিকিৎসালয়, সমিতি, আত্ম সহায়ক গোট অথবা ৰাজ্যই স্বীকৃতি প্ৰদান কৰা সংস্থা আদিয়ে এনে কেন্দ্ৰৰ আৱণ্টন লাভৰ অৰ্হতা অৰ্জন কৰে। এনে কেন্দ্ৰ মুকলি কৰাৰ বাবে সংশ্লিষ্টসকলে নিৰ্দিষ্ট কেন্দ্ৰৰ নামত ঔষধ বিক্ৰীৰ অনুজ্ঞা পত্ৰ লাভ কৰিব লাগিব। দোকানৰ আকাৰ ১২০ বৰ্গ ফুট হ’ব লাগিব। ২০২৪ চনৰ মাৰ্চ মাহৰ ভিতৰত চৰকাৰে দেশত ১০,০০০টা কেন্দ্ৰ মুকলিৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰিছে। অনলাইন পঞ্জীয়ণৰ বাবে সংশ্লিষ্টসকলে http://janaushadhi.gov.in/online_registration.aspx ত সংযোগ স্থাপন কৰিব পাৰে।

“প্ৰতি দিনে দেশৰ ২.৫ৰ পৰা ৩ লাখ লোকে এই কেন্দ্ৰসমূহত ঔষধৰ সন্ধান কৰে। প্ৰতিটো ‘জনৌষধি কেন্দ্ৰ’ত অন্ততঃ ৪গৰাকী লোকে কাৰ্যনিৰ্বাহ কৰে আৰু ইয়াৰ জৰিয়তে দেশৰ ২৫-৩০ হাজাৰ লোকে কৰ্ম সংস্থাপন লাভ কৰিবলৈ সক্ষম হৈছে। আমি যদি তেওঁলোকৰ পৰিয়ালসমূহৰো হিচাপ দাঙি ধৰো তেন্তে ইয়াৰ সৈতে জড়িত আৰু ইয়াৰ দ্বাৰা উপকৃত হোৱা লোকৰ সংখ্যা প্ৰায় ১.২৫ লাখ মান হ’বগৈ”।”

মনসুখ লাল মাণ্ডৱীয়া,
কেন্দ্ৰীয় ৰসায়ণ আৰু সাৰ বিভাগৰ ৰাজ্য মন্ত্ৰী

হিতাধিকাৰীসকলে ৭ মাৰ্চ, ২০২০ত প্ৰধানমন্ত্ৰীৰে বাৰ্তালাপত মিলিত হৈছিল

হিতাধিকাৰী ১ : অশোক কুমাৰ বেতেলা, গুৱাহাটী, অসম

মধুমেহ, ৰক্তচাপ আৰু হৃদৰোগত আক্ৰান্ত মই এগৰাকী ৬০ বছৰ বয়সীয়া ব্যক্তি। পাঁচ বছৰৰ আগতে মই এটা অস্ত্ৰোপচাৰ কৰিবলগীয়া হৈছিল আৰু তেতিয়াৰে পৰা মই নিয়মীয়াকৈ ঔষধ সেৱন কৰি আছো। বিগত ১০টা মাহত মই ‘জনৌষধি কেন্দ্ৰ’ৰ পৰা নিয়মীয়াকৈ ঔষধ কিনি আহিছো। ‘জনৌষধি কেন্দ্ৰ’ৰ পৰা ঔষধ কিনাৰে পৰা এই পৰ্যন্ত মই প্ৰতি মাহে ২,৫০০ টকা ৰাহি কৰিব পাৰিছো। ৰাহি কৰা ধনখিনি মই মোৰ নাতিনীৰ ‘সুকন্যা সমৃদ্ধি’ একাউণ্টত জমা কৰি আহিছো।

‘পিএমবিজেপি’ কেন্দ্ৰৰ সংখ্যা বৃদ্ধি হৈছে



হিতাধিকাৰী ২ : দীপা শ্বাহ, ডেৰাডুন, উত্তৰাখণ্ড

২০১১ চনৰ পৰা পক্ষাঘাতত আক্ৰান্ত মই এগৰাকী ৬৫ বছৰীয়া ব্যক্তি। তেতিয়াৰে পৰা মই ঔষধ গ্ৰহণ কৰি আহিছো। ২০১৫ চনৰ পৰা মই মোৰ ঔষধ ‘জনৌষধি কেন্দ্ৰ’ৰ পৰা কিনিবলৈ লও। মোৰ স্বামীও এগৰাকী দিব্যাংগ ব্যক্তি...ছাৰ, আগৰ তুলনাত এতিয়া আমাৰ মাহেকীয়া খৰছ ৩০০০ টকা মান কম হয়। মই ন-দি ক’ব পাৰো যে এইবোৰ ঔষধ কেৱল সুলভেই নহয়, উন্নত মানৰো।

ধৰে। চৰকাৰে ২০০৮ চনৰ ‘জনৌষধি আঁচনি’খন পুনৰ সংস্কাৰ কৰি ২০১৫ চনত ‘প্ৰধানমন্ত্ৰী ভাৰতীয় জনৌষধি পৰিযোজনা’ শিৰোনামৰে ন-কৈ ৰূপায়ণৰ দিহা কৰে। ই সমগ্ৰ দেশতে আঁচনিখনৰ মসৃণ ৰূপায়ণ সুনিশ্চিত কৰিব পৰাকৈ ‘ব্যুৰো অব ফাৰ্মা পিএছইউ অব ইণ্ডিয়া’(বিপিপিআই)ক ‘ন’ডেল এজেন্সী’ হিচাপে স্বীকৃতি দিয়ে। ইফালে, জন সচেতনতা সৃষ্টিৰ লক্ষ্যৰে প্ৰতিবছৰে মাৰ্চ মাহৰ ৭ তাৰিখটো ‘জনৌষধি দিৱস’ হিচাপে উদযাপন কৰাৰো ই ব্যৱস্থা কৰে।

২০১৪ চনৰ আগতে দেশত মাত্ৰ ৯৯টা কেন্দ্ৰইহে সেৱা আগবঢ়াইছিল আৰু ৭ কোটি টকাৰ ঔষধ বিক্ৰী কৰিবলৈ সক্ষম হোৱা তথ্যই শেহতীয়া ভাবে যে আঁচনিখনে যে বিপুল সাফল্য লাভ কৰিবলৈ সক্ষম হৈছে, সেই কথা স্পষ্ট কৰিছে। আজিৰ তাৰিখত দেশৰ ৭৩২খন জিলাত ৬,৬৩৪টা কেন্দ্ৰ মুকলি কৰা হৈছে। মধুমেহ, কাৰ্ডিঅ’ভাছ্কুলাৰ ৰোগ, কেন্সাৰ আৰু পিত্তজনিত ৰোগকে ধৰি সকলোধৰণৰ ৰোগৰ সকলো ধৰণৰ ঔষধ এইবোৰ কেন্দ্ৰত সুলভ মূল্যত বিক্ৰী কৰা হয়।

প্ৰতি পেডত এটকা দৰত 'অক্সো বায়'ডিগ্ৰেডেবল ছেনিটেৰী পেড'

'জনৌষধি কেন্দ্ৰ'সমূহত পৰিৱেশ-অনুকূল জনৌষধি সুবিধা 'অক্সো বায়'ডিগ্ৰেডেবল ছেনিটেৰী পেড' উপলব্ধ হয়। ২০১৮ চনৰ ৪ জুনত আৰম্ভ হোৱা এই বিধ 'পেড'ৰ বিক্ৰী পৰিমাণে ২০২০ চনৰ ৩০ ছেপ্টেম্বৰ পৰ্যন্ত ৭ কোটিৰ সীমা অতিক্ৰম কৰিছে। আনবোৰ 'পেড'ৰ প্ৰতিখনৰ দাম ৩ৰ পৰা ৫ টকা হোৱাৰ বিপৰীতে এইবিধ 'পেড'ৰ প্ৰতিখন 'পেড' এটকা দৰত বিক্ৰী কৰা হয়।

বিশ্ব মানৰ ঔষধ

জনৌষধি আঁচনিৰ হিতাধিকাৰীসকলৰে হোৱা বাৰ্তালাপত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে কৈছিল, "এই সমূহ ঔষধ বিশ্ব মানৰ বুলি মই আপোনাসৱক স্পষ্ট কৰি দিব বিচাৰিছো"। উত্তম পৰীক্ষাগাৰত মান সম্পৰ্কীয় সকলো ধৰণৰ পৰীক্ষা সম্পন্ন কৰাৰ পিচত প্ৰদান কৰা প্ৰমাণ পত্ৰৰ আধাৰতহে ঔষধ প্ৰতিষ্ঠানসমূহে এইসমূহ ঔষধৰ যোগান ধৰে। যদি ঔষধ উৎপাদক কোম্পানীৰ বিৰুদ্ধে কোনো অভিযোগ উত্থাপন হয়, তেন্তে যথা যোগ্য প্ৰাধিকাৰীয়ে বিচাৰ কৰি শাস্তি সুনিশ্চিত কৰিব। অৱশ্যে, ভাৰত চৰকাৰে এইসমূহ ঔষধ ব্যয়-প্ৰভাৱীকৈ তৈয়াৰ কৰাত গুৰুত্ব আৰোপ কৰি আহিছে। এতিয়া এইসমূহ ঔষধৰ পৃথিৱী জুৰি চাহিদা বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। এতিয়া, বিশেষ পৰিস্থিতিৰ বাহিৰে আন সকলো ৰোগৰ ক্ষেত্ৰত পঞ্জীয়ণভুক্ত সকলো চিকিৎসকক 'জেনেৰিক" ঔষধৰ পৰামৰ্শ দিয়াটো বাধ্যতামূলক কৰিছে চৰকাৰে।

সমগ্ৰ দেশতে নতুন কেন্দ্ৰ মুকলি কৰা সিদ্ধান্তই যুৱ-প্ৰজন্মৰ বাবে স্ব-নিয়োজনৰ সুযোগ সৃষ্টি কৰিব। এই প্ৰকল্পৰ অধীনত ১১,০০০ৰো অধিক লোকক প্ৰত্যক্ষ ভাবে নিয়োজিত কৰাৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰা হৈছে। কেন্দ্ৰীয় ৰসায়ণ আৰু সাৰ বিভাগৰ মন্ত্ৰী ডি ভি সদানন্দ গৌড়াই নৱেম্বৰ, ২০২০ৰ প্ৰথমটো সপ্তাহত 'পিএমবিজেপি'ৰ অগ্ৰগতি সন্দৰ্ভত কৰা পৰ্যালোচনাৰ আধাৰত চৰকাৰে 'ব্যুৰো অব ফাৰ্মা পিএছইউ অব ইণ্ডিয়া'(বিপিপিআই)ৰ প্ৰভাৱ বৰ্দ্ধন, ঔষধৰ মান আৰু গ্ৰাম্যাঞ্চলত প্ৰৱেশৰ বাবে এক কৰ্ম পৰিকল্পনা যুগুতাই উলিয়াইছে। এই সন্দৰ্ভত প্ৰস্তুতি চলোৱাৰ বাবে ইতিমধ্যে নিৰ্দেশনা জাৰি কৰা হৈছে।

সমীপৱৰ্তি কেন্দ্ৰ আৰু মজুত থকা ঔষধৰ তথ্য দিব পৰা এপ্

এনেয়ে সাৰ্বজনীন সূচকসমূহৰ আধাৰত গ্ৰাহকসকলে দেশত বিয়পি থকা 'জনৌষধি কেন্দ্ৰ'সমূহ বিচাৰি উলিয়াব পাৰিছিল যদিও 'জনৌষধি সুগম এপ্' মুকলি কৰাৰে পৰা ইয়াৰ তথ্য লাভ কৰাতো তেনেই সহজ হৈ পৰে। এতিয়া 'গুগল মেপ'ৰ জৰিয়তে যিকোনো ব্যক্তিয়েই সমীপৱৰ্তি কেন্দ্ৰৰ তথ্য লাভ কৰিব পৰাটো তেনেই সহজ হৈ পৰিল।

'পিএমবিজেপি' কেন্দ্ৰই ৰাহি কৰিছে ২,২০০ কোটি টকা

চৰকাৰী সমীক্ষাৰ তথ্য মতে, ৰোগাক্ৰান্তৰ পৰিয়ালসমূহে চিকিৎসাৰ বাবদ হোৱা ব্যয়ৰ পৰা এই পৰ্যন্ত প্ৰায় ২,২০০ কোটি পৰিমাণৰ ধন ৰাহি কৰিবলৈ সক্ষম হৈছে। ২০২০ চনৰ মাৰ্চ মাহ পৰ্যন্ত দেশৰ ৭০০খন জিলাত প্ৰায় ৬,২০০টা কেন্দ্ৰ মুকলি কৰা হৈছিল। এই কেন্দ্ৰসমূহৰ জৰিয়তে ২০১৯-২০ বিত্তীয় বৰ্ষত ৪৩৩ কোটি টকাৰ ঔষধ বিক্ৰী কৰা হৈছিল।

কেন্দ্ৰীয় চৰকাৰৰ লক্ষ্য

২০২৪ চনৰ ৩১ মাৰ্চৰ ভিতৰত দেশত ২০০০বিধ ঔষধ আৰু প্ৰায় ৩০০বিধ অস্ত্ৰোপচাৰৰ বাবে প্ৰয়োজনীয় উপকৰণ উপলব্ধ হোৱা ১০,০০০টা 'জনৌষধি কেন্দ্ৰ' মুকলি কৰাৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰিছে কেন্দ্ৰীয় চৰকাৰে। কেন্দ্ৰসমূহে চলিত বিত্তীয় বৰ্ষৰ ৩১ অক্টোবৰ, ২০২০ পৰ্যন্ত ৩৫৮ কোটি টকাৰ ঔষধ বিক্ৰী কৰিছে আৰু বছৰটোৰ শেহলৈ যোৱাটো বিত্তীয় বৰ্ষত কৰা ৪৩৩ কোটি টকাৰ ব্যৱসায়ৰ পৰিমাণ অতিক্ৰমী ৬০০কোটি টকাৰ ঔষধ বিক্ৰী কৰিব বুলি আশা কৰা হৈছে। ■

সক্ৰিয় ৰোগীৰ সংখ্যা হ্ৰাস কৰাৰ বাবে ধাৰাবাহিক প্ৰয়াস

ভাৰতত ক'ভিড-১৯ৰ সক্ৰিয় ৰোগীৰ সংখ্যা ৪.৫ লাখৰ তললৈ অৱনমিত কৰাৰ ক্ষেত্ৰত 'মেৰা আপকা সুৰক্ষা কৱচ'(মাস্ক)য়ে সহায় আগবঢ়ায়।

'সামাজিক ব্যৱধান বিধি' মানি চলাৰ লগতে সঘনাই চাবোনৰে হাত ধোৱাকে ধৰি অন্যান্য সুৰক্ষা বিধি পালনৰ উপৰি বিভিন্ন উপলক্ষত প্ৰধানমন্ত্ৰীয়ে দিয়া 'মেৰা আপকা সুৰক্ষা কৱচ'(মাস্ক)ৰ মন্ত্ৰ সাৰোগত কৰি বিগত সময়ছোৱাত ভাৰতে ক'ভিড-১৯ বিৰোধী যুঁজখনত সাফল্যৰ বহুতো মাইল খুঁটি অতিক্ৰম কৰিবলৈ সক্ষম হৈছে। ইয়াৰ পৰিণতিত শেহতীয়া ভাবে সক্ৰিয় ৰোগীৰ সংখ্যা ৪.৫ লাখৰ তললৈ অৱনমিত হৈছে। আজিৰ তাৰিখত দেশত সক্ৰিয় ৰোগীৰ শতাংশ হাৰ মুঠ আক্ৰান্তৰ ৫.১১ শতাংশ বুলি নিশ্চিত কৰা হৈছে।

ইয়ে দেশত সক্ৰিয় ৰোগীৰ সংখ্যা অৱনমিত হোৱাৰ ধাৰাটো অব্যাহত থকাৰ ইংগিত বহণ কৰে। পৃথিৱীৰ বিভিন্ন প্ৰান্তৰ বহু সংখ্যক দেশত পুনৰ সংক্ৰমণৰ বাতৰি অহাৰ মুহূৰ্তত এই কথাই বিশেষ গুৰুত্ব বহণ কৰিছে। এই মুহূৰ্তত দেশত আৰোগ্য লাভৰ হাৰ ৯৩.৫২%লৈ বৃদ্ধি পাইছে।

ক'ৰোনা-ৰ সময়ত আয়ুৰ্বেদ

যোৱা ১৩ নৱেম্বৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে জামনগৰত নিৰ্মাণ কৰা 'ইনষ্টিটিউট অব টীশ্বিং এণ্ড ৰিছাৰ্চ ইন আয়ুৰ্বেদ'(আইটিআৰএ) আৰু জয়পুৰত স্থাপন কৰা 'নেশ্যনেল ইনষ্টিটিউট অব আয়ুৰ্বেদ'(এনআইএ)ৰ দৰে ভৱিষ্যতৰ বাবে সপ্তম আয়ুৰ্বেদিক প্ৰতিষ্ঠান দুটা ৰাষ্ট্ৰৰ নামত উৎসৰ্গা কৰে। ছেপ্টেম্বৰ মাহত আয়ুৰ্বেদিক সামগ্ৰীৰ ৰপ্তানি ৪৫% বৃদ্ধি পায়। ■

যেতিয়ালৈকে ঔষধ নোলাই, তেতিয়ালৈকে শিথিলতা নহ'ব



৯৩.৫২%
আৰোগ্যৰ হাৰ

দুই গজৰ ব্যৱধান

১.৪৭%
মৃত্যুৰ হাৰ
১৮ নৱেম্বৰ, ২০২০ৰ তথ্য অনুসৰি

এই পৰ্যন্ত মুঠ পৰীক্ষণ
১২,৬৫,৪২,৯০৭
পৰীক্ষাগাৰ-চৰকাৰী-১১৫৭| ব্যক্তিগত-৯৫৬

আৰোগ্য লাভ কৰা ৰোগীৰ সংখ্য - ৮৩,৩৫,১০৯

সক্ৰিয় ৰোগী	মুঠ ৰোগী
৪,৪৬,৮০৫	৮৯,১২,৭০৪

ক'ভিড-১৯ৰ পৰীক্ষাৰ বাবে এটা নতুন যন্ত্ৰ

আইআইটি(খড়গপুৰ)য়ে বিকশিত কৰা 'কভিৰাপ' নামৰ এটা নিম্ন ব্যয় সাপেক্ষ অলৈ-তলৈ লৈ যাব পৰা এটা যন্ত্ৰৰে ক'ৰোনাভাইৰাছ-ৰ সংক্ৰমণ পৰীক্ষা কৰাৰ বাবে অনুমোদন জনাইছে 'ভাৰতীয় চিকিৎসা গৱেষণা পৰিষদ'(আইচিএমআৰ)য়ে। যন্ত্ৰটোৰ দাম ৫,০০০ টকাতকৈয়ে কম হোৱাৰ বিপৰীতে প্ৰতিটো পৰীক্ষণ কীটৰ মূল্য প্ৰায় ৫০০টকা । এটা স্বীকৃতি প্ৰাপ্ত পৰীক্ষাগাৰত কঠোৰ বিধি-নিয়ম মানি চলি কৰা ধাৰাবাহিক পৰীক্ষণৰ অন্তত 'আইচিএমআৰ'-য়ে 'কভিৰাপ কভিড-১৯ ডায়গনষ্টিক পৰীক্ষণ কীট'লৈ প্ৰত্যায়িতকৰণ প্ৰমাণ পত্ৰ প্ৰদান কৰে। ই সুলভ মূল্যৰ, সহজে ব্যৱহাৰ কৰিব পৰা আৰু 'কাষ্টম-বিকশিত' মোবাইল ফোনৰ 'এপ্'-ৰ জৰিয়তে এঘণ্টাৰ ভিতৰতে ফলাফল দিব পৰা এবিধ যন্ত্ৰ।

স্থল-জল-বায়ুৰ সুৰক্ষা

শক্তিশালী সশস্ত্ৰ সেনাবাহিনী সুৰক্ষিত ৰাষ্ট্ৰ

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰখনে 'ৰাষ্ট্ৰ সৰ্বোপৰি' দৰ্শনৰে দীক্ষিত হৈ শেহতীয়া ছটা বছৰত এক শক্তিশালী আন্তঃগাঁথনি বিকশিত কৰি সাতখন দেশৰ সৈতে অংশীদাৰিত্ব কৰা ১৫,০০০ কিলোমিটাৰ দৈৰ্ঘ্যৰ স্থল সীমা আৰু ৭,৫০০ কিলোমিটাৰ দৈৰ্ঘ্যৰ উপকূলীয় সীমা সুৰক্ষিত ৰখাৰ লগতে কলাসন্মত পৰ্যায়ৰ যুজাৰু বিমান, বিধ্বংসী ক্ষেপণাস্ত্ৰ তথা অন্যান্য শেহতীয়া সংস্কৰণৰ সমৰাস্ত্ৰৰ সংযোজনৰে সেনাবাহিনীৰ তিনিওটা শাখাকে শক্তিশালী কৰি তোলাৰ বাবে নিৰবিচ্ছিন্নভাৱে প্ৰয়াস কৰি আহিছে।

সমগ্ৰ বিশ্বতে অদম্য সাহসৰ বাবে জনাজাত ভাৰতীয় সেনাবাহিনীয়ে বিগত কেইটামান বৰ্ষত শক্তিশালী খোপনি পুতিবলৈ সক্ষম হৈছে। লাডাখৰ গালৱান উপত্যকাত লাইন অব্ একচুৱেল কণ্ট্ৰ'ল (এলএচি)ত পৰিভ্ৰমণেই হওক অথবা অন্য সীমান্তত শত্ৰুসেনাৰ ওপৰত নজৰেই হওক অথবা পাকিস্তানৰ ভিতৰত বায়ু আৰু ছাৰ্জিকেল ষ্ট্ৰাইকেই হওক, ভাৰতীয় সেনাই সকলোকে সাহসিক প্ৰত্যুত্তৰ দিবলৈ সক্ষম হৈছে। ৪ ডিচেম্বৰত সমগ্ৰ ৰাষ্ট্ৰই নৌসেনা দিৱস আৰু ৭ ডিচেম্বৰত সশস্ত্ৰ বাহিনী ফ্লেগ দিৱস পালন কৰাৰ মুহূৰ্তত তেওঁলোকে ভৱিষ্যতে সন্মুখীন হ'বলগীয়া প্ৰত্যাহ্বানসমূহ, তেওঁলোকৰ প্ৰস্তুতি আৰু তেওঁলোকৰ প্ৰতি চৰকাৰে প্ৰদান কৰা প্ৰতিশ্ৰুতিসমূহৰ মূল্যাংকন কৰা উচিত।

সেনাবাহিনীয়ে ১৯৬২ চনত হোৱা ঘটনাৰ প্ৰাসংগিকতা সময়ে সময়ে প্ৰদৰ্শিত কৰি আহিছে আৰু শান্তিৰ প্ৰতি থকা তেওঁলোকৰ দায়ৱদ্ধতা দুৰ্বলতা যে নহয় এয়া প্ৰমাণ কৰিছে। ৩ জুলাই ২০২০ তাৰিখে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছিল যে বিশ্বই বিকাশৰ দিশে আগবাঢ়িছে আৰু দখলবাদৰ নীতি সমাপ্ত হৈছে। সাহসী সেনাসকলক প্ৰশংসা কৰি তেওঁ কৈছিল, "আপোনালোক সেই একে ভূমিৰে নায়ক য'ত হাজাৰ বৰ্ষ পূৰ্বে বিভিন্ন আক্ৰমণকাৰীয়ে আক্ৰমণ কৰিছিল আৰু পৰাস্ত হৈছিল। এয়াই আমাৰ পৰিচয়। আমি সেই ভূমিৰ লোক য'ত ভগৱান কৃষ্ণই বাঁহী বজায়। আমি সেই ভূমিৰো লোক য'ত কৃষ্ণই প্ৰয়োজনত সুদৰ্শন চক্ৰও ধাৰণ কৰে।"

ভাৰতৰ সুৰক্ষা ব্যৱস্থা বিগত ছবছৰত যিদৰে

পৰিৱৰ্তিত হৈছে সেয়া সহজ নাছিল। তাৰোপৰি ভাৰতীয় সেনাবাহিনীক ঐক্যতাৰ সৈতে ফাইটিং মেচিন হিচাপে প্ৰতীয়মান কৰা হৈছে। প্ৰতিৰক্ষা বাহিনীৰ মনোবল উচ্চ। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত সেনাবাহিনীয়ে উপযুক্ত কৌশল নিৰ্ধাৰণ কৰাৰ সন্মতি পোৱাই নহয় বৰঞ্চ তেওঁলোকে লক্ষ্য প্ৰাপ্তিৰ বাবে স্থান আৰু সময়ো নিৰ্ধাৰণ কৰাৰ সন্মতি লাভ কৰিছে।

অত্যাধুনিক প্ৰযুক্তিৰ সৈতে প্ৰতিৰক্ষা সামগ্ৰীৰ আহৰণত গুৰুত্ব দিয়া হৈছে। তাৰোপৰি প্ৰতিৰক্ষা আন্তঃগাঁথনিৰ প্ৰকল্পও ৰূপায়ণ কৰা হৈছে। ফাইটাৰ জেটৰ পৰা আৰম্ভ কৰি যুদ্ধ জাহাজ নিৰ্মাণক অগ্ৰাধিকাৰ প্ৰদান কৰা হৈছে।

১০১ টা প্ৰধান প্ৰতিৰক্ষা সামগ্ৰীৰ আমদানিৰ বিষয়ে চৰকাৰে ঘোষণা কৰাৰ লগতে থলুৱাভাৱে নিৰ্মিত সামগ্ৰীৰ পৰিমাণো বৃদ্ধি কৰা হৈছে। বন্দুকৰ পৰা মিছাইললৈ, বিভিন্ন সামগ্ৰীৰ আমদানিৰ প্ৰক্ৰিয়া প্ৰণয়ন কৰা হৈছে।

সংবদ্ধ যুদ্ধ-কোঠালিৰ পৰিৱৰ্তনৰ সৈতে নতুন যুদ্ধ থিয়েটাৰ আৰু মতবাদক নতুন যুগৰ প্ৰযুক্তিগত উদ্ভাৱনসমূহৰ সৈতে অগ্ৰাধিকাৰ প্ৰদান কৰা হৈছে। বিপদজনক উদ্দেশ্যৰ ওচৰ চুবুৰীয়া দেশসমূহে ক্ৰমাগতভাৱে সন্ত্ৰাসবাদমূলক কাৰ্যত ব্যস্ত হোৱাৰ সময়ত ভাৰতৰ কৌশলগত প্ৰণালীসমূহ উপযুক্ত প্ৰত্যুত্তৰ হিচাপে বিবেচিত হৈছে।

ওচৰ চুবুৰীয়া দেশৰ দখলদাৰী কাৰ্য আমাৰ সেনাবাহিনীয়ে প্ৰতিহত কৰিছে। সশস্ত্ৰবাহিনীলৈ সম্পূৰ্ণ সমৰ্থন আগবঢ়াইছে ৰাজনৈতিক নেতাসকলে। প্ৰধানমন্ত্ৰী আৰু প্ৰতিৰক্ষা মন্ত্ৰীয়ে লাডাখৰ বিভিন্ন স্থান পৰিদৰ্শন কৰাৰ জৰিয়তে সেনাবাহিনীৰ মনোবল বৃদ্ধি পোৱাই নহয় বৰঞ্চ এক শক্তিশালী বাৰ্তাও প্ৰতিফলিত হৈছে। জম্মু আৰু কাশ্মীৰ, পূব লাডাখৰ পৰা উত্তৰ পূব ৰাজ্যসমূহত শত্ৰুৰ প্ৰতি সম্পূৰ্ণ শূন্য সহনশীলতা প্ৰদৰ্শন কৰা হৈছে যাতে তেওঁলোকে ভাৰতৰ প্ৰতি বেয়া চকু দিবলৈ সাহস নকৰে। ■

২০১৪ চনৰ পিছৰে পৰা 'প্ৰতিটো কাম দেশৰ নামত' মনোভাৱেৰে প্ৰতিৰক্ষাবাহিনীৰ আধুনিকীকৰণ কৰা হৈছে

- প্ৰতিৰক্ষাবাহিনীৰ তিনিওটা বিভাগত সুসমন্বয় স্থাপনৰ বাবে চৰকাৰে দীৰ্ঘ দিন ধৰি ওলমি থকা চীফ অব্ ডীফেন্স ষ্টাফ (চিডিএছ) পদৰ কাৰ্যকৰীকৰণ সম্পূৰ্ণ কৰে। দেশৰ প্ৰথমজন চিডিএছ হিচাপে জেনেৰেল বিপিন ৰাৱাটক নিযুক্তি দিয়া হয়। এয়া হ'ল চাৰি তাৰকাযুক্ত পদ।
- চৰকাৰে কৰ্মৰত তথা অৱসৰপ্ৰাপ্ত সেনাসকলৰ সন্মানাৰ্থে ২৫ ফেব্ৰুৱাৰী, ২০১৯ তাৰিখে দেশবাসীলৈ ৰাষ্ট্ৰীয় যুদ্ধ স্মাৰক উৎসৰ্গা কৰে। এই স্মাৰক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে স্মাৰকটোৰ ১৬খন দেৱালত খোদিত ২৬,০০০ গৰাকী সেনাৰ নামত মুকলি কৰে।
- প্ৰতিৰক্ষাবাহিনীৰ তিনিওটা বিভাগত মহিলাকো সেনা হিচাপে নিযুক্তি দিয়া হৈছে
- মহাকাশৰ যিকোনো উপগ্ৰহ ভূপতিত কৰিব পৰা সামৰ্থ দেশে আহৰণ কৰিছে

‘মেক ইন ইণ্ডিয়া’ৰ প্ৰসাৰণৰ বাবে প্ৰতিৰক্ষা উৎপাদন

ধনুশ হ’ল ভাৰতৰ প্ৰথমটো থলুৱাভাৱে নিৰ্মিত গোলা

- প্ৰথমবাৰলৈ ভাৰতত উৎকৃষ্ট অস্ত্ৰ আৰু প্ৰয়োজনীয় বুলেট প্ৰুফ জেকেট নিৰ্মাণ কৰা হৈছে
- প্ৰতিৰক্ষাবাহিনীৰ প্ৰতিটো উইং শক্তিশালী কৰি তোলাৰ বাবে প্ৰতিৰক্ষা ক্ষেত্ৰত ১০০ শতাংশ এফডিআইৰ অনুমতি প্ৰদান কৰা হৈছে
- থলুৱা উৎপাদনকাৰীসকলক উৎসাহ প্ৰদানৰ অৰ্থে আৰু প্ৰতিৰক্ষা নিৰ্মাণত আত্মনিৰ্ভৰ ভাৰতক প্ৰসাৰিত কৰাৰ উদ্দেশ্যত ৫২,০০০ কোটি টকাৰ পৃথক মূলধনী বাজেটৰ অনুমোদন প্ৰদান কৰা হৈছে
- ২০১৮ চনৰ ফেব্ৰুৱাৰী মাহত ঘোষণা কৰা প্ৰতিৰক্ষা কৰিডৰ নিৰ্মাণৰ ঘোষণাই প্ৰতিৰক্ষা উৎপাদন বৃদ্ধি কৰিছে। এই দুটা কৰিডৰ উত্তৰ প্ৰদেশ আৰু তামিলনাড়ুত স্থাপন কৰা হৈছে। ২০২৫ চনৰ ভিতৰত ৫ বিলিয়ন ডলাৰ (প্ৰায় ৩৫,০০০ কোটি টকা)ৰ সামগ্ৰী ৰপ্তানি কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে
- ঔদ্যোগিক অনুজ্ঞাপত্ৰৰ বাবে প্ৰতিৰক্ষা সামগ্ৰীৰ তালিকাৰ জাননী জাৰি কৰা হৈছে। ডিআৰডিঅ’ আৰু প্ৰতিৰক্ষা উৎপাদন বিভাগৰ জৰিয়তে ব্যক্তিগতখণ্ডৰ উদ্যোগ আৰু ষ্টাৰ্ট-আপসমূহৰ সৈতে আলোচনা কৰা হৈছে। ‘ফিউচাৰ ইনফেণ্ট্ৰি কম্বাট ভেহিকল (এফআইচিভি)’ প্ৰকল্পৰ বাবে এক্সপ্ৰেছন অব্ ইণ্টাৰেষ্ট মুকলি কৰা হৈছিল।
- প্ৰতিৰক্ষা সামগ্ৰী ক্ষেত্ৰত ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগসমূহক আকৰ্ষিত কৰাৰ উদ্দেশ্যে আইডেক্স এপ মুকলি কৰা হৈছে। এই এপটোৰ মতে ৫০তকৈও অধিক ষ্টাৰ্ট-আপে প্ৰযুক্তি আৰু সামগ্ৰী বিকশিত কৰি উলিয়াইছে।
- চৰকাৰৰ প্ৰয়াসৰ ফলত ভাৰতে এতিয়া প্ৰতিৰক্ষা সামগ্ৰীৰ ৰপ্তানিত শীৰ্ষৰ ২৫খন দেশৰ ভিতৰত নাম অন্তৰ্ভুক্ত কৰিছে

৪৫ বছৰীয়া ভুলৰ সংশোধন কৰা হৈছে, এতিয়া এক পদ এক পেঞ্চন

- এই আঁচনিৰ অধীনত সম পদবীৰ বিষয়াসকলে তেওঁলোকৰ অৱসৰৰ সময়ত সম পৰ্যায়ৰ পেঞ্চন লাভ কৰিব। ইয়াৰ অৰ্থ হ’ল ১৯৮০ চনত অৱসৰ লাভ কৰা কৰ্ণেল এগৰাকীয়ে আজি অৱসৰ লাভ কৰা কৰ্ণেল এগৰাকীৰ সম পৰ্যায়ৰ পেঞ্চন লাভ কৰিব।
- ১৯৭৩ চনত চৰকাৰে ‘এক পদ এক পেঞ্চন’ ৰদ কৰিছিল। তাৰোপৰি চৰকাৰে ৫৮ বছৰ বয়সত অৱসৰ লাভ কৰা সাধাৰণ জনতাৰ পেঞ্চন ৩০ৰ পৰা ৫০ শতাংশলৈ বৃদ্ধি কৰি সেনাবাহিনীৰ পেঞ্চন হ্ৰাস কৰিছিল। ২০০৯ চনৰ ছেপ্টেম্বৰত উচ্চতম ন্যায়ালয়ে ‘এক পদ এক পেঞ্চন’ত সন্মতি প্ৰদান কৰে। তৎস্বত্বেও ৪৫ বছৰীয়া পুৰণি দাবী পূৰণ নহ’ল
- শেষত ৭ নৱেম্বৰ ২০১৫ তাৰিখে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ১ জুলাই ২০১৪ চনৰ পৰা কাৰ্যকৰী হোৱাকৈ ইয়াক প্ৰণয়ন কৰি তেওঁ নিজৰ প্ৰতিশ্ৰুতি ৰক্ষা কৰে। এই পৰ্যন্ত বকেয়া পেঞ্চন আৰু ভাট্টা হিচাপে ২০,৬০,৭০০ গৰাকী অৱসৰপ্ৰাপ্ত সেনালৈ ৪২,৭০০ কোটি টকা আৱণ্টিত কৰা হৈছে।
- চৰকাৰী বাসভৱনত শ্বহীদ সৈন্যৰ পৰিয়ালৰ থকা ব্যৱস্থা তিনি মাহৰ পৰা এবছৰলৈ সম্প্ৰসাৰিত কৰা হৈছে। পেঞ্চন লাভ কৰা অৱসৰপ্ৰাপ্ত সেনা আৰু তেওঁলোকৰ পৰিয়ালৰ লোকে এক্স-ছাৰ্ভিচমেন কণ্ট্ৰিবিউটৰী হেলথ স্কীমৰ অধীনত তালিকাভুক্ত ব্যক্তিগতখণ্ডৰ চিকিৎসালয়ৰ পৰা চিকিৎসাৰ সুবিধা লাভ কৰিব পাৰে।

সীমান্ত পথ সংস্থা

সুৰক্ষাৰ সাঁকো গঢ়া হৈছে

দেশৰ সীমান্তৱৰ্তী পথসমূহ নিৰ্মাণৰ ক্ষেত্ৰত সীমান্ত পথ সংস্থা (বিআৰঅ')য়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। সংস্থাটোৱে জম্মু-কাশ্মীৰ, লাডাখ, হিমাচল প্ৰদেশ, উত্তৰাখণ্ড, পাঞ্জাৱ, অসম, ৰাজস্থান, অৰুণাচল প্ৰদেশ, চিক্কিম, মিজোৰাম, নাগালেণ্ড, ত্ৰিপুৰা আৰু আন্দামান-নিকোবাৰ দ্বীপপুঞ্জত পথ আৰু দলং নিৰ্মাণত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে।

- ৭ মে' ১৯৬০ চনত স্থাপিত হোৱা এই সংস্থাটোৱে ৬০ হাজাৰতকৈও অধিক কিলোমিটাৰ দৈৰ্ঘৰ পথ, ৫৯,৫০০ মিটাৰ দৈৰ্ঘৰ দলং, ১৯টা বিমান ক্ষেত্ৰ আৰু তিনিটা সুৰংগ নিৰ্মাণ কৰিছে
- বিআৰঅ'য়ে ২২,০০০ কিলোমিটাৰ দৈৰ্ঘৰ পথ, ২৪,০০০ মিটাৰৰ স্থায়ী দলং, ৫টা বিমান ক্ষেত্ৰ আৰু ৩টা সুৰংগ প্ৰতিপালনৰ কামতো জড়িত হৈছে। বৰ্তমান, ৬০০০ কিলোমিটাৰ দৈৰ্ঘৰ পথ, ২টা বিমান ক্ষেত্ৰ, ২টা সুৰংগ আৰু ১৬,০০০ মিটাৰৰ স্থায়ী দলঙৰ কাম চলি আছে
- বিআৰঅ'য়ে ২০১৮-১৯ৰ তুলনাত ২০১৯-২০ত ৩০ শতাংশতকৈও অধিক পথ আৰু দলং নিৰ্মাণ কৰিছে
- ২০০৮ ৰ পৰা ২০১৪ চনৰ ভিতৰত বিআৰঅ'য়ে কূটনৈতিকভাৱে গুৰুত্বপূৰ্ণ ৩৬০০ কিলোমিটাৰ দীঘল পথ নিৰ্মাণ কৰিছিল। কিন্তু ২০১৪ চনৰ পৰা ২০২০ চনলৈ সংস্থাটোৱে ৪৭০০ কিলোমিটাৰৰ কূটনৈতিকভাৱে গুৰুত্বপূৰ্ণ পথ নিৰ্মাণ কৰিছে
- ২০০৮ চনৰ পৰা ২০১৪ চনলৈ বিআৰঅ'য়ে ৭,২৭০ খন দলং নিৰ্মাণ কৰাৰ বিপৰীতে ২০১৪ চনৰ পৰা ২০২০ চনলৈ ১৪,৯৫৩খন দলং নিৰ্মাণ কৰিছে
- ৰোহটাং পাছৰ অধীনত ৯ কিলোমিটাৰ দৈৰ্ঘৰ অটল সুৰংগ নিৰ্মাণ কৰা হৈছে। এই সিদ্ধান্ত ২০০২ চনতেই গ্ৰহণ কৰা হৈছিল। ইয়াক ২০১৪ চনৰ পিছত কাৰ্যকৰী কৰা হয় আৰু এতিয়া সুৰংগটো ৰাইজৰ বাবে মুকলি কৰি দিয়া হৈছে
- কূটনৈতিকভাৱে গুৰুত্বপূৰ্ণ এলএচিৰ নিকটৱৰ্তী ডাৰবুক-শ্যুক-দৌলতাবেগ অল্ডি পথ মুকলি কৰা হৈছে
- ২০০৯ চনৰ পৰা ২০১৫ চনলৈ বিআৰঅ'ৰ বাজেট আছিল ৪,০০০ কোটি টকা যি ২০১৭-১৮ চনত ৫,৪০০ কোটি টকালৈ আৰু ২০১৮-১৯ চনত ৭,০০০ কোটি টকালৈ বৃদ্ধি হৈছে। এতিয়া ২০১৯-২০ চনত ইয়াক ৮,০০০ কোটি টকালৈ বৃদ্ধি কৰা হয়। ২০২০-২১ চনত ১১,০০০ কোটি টকাৰ বাজেটৰ অনুমোদন জনোৱা হৈছে।

সেনাবাহিনীঃ সন্ত্ৰাসবাদ অথবা সীমান্ত প্ৰত্যাহ্বানৰ সৈতে মোকাবিলা কৰিবলৈ সদা প্ৰস্তুত

- শেহতীয়া প্ৰতিবেদন মতে ১৩৮খন দেশৰ ভিতৰত ৩.৩৭ লাখ কোটি টকাৰ বাজেটৰ সৈতে ভাৰতে শীৰ্ষৰ চাৰিখন শক্তিশালী সেনাবাহিনীৰ দেশৰ ভিতৰত নাম অন্তৰ্ভুক্ত কৰিবলৈ সক্ষম হৈছে
- উত্তৰ প্ৰদেশৰ আমেথিত মাৰণাস্ত্ৰ ৰাইফল একে-২০৩ নিৰ্মাণৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে। 'মেক ইন ইণ্ডিয়া' আঁচনি অনুসৰি সেনাবাহিনীত ধনুশ, কে ৯ বজ্ৰ, সাৰংগ আৰু এম ৭৭৭এ ২টা আল্ট্ৰা লাইট হাউইজাৰ গোলা অন্তৰ্ভুক্ত কৰা হৈছে
- সেনাবাহিনীত বুলেট প্ৰুফ জেকেটৰ অভাৱ পৰিলক্ষিত হৈ আহিছিল। চৰকাৰে ঘৰুৱা খণ্ডৰ পৰা ১.৮৬ লাখ জেকেট ক্ৰয়ৰ বাবে অনুমোদন জনাইছে। ২৫,০০০ কোটি টকাৰ অস্ত্ৰ-শস্ত্ৰ জৰুৰীকালীন ভিত্তিত ক্ৰয় কৰা হৈছে
- জম্মু-কাশ্মীৰৰ সংবেদনশীল অঞ্চলত সেনাসকলৰ সুৰক্ষাত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। সেনাবাহিনীৰ বাবে মাইন প্ৰতিৰোধী বাহনৰ বিশেষ এছকৰ্টৰ সৈতে সশস্ত্ৰ বাহনৰ ব্যৱস্থা কৰা হৈছে।

প্ৰতিৰক্ষা গৱেষণা আৰু বিকাশ সংস্থা

ডিআৰডিঅ'ৰ আদৰ্শ হ'ল "বালস্য মুলাম বিজ্ঞানম"- এই সংস্কৃত বাক্যশাৰীৰ অৰ্থ হ'ল শক্তিৰ মূল ভেঁটি হ'ল বিজ্ঞান। এই শক্তিয়ে গুৰুত্বপূৰ্ণ সময়ত ৰাষ্ট্ৰক সৱলীকৃত কৰিছে। এই আদৰ্শৰ সৈতে ডিআৰডিঅ'ই নিৰৱচ্ছিন্নভাৱে ভাৰতীয় সশস্ত্ৰ বাহিনীক শক্তিশালী কৰিছে।

ইয়াৰ সফলতাসমূহ হ'ল:

বায়ু বাহিনীঃ আকাশত সৌৰ্য

- চৰকাৰে ৪.৫ প্ৰজন্মৰ ৩৬ ৰাফেল ফাইটাৰ ক্ৰয়ৰ বাবে নিৰ্দেশ দিছে। বায়ু সেনাবাহিনীয়ে আজিৰ তাৰিখ পৰ্যন্ত আঠখন ফাইটাৰ লাভ কৰিছে।
- ভাৰত-ৰাছিয়াৰ সহযোগত নিৰ্মিত ব্ৰাহ্মছ এই শাখাৰ ভয়ংকৰ মিছাইলসমূহৰ ভিতৰত অন্যতম। ২০১৭ চনৰ ফেব্ৰুৱাৰী মাহত এই মিছাইলৰ সফল পৰীক্ষণৰ পিছত ইয়াক ছুখই-৩০ এমকেআই ফাইটাৰৰ সৈতে সংযুক্ত কৰা হৈছে।
- বায়ু সেনাবাহিনীত 'মেক ইন ইণ্ডিয়া'ৰ তেজসক অন্তৰ্ভুক্ত কৰা হৈছে
- ২০১৯ চনত এপাচি এইচ-৬৪ ই হেলিকপ্টাৰক অন্তৰ্ভুক্ত কৰা হয়। এতিয়া হেভী লিফ্‌টাৰ চিনুক হেলিকপ্টাৰকো অন্তৰ্ভুক্ত কৰা হৈছে। তাৰোপৰি বিশ্বৰ সবাতোকৈ বৃহৎ কাৰ্গ বিমান গ্ল'বমাষ্টাৰকো ভাৰতীয় বায়ু সেনাবাহিনীত অন্তৰ্ভুক্ত কৰা হৈছে।
- ৰাছিয়াৰ পৰা ১২খন নতুন ছুখই-৩০ আৰু ২১খন নতুন মিগ-২৯ ক্ৰয় কৰাৰ অনুমোদন প্ৰদান কৰা হৈছে। বিদ্যমান মিগ-২৯ ফাইটাৰৰ উন্নীতকৰণৰ প্ৰক্ৰিয়া ইতিমধ্যেই অব্যাহত আছে।
- বিশ্বৰ সবাতোকৈ শক্তিশালী আৰু আধুনিক বায়ু প্ৰতিৰক্ষা প্ৰণালী এছ-৪০০ক ৰাছিয়াৰ পৰা ক্ৰয় কৰা হৈছে। ইয়াক আগন্তুক বৰ্ষত যোগান ধৰা হ'ব।

নৌসেনাঃ উপকূলীয় সীমান্তৰ ৭৫০০ কিলোমিটাৰ পথৰ সুৰক্ষা

- চৰকাৰে আগন্তুক ৮ -১০ বছৰৰ ভিতৰত নৌসেনা বাহিনীৰ শক্তি চাৰিগুণ বৃদ্ধি কৰিবলৈ কেতবোৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। ইয়াৰ জৰিয়তে যুদ্ধ জাহাজ আৰু ছাবমেৰিন বৃদ্ধি কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে।
- মাজাগাও ডকয়ার্ডত মাৰাত্মক ছয় স্ক'ৰপীন ছাবমেৰিন নিৰ্মাণ কৰা হৈছে
- আইএনএছ কালৱেৰী, আইএনএছ কাৰানজ, আইএনএছ খান্দেৰী আৰু আইএনএছ বাগিৰক নৌবাহিনীত অন্তৰ্ভুক্ত কৰা হৈছে
- 'প্ৰকল্প ক'ৰ অধীনত শিৱালিক শাখাৰ যুদ্ধ জাহাজ নিৰ্মাণৰ কাম আগবঢ়োৱা হৈছে
- নৌবাহিনীয়ে প্ৰকল্প ৭৫ৰ অধীনত ২৪খন ছাবমেৰিনৰ সৈতে ছয়খন নিউক্লিয়াৰ ছাবমেৰিন ক্ৰয় কৰাৰ পৰিকল্পনা কৰিছে
- কোচিন বন্দৰত নিৰ্মাণ কৰা প্ৰথমখন ভাৰতীয় ফ্লাইট কেৰিয়াৰ আইএনএছ বিক্ৰান্তক অহা বছৰ মুকলি কৰা হ'ব। আইএনএছ বিক্ৰান্তত মিগ-২৯ৰ স্কোৱাড্ৰ'ন অন্তৰ্ভুক্ত কৰা হ'ব। ফ্লাইট কেৰিয়াৰত নৌবাহিনীৰ পেট্ৰ'লিং ক্ৰাফ্‌ট পি-৮ আই, ব্ৰাহ্মছ আৰু হাৰ্পুন অন্তৰ্ভুক্ত কৰা হৈছে।

ছেপ্টেম্বৰ ৭- হাইপাৰছ'নিক টেকন'লজী ডেমনষ্ট্ৰেচন ভেহিকল (এইচএছটিডিভি) পৰীক্ষণ কৰা হৈছিল

ছেপ্টেম্বৰ ২২- অভ্যাসৰ সফল উৰণ পৰীক্ষণ- হাই স্পীড এক্সপেণ্ডেবল এৰিয়েল টাৰ্গেট (হীট) অনুষ্ঠিত কৰা হয়

ছেপ্টেম্বৰ ২৩- লেজাৰ গাইডেড এণ্টি-টেংক গাইডেড মিছাইল (এটিজিএম) সফলভাৱে পৰীক্ষণ কৰা হৈছিল

ছেপ্টেম্বৰ ২৩- ৫০০ কিলোমিটাৰ পৰ্যন্ত আঘাত কৰিব পৰা পৃথিৱী মিছাইল পৰীক্ষণ কৰা হৈছিল

ছেপ্টেম্বৰ ৩০- ছাৰফেচ-টু-ছাৰফেচ ছুপাৰছনিক ক্ৰুজ মিছাইল ব্ৰাহ্মছত স্থানীয় বুষ্টাৰৰ সৈতে এয়াৰফ্ৰেম ছেকচন সফলতাৰে পৰীক্ষণ কৰা হৈছে।

অক্টোবৰ ১- লেজাৰ গাইডেড এণ্টি টেংক গাইডেড মিছাইল (এটিজিএম) সফলতাৰে পৰীক্ষণ কৰা হৈছে

অক্টোবৰ ৩- নিউক্লিয়াৰ অস্ত্ৰ কড়িয়াব পৰা শৌৰ্য মিছাইলৰ অত্যাধুনিক সংস্কৰণ সফলতাৰে পৰীক্ষণ কৰা হৈছে

অক্টোবৰ ৫- ট'পেডৰ ছুপাৰছনিক মিছাইলৰ (স্মাৰ্ট) উৰণ সফলতাৰে পৰীক্ষণ কৰা হৈছে

অক্টোবৰ ৯- নতুন প্ৰজন্মৰ এণ্টি ৰেডিঅ'চন মিছাইল (ৰুদ্ৰম) সফলতাৰে পৰীক্ষণ কৰা হৈছে আৰু ইয়াক ছুখয়-৩০ এমকেআই ফাইটাৰ এয়াৰক্ৰাফ্‌টৰ পৰা উৎক্ষেপণ কৰা হৈছিল। ই হ'ল ভাৰতীয় বায়ু সেনা বাহিনীৰ প্ৰথমটো থলুৱাভাৱে নিৰ্মিত এণ্টি ৰেডিয়েচন মিছাইল।

“আমি শান্তি আৰু ধৈৰ্য্যত বিশ্বাস কৰো, কিন্তু এয়া হৈছে নতুন ভাৰত। পৃথিৱীবাসীয়ে ইয়াক বুজিব লাগিব”

ভাৰতীয় সেনাবাহিনী আজি বিশ্বৰ আটাইতকৈ শক্তিশালী আৰু সক্ষম সেনাবাহিনী। ইয়াৰ কাৰণ হৈছে যে যোৱা ছয় বছৰত চৰকাৰে উদ্ভাৱন আৰু প্ৰযুক্তিৰ ব্যৱহাৰৰ সৈতে শক্তিশালী আন্তঃগাঁথনিৰে বিঘিনি আঁতৰাই সীমান্ত সুৰক্ষিত কৰি প্ৰতিৰক্ষা খণ্ডক আগুৱাই নিছে। ভাৰতক প্ৰতিৰক্ষা খণ্ডৰ ক্ষেত্ৰত এক মুখ্য আমদানিকৰ্তা দেশ বুলি জনা যায়, কিন্তু প্ৰতিৰক্ষাৰ ৰপ্তানিৰ ক্ষেত্ৰত ই বৰ্তমান বিশ্বৰ শীৰ্ষ ২৫ খন দেশৰ ভিতৰত আছে। চৰকাৰে সীমান্ত এলেকাৰ বিকাশৰ বাবে আৰু ইয়াত বাস কৰা বাসিন্দাসকলক স্ব-নিৰ্ভৰ কৰি তোলাৰ লক্ষ্যৰে এক সামগ্ৰিক দৃষ্টিভঙ্গী গ্ৰহণ কৰিছে। নিউ ইণ্ডিয়া সমাচাৰৰ কনচাল্টিং এডিটৰ সন্তোষ কুমাৰৰ সৈতে হোৱা এক স্পষ্ট বাৰ্তালাপত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে তেওঁৰ চিন্তা-চৰ্চা ভাগ বতৰা কৰিছিল।

Q চৰকাৰে নিৰন্তৰভাৱে নতুন প্ৰত্যাহ্বানৰ সৈতে মোকাবিলা কৰিবলৈ প্ৰতিৰক্ষা আন্তঃগাঁথনি উন্নত কৰিছে। চৰকাৰে নিৰ্ধাৰণ কৰা অন্য লক্ষ্যসমূহ কি ?

A অন্যান্য ইউনিফৰ্মড বাহিনীবোৰৰ সৈতে আমাৰ সশস্ত্ৰ বাহিনীবোৰ হৈছে দেশৰ আভ্যন্তৰীণ সুৰক্ষা আৰু সীমান্তৰ নিৰাপত্তা দুয়োটাৰে সুৰক্ষা স্থাপত্যৰ মেৰুদণ্ড। ভূমি, বায়ু আৰু সাগৰত শেহতীয়া অস্ত্ৰৰ সৈতে, তেওঁলোকক সাজু কৰাৰ বাবে নিৰন্তৰ প্ৰচেষ্টা অব্যাহত আছে; যুটীত্ব আৰু আধুনিকীকৰণ আনি সংস্কাৰৰ যোগেৰে যেনে প্ৰতিৰক্ষা কৰ্মচাৰী (চি.ডি. এছ.)ৰ প্ৰধান নিযুক্তি, আৰু অন্যান্য প্ৰয়োজনীয় সংস্কাৰ।

আমাৰ আমদানিত যথেষ্ট হ্ৰাসৰ দ্বাৰা আমাৰ প্ৰতিৰক্ষা প্ৰস্তুতি শক্তিশালী হব । আমি বুজিব লাগিব যে এক মহান শক্তি হবলৈ আকাংক্ষা কৰা কোনো দেশেই বিদেশৰ পৰা দীৰ্ঘদিন ধৰি প্ৰতিৰক্ষা সঁজুলি ক্ৰয় কৰাত নিৰ্ভৰশীল নহয়। এই দিশত চৰকাৰে নিৰন্তৰ কাম কৰি আছে, যাৰ ফলাফল দৃশ্যমান।

সীমান্তৰ আন্তঃগাঁথনি শক্তিশালী কৰাই কেৱল লজিষ্টিক উন্নত কৰাই নহয় স্থানীয় অৰ্থনীতিতো অৰিহনা যোগায়। প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নিৰ্ণায়ক নেতৃত্বত চৰকাৰ যিকোনো প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলৈ সম্পূৰ্ণৰূপে সাজু হৈছে। ৩ অক্টোবৰ, ২০২০ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিশ্বৰ দীৰ্ঘতম হাইৱে টানেল — অটল টানেল মানালিৰ ইয়াৰ দক্ষিণ পোৰ্টেলত দেশবাসীৰ বাবে উৎসৰ্গা কৰে । মানালীৰ পৰা লাহাউল-স্পিটি উপত্যকা সংযোগী ৯.০২ কিলোমিটাৰ দীঘল সুৰঙ্গটোৱে কেৱল মানালী আৰু কিলংৰ মাজত ভ্ৰমণৰ সময় ৩-৪ ঘণ্টালৈ হ্ৰাসেই নকৰে, অঞ্চলটোলৈ সকলো বতৰতে সংযোগৰ সুবিধা প্ৰদান কৰিব । ইয়াৰ উপৰিও, আমি সম্পূৰ্ণ কৰিছো সীমা অঞ্চলত কেইবাটাও ৰাস্তা আৰু পথ। মই এই কথাত গুৰুত্ব দিও যে দূৰ-দূৰণিৰ অঞ্চলত আন্তঃগাঁথনিৰ বিকাশে কেৱল প্ৰতিৰক্ষা প্ৰস্তুতিত অৱদান আগবঢ়োৱাই নহয়, অঞ্চলটোৰ আৰ্থ-সামাজিক বিকাশো সাধন কৰে ।

Q ভাৰতে চাৰ্জিকেল ষ্ট্ৰাইক আৰু বালাকোটৰ এয়াৰ ষ্ট্ৰাইকৰ জৰিয়তে ইয়াৰ শক্তি দেখুৱাইছে। এনে সাহসী সিদ্ধান্ত আঁৰত চৰকাৰৰ কি চিন্তা আছিল?

A সীমাৰ সন্ত্ৰাসবাদৰে মোকাবিলা কৰিবলৈ আমাৰ দৃষ্টিভঙ্গী এই কথাৰ দ্বাৰা পৰিচালিত হৈছিল যে এজনে শান্তি বিচাৰিব লাগিব শক্তিৰ স্থিতিৰ পৰা। আমাৰ সেনাবাহিনীৰ সাহসী জোৱানসকলে পশ্চিমৰ প্ৰতিৱেশীয়ে সন্ত্ৰাসবাদীক সীমান্তৰে আমাৰ ভূখণ্ডত প্ৰৱেশৰ বাবে কৰি থকা কূটিল ষড়যন্ত্ৰ ওফৰাবলৈ নিৰন্তৰে বাধা প্ৰদান কৰি আহিছে । ই এটা দীৰ্ঘদিনীয়া সমস্যা আৰু দূৰ্ভাগ্যজনকভাৱে, পাকিস্তানে সন্ত্ৰাসবাদৰ ক্ষেত্ৰত তেওঁলোকৰ আঁকোৰগোজ স্থিতি অব্যাহত ৰাখিছে । আমি কেৱল এজন মৌন দৰ্শক থাকিবলৈ সাজু নাছিলো । আমি আমাৰ পশ্চিমৰ প্ৰতিৱেশীৰ অশুভ কৌশলৰ প্ৰত্যুত্তৰ দিবলৈ কিছুমান বিকল্প সঁহাৰি বিকশিত কৰিছো আৰু সেইবোৰ পুলৱামাত আমাৰ চি আৰ পি এফ জোৱানসকলৰ ওপৰত চলা আক্ৰমণৰ পিছত প্ৰয়োগ কৰিছিলো । আশা কৰা হৈছে যে পাকিস্তানে এনে কৌশলৰ ব্যৰ্থতা বুজি উঠিছে । ভাৰতে ভাৰতৰ সাৰ্বভৌমত্ব আৰু ভূখণ্ডৰ অখণ্ডতাৰ সুৰক্ষাৰ বাবে সংকল্পবদ্ধ।

Q ভাৰতৰ শেহতীয়া সামৰিক দক্ষতাত গৱেষণা আৰু উদ্ভাৱনে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। এই সন্দৰ্ভত পৰিকল্পনা কৰা নতুন সম্পৰীক্ষাসমূহ কি?

A ডিআৰডিঅ'ৰ আত্মনিৰ্ভৰশীলতা আৰু দেশীয় উন্নয়নৰ সফলতা আৰু ৰণনীতিগত প্ৰণালী আৰু মঞ্চ যেনে অগ্নি আৰু ক্ষেপণাস্ত্ৰৰ পৃথিৱী শৃংখল ; পাতল যুদ্ধ বিমান, তেজাছ; মাল্টি-



Q প্ৰতিৰক্ষা মন্ত্ৰী হোৱাৰ পিছত আপুনি চীয়াচেন ভ্ৰমণ কৰিছিল। আপুনি জোৱানসকলৰ পৰিয়ালৈলৈ পত্ৰ লেখাও আৰম্ভ কৰিছিল। আপোনাৰ অভিজ্ঞতা কেনে আছিল?

A প্ৰতিৰক্ষা মন্ত্ৰীৰ দায়িত্ব গ্ৰহণ কৰাৰ পিছত মই ২০১৯চনৰ জুনত চীয়াচেন ভ্ৰমণ কৰিছিলোঁ। দেশৰ সীমান্তত জোৱানসকলে দেশৰক্ষাৰ বাবে অতি প্ৰতিকুল পৰিস্থিতিৰ মাজতো সাহসেৰে পালন কৰা দায়িত্ব ওচৰৰ পৰা স্ব-চক্ষে প্ৰত্যক্ষ কৰাৰ বাবে ই মোৰ বাবে এক সুযোগ আছিল। তেওঁলোকে সকলো প্ৰতিকূলতা নেওচি তেওঁলোকৰ দেশপ্ৰেমৰ বাবে কাম কৰি গৈছিল আৰু মই তেওঁলোকক অভিবাদন জনাইছোঁ।

বেৰেল ৰকেট লাঞ্চাৰ, পিনাকা; বায়ু প্ৰতিৰক্ষা প্ৰণালী, আকাশ; এক বিস্তৃত পৰিসৰৰ ৰাডাৰ আৰু ইলেক্ট্ৰনিক ৱাৰফেয়াৰ প্ৰণালী আদিৰ উৎপাদনে ভাৰতৰ সামৰিক শক্তিক এক নিৰ্দিষ্ট লক্ষ্যত উপনীত কৰিছে। শেহতীয়াকৈ ডিআৰডিঅ' বিজ্ঞানীসকলে পিনাকা ৰকেটৰ বৰ্ধিত সংস্কৰণৰ সফল উৰণ পৰিচালনা পৰীক্ষা কৰি আছে; নতুন প্ৰজন্মৰ বিকিৰণ প্ৰতিৰোধী মিছাইল (ৰুদ্ৰম); ব্ৰাহমচ, উচ্চ গতিৰ অতিৰিক্ত এৰিয়েল টাৰ্গেট (HEAT)- ABHYAS, ছুপাৰছনিক মিছাইল সহায়ক টৰপেডো (স্মাৰ্ট), লেজাৰ গাইডেড এণ্টি টেংক গাইডেড মিছাইল (ATGM), অন্তিম ব্যৱহাৰকাৰী পৰীক্ষণ ৩য় প্ৰজন্মৰ এণ্টি টেংক গাইডেড মিছাইল (ATGM), NAG ইত্যাদি।

Q সীমান্ত অঞ্চলবোৰত নিৰন্তৰ উত্তেজনাপূৰ্ণ পৰিস্থিতি হৈ আছে। এতিয়ালৈকে ভাৰতীয় সেনাই যিকোনো দুস্কাৰ্য প্ৰতিহত কৰাৰ বাবে সঠিক প্ৰত্যুত্তৰ প্ৰদান কৰি আছে। আমাৰ প্ৰস্তুতি কোনবোৰ?

A ১৫ ছেপ্টেম্বৰত মই লোকসভাত লাডাখৰ উত্তৰ-প্ৰান্তত এই বছৰৰ ১৫ জুনত গলৱান উপত্যকা অঞ্চলত ভাৰতীয় সেনাবাহিনী আৰু পি.এল.এ. বাহিনীৰ মাজত সৃষ্টি হোৱা পৰিস্থিতি সম্পৰ্কে এটা বিবৃতি দিছিলোঁ । আমাৰ সশস্ত্ৰ বাহিনীৰ আচৰণে দেখুৱায় যে তেওঁলোকে ক্ৰোধ উদ্ৰেককাৰী পদক্ষেপৰ মুখত 'চয়ম্' (ধৈৰ্য্য) বজাই ৰখাৰ সময়তে ভাৰত ভূমিৰ অখণ্ডতাৰ সুৰক্ষাৰ বাবে প্ৰয়োজনত সমানে শৌৰ্য(সাহস)ও প্ৰদৰ্শন কৰে। যিহেতু আমি বৰ্তমানৰ পৰিস্থিতিটো আলোচনাৰ জৰিয়তে সমাধান কৰিব বিচাৰো, আমি চীনৰ সৈতে ৰণনীতি আৰু সামৰিক সম্পৰ্ক বজাই ৰাখিছো । ৬ নৱেম্বৰত শ্ৰুছুলত ভাৰত-চীন কৰ্পছ কমাণ্ডাৰৰ ৮ম ৰাউণ্ড বৈঠক অনুষ্ঠিত হৈছিল। দুয়োখন দেশৰ নেতাসকলে তেওঁলোকৰ সমুখ সমৰৰ যোদ্ধাসকলক সংযম বৰ্তাই ৰখাটো নিশ্চিত কৰাৰ বাবে আৰু ভুল বুজাবুজি দূৰ কৰিবলৈ ঐক্যমত্যত উপনীত হৈছে । তেওঁলোকে অতি শীঘ্ৰে আৰু এক পৰ্যায়ৰ সভা কৰিবলৈও সন্মত হয় ।

Q সীমা বিবাদৰ মোকাবিলা কৰাত পূৰ্বৱৰ্তী চৰকাৰৰ কি ত্ৰুটি আছিল? সমাধানৰ বাবে আপোনাৰ ধাৰণা কি?

A আমি চাৰিটা বিস্তৃত নীতিৰ ওপৰত বৰ্ণনা কৰিছো যিবোৰে ভৱিষ্যতে ৰাষ্ট্ৰীয় সুৰক্ষাৰ বাবে ভাৰতৰ অভিযানক পৰিচালিত কৰাৰ সম্ভাৱনা আছে। প্ৰথমটো হৈছে বাহ্যিক বিপদশংকা আৰু আভ্যন্তৰীণ প্ৰত্যাহ্বানৰ পৰা ভাৰতৰ ভূখণ্ডৰ অখণ্ডতা আৰু সাৰ্বভৌমত্ব সুৰক্ষিত কৰাৰ সাৰ্মথ্য । দ্বিতীয়, সুৰক্ষিত আৰু স্থিৰ অৱস্থা সৃষ্টি কৰাৰ সাৰ্মথ্য যি ভাৰতৰ অৰ্থনৈতিক বিকাশত সহায় কৰিব পাৰে, তৃতীয়, আমি আমাৰ সুৰক্ষাৰ ইচ্ছাত অবিচল থাকি আমাৰ সীমাৰ বাহিৰৰ যিবোৰ স্থানত আমাৰ মানুহে থাকে আৰু আমাৰ সুৰক্ষাৰ আগ্ৰহ একত্ৰিত হয়। আৰু শেষত, আমি গোলকীয় আৰু আন্তঃসংযোগ কৰা এখন পৃথিৱী বিশ্বাস কৰো যি এখন দেশৰ সৰ্বসাধাৰণৰ সুৰক্ষাৰ স্বাৰ্থ ভগাই লোৱাৰ লগতে সুৰক্ষিত সৰ্বসাধাৰণৰ সৈতে সংযুক্ত থাকে ।

ভাৰতৰ বৈদেশিক আৰু সুৰক্ষা নীতিৰ এক গুৰুত্বপূৰ্ণ উপাদান 'প্ৰতিৱেশী প্ৰথম' বৈশিষ্ট্যৰে নিৰ্ধাৰণ কৰা হয় । ২০১৪ চনৰ পৰা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই সম্পৰ্ক নিশ্চিত কৰিবলৈ আৰু ইতিবাচক আৰু প্ৰগতিশীল অংশীদাৰীত্বৰ বাবে শক্তিশালী

কৰিবলৈ যথেষ্ট ব্যক্তিগত পুঁজি বিনিয়োগ কৰিছিল । আতংকবাদক ইন্ধন যোগোৱা ব্যতিক্ৰম পাকিস্তানৰ বাহিৰে ভাৰতে সকলো প্ৰতিৱেশীৰ সৈতে ইয়াৰ সম্পৰ্ক উন্নত কৰিছে।

Q দেশীয় প্ৰতিৰক্ষা উৎপাদনত আত্মনিৰ্ভৰ ভাৰত অভিযানৰ দিশে চৰকাৰৰ ৰোডমেপ কি?

A 'মেক ইন ইণ্ডিয়া' গঢ়িবলৈ প্ৰতিৰক্ষা খণ্ডটো ইতিমধ্যে এক মূল ক্ষেত্ৰ হিচাপে চিনাক্ত কৰা হৈছে। প্ৰধান মন্ত্ৰীয়ে $৫ বিলিয়ন (৩৫,০০০ কোটি টকা)ৰ প্ৰতিৰক্ষা সম্পৰ্কীয় ৰপ্তানিৰ লক্ষ্যৰে আগন্তুক পাঁচ বছৰত প্ৰতিৰক্ষা সঁজুলি ৰপ্তানিকৰ্তা দেশত পৰিণত হবলৈ দৃষ্টি নিবদ্ধ ৰাখিছে।

এই সমাপ্তিৰ দিশে:

- খচৰা উৎপাদন আৰু ৰপ্তানি প্ৰমোচন নীতি প্ৰস্তুত কৰা হৈছে। ইয়াৰ লক্ষ্য হৈছে প্ৰতিৰক্ষা নিৰ্মাণ উদ্যোগলৈ সশস্ত্ৰ বাহিনীৰ প্ৰয়োজনীয়তাৰ অধিক দৃশ্যমানতা প্ৰদান কৰা । এই আঁচনিৰ লক্ষ্য হৈছে ২০২৫ চনৰ ভিতৰত বাৰ্ষিক ব্যৱসায়ত ১.৭৫ লাখ কোটি টকা প্ৰাপ্ত কৰা।
- ২০২০-২১ চনৰ বাজেটৰ বাবে পুঁজি সংগ্ৰহত প্ৰতিৰক্ষা মন্ত্ৰালয়ে ঘৰুৱা আৰু বিদেশী পুঁজি সংগ্ৰহ পথৰ মাজত দ্বি-বিভাজক হৈছে । প্ৰতিৰক্ষা নিৰ্মাণত আত্মনিৰ্ভৰ ভাৰতক উদগনি দিবলৈ বৰ্তমান বিত্তীয় বৰ্ষত ঘৰুৱা পুঁজি সংগ্ৰহৰ বাবে প্ৰায় ৫২,০০০ কোটি টকাৰ আউটলেৰ সৈতে এটা পৃথক বাজেট হেড সৃষ্টি কৰা হৈছে ।
- ১০১ বিধ সামগ্ৰী আমদানিৰ ওপৰত নিষেধাজ্ঞাৰ সৈতে অনুমান কৰা হৈছিল যে পৰৱৰ্তী পাঁচৰ পৰা সাত বছৰৰ ভিতৰত প্ৰায় ৪ লাখ কোটি টকা মূল্যৰ চুক্তি ঘৰুৱা উদ্যোগৰ ওপৰত কৰা হ'ব ।
- কেইবাটাও সাহসী নীতি সংস্কাৰৰ ভিতৰত আছে প্ৰতিৰক্ষা খণ্ডত স্বয়ংক্ৰিয় পথৰ যোগেৰে বিদেশী প্ৰত্যক্ষ বিনিয়োগৰ সীমা ৭৪ শতাংশ বৃদ্ধি আৰু উত্তৰ প্ৰদেশ আৰু তামিলনাডুত প্ৰতিৰক্ষা কৰিডৰ গঢ়ি তোলা।

Q আমাৰ ভৱিষ্যতৰ প্ৰস্তুতিৰ ওপৰত ইয়াৰ কি প্ৰভাৱ পৰিব?

A ইয়াৰ ফলত অৱশেষত প্ৰতিৰক্ষা আমদানিৰ ওপৰত কম নিৰ্ভৰশীল হোৱা যাব। এক গুৰুত্বপূৰ্ণ শক্তিত পৰিণত হোৱাৰ আকাংক্ষা কৰা কোনো দেশেই দীঘলীয়া সময়ৰ বাবে বিদেশৰ পৰা প্ৰতিৰক্ষা সঁজুলি ক্ৰয় কৰাত নিৰ্ভৰশীল নহয়।

Q ২০১৮-১৯ ৰ বাজেটত ঘোষণা কৰা প্ৰতিৰক্ষা কৰিডৰৰ স্থিতি কি?

A এনে কৰিডৰ এটা উত্তৰ প্ৰদেশত আৰু আনটো তামিলনাডুত বিকশিত কৰাৰ সিদ্ধান্ত লোৱা হৈছে। চৰকাৰে কৰিডৰ নিৰ্মাণৰ বাবে উত্তৰ প্ৰদেশত ছয়টা আৰু তামিলনাডুত পাঁচটা নোড চিনাক্ত কৰিছে।

উত্তৰ প্ৰদেশ প্ৰতিৰক্ষা কৰিডৰ আৰম্ভ কৰাৰ সময়ত, ৩৭০০ কোটি টকাৰ অধিক বিনিয়োগ কৰাৰ কথা ঘোষণা কৰা হৈছিল, যাৰ বিপৰীতে ২০২০ চনৰ আগষ্টলৈকে ৮৮৩ কোটি টকাৰ বিনিয়োগ কৰা হৈছে। লগতে, উত্তৰ প্ৰদেশ চৰকাৰে ডেফএক্সপো ২০২০ৰ সময়ত ২৩ খনকৈ বুজাবুজিৰ পত্ৰত স্বাক্ষৰ কৰিছে আৰু উত্তৰ প্ৰদেশ প্ৰতিৰক্ষা ঔদ্যোগিক কৰিডৰত ৫০,০০০ কোটি টকাৰ বিনিয়োগ কৰাৰ সম্ভাৱনা আছে।

একেদৰে, তামিলনাডু প্ৰতিৰক্ষা ঔদ্যোগিক কৰিডৰৰ বাবে ৩১০০ কোটি টকাৰ অধিক বিনিয়োগ ঘোষণা কৰা হৈছিল যাৰ বিপৰীতে মাৰ্চ ২০২০ লৈকে প্ৰায় ৮০৮ কোটি টকাৰ বিনিয়োগ কৰা হৈছে।

আন এক বিকাশ উদ্দীপক

আত্মনিৰ্ভৰ ভাৰত পেকেজ ৩.০ ঘোষণাৰ সৈতে চৰকাৰে মহামাৰীৰ সময়ত অৰ্থনীতি বৃদ্ধি কৰাৰ বাবে ২.৬৫ লাখ কোটি টকাতকৈ অধিক টকাৰ আন এক আঁচনি লৈছে।

অৰ্থনীতিক উদ্দীপনা যোগাবলৈ কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে আত্মনিৰ্ভৰ ভাৰত ৩.০ হিচাপে ২.৬৫ লাখ কোটি টকাৰ আন এটা পেকেজ ঘোষণা কৰিছে। ২০২০ চনৰ ১২ নৱেম্বৰত এই ঘোষণা কৰা হৈছে, বিত্ত মন্ত্ৰীয়ে কৈছিল যে অৰ্থনীতিৰ বিকাশ চাৰ্ট আত্মনিৰ্ভৰ ভাৰত ১.০ আৰু ২.০ৰ পিছত বাঢ়ি আছে। ষ্টক বজাৰৰ বৃদ্ধিৰ লগতে বেঙ্কৰ ঋণ বৃদ্ধি ৫.১ শতাংশ উৰ্দ্ধগামী হৈছে। ৰিজাৰ্ভ বেঙ্ক অৱ ইণ্ডিয়াৰ অৰ্থনীতিৰ অনুমানো তৃতীয় তিনিমাহৰ বাবে ইতিবাচক।

২৯.৮৭ লাখ কোটি টকাৰ মূল্যৰ তিনিটা ভাগত দিয়া মুঠ উদ্দীপনা হৈছে দেশৰ মুঠ ঘৰুৱা উৎপাদন (জিডিপি)ৰ ১৫%। কৃষি খণ্ড, গ্ৰাম্য নিয়োগ আৰু ৰিয়েল ইষ্টেটত বিশেষ অগ্ৰাধিকাৰেৰে নতুন পেকেজত নিয়োগ সৃষ্টিৰ ওপৰত গুৰুত্ব দিয়া হৈছে।

নতুন পেকেজ

আত্মনিৰ্ভৰ ভাৰত ৰোজগাৰ যোজনা

যিসকল কৰ্মচাৰী আগতে পি.এফ.ৰ বাবে পঞ্জীভুক্ত হোৱা নাছিল আৰু যাৰ বেতন ১৫,০০০ টকাতকৈ কম তেওঁলোকে এই আঁচনিৰ লাভালাভ পাব। ইয়াৰ বাবে, কোম্পানীটো EPFO-ৰ সৈতে পঞ্জীয়ন কৰিব লাগিব। যিসকলৰ আগষ্টৰ পৰা ছেপ্টেম্বৰলৈ চাকৰি নাছিল কিন্তু পিছত যোগদান কৰিলেও এই আঁচনিৰ লাভালাভৰ জৰিয়তে পি এফ লাভ কৰিব। আঁচনিখন ৩০ জুন, ২০২১লৈকে বলৱৎ থাকিব।

জৰুৰীকালীন ক্ৰেডিট লাইন গেৰাণ্টি আঁচনি

এম.এছ.এম.ই., ব্যৱসায়, মুদ্ৰা ঋণ লওঁতা আৰু ব্যক্তি (ব্যৱসায়ৰ উদ্দেশ্যে ঋণ)ৰ বাবে আঁচনিখন মাৰ্চলৈকে ৩১ মাৰ্চ, ২০২১লৈ সম্প্ৰসাৰিত কৰা হৈছে।

কভিড-১৯ৰ বাবে স্বাস্থ্যসেৱা খণ্ড আৰু ২৬ টা ডিষ্ট্ৰেছড খণ্ডৰ বাবে ক্ৰেডিট গেৰাণ্টি সহায় আঁচনি আৰম্ভ কৰা হৈছে যাৰ ঋণ বকেয়া ২৯ ফেব্ৰুৱাৰী, ২০২০ত ৫০ৰ পৰা ৫০০

কোটি টকা ৰেকৰ্ড কৰা হৈছিল। এই সত্তাসমূহক বকেয়াৰ ২০ শতাংশলৈ অতিৰিক্ত ক্ৰেডিট প্ৰদান কৰা হ'ব। এই অতিৰিক্ত ক্ৰেডিট পৰিশোধ কৰাৰ বাবে সময় ৫ বছৰ হ'ব, যাৰ ভিতৰত আছে প্ৰিন্সিপাল ৰিপেয়াৰৰ ওপৰত এক বছৰীয়া মৰাটৰিয়াম। আঁচনিখন ৩১ মাৰ্চ, ২০২১লৈকে বলৱৎ হব। প্ৰতিষ্ঠানবোৰে ২০ শতাংশলৈকে অতিৰিক্ত বকেয়া ঋণ লাভ কৰিব যাৰ পৰিশোধ পাঁচ বছৰৰ ভিতৰত হ'ব পাৰে।

১০ খণ্ডলৈ ১.৪৬ লাখ কোটি টকা পিএলআই

ঘৰুৱা মেনুফেক্চাৰিঙৰ প্ৰতিযোগিতা বৃদ্ধিত সহায়ক হোৱাকৈ আৰু দহ চেম্পিয়ন খণ্ডক প্ৰডাকশ্যন লিংকড ইনচেনটিভছ (PLI) আঁচনিৰ অধীনত সামৰি লোৱা হ'ব। পৰৱৰ্তী পাঁচ বছৰৰ বাবে খণ্ডসমূহত মুঠ ১.৪৬ লাখ কোটি টকা নিৰ্ধাৰণ কৰা হৈছে। এই দহ খণ্ড হৈছে — এডভান্স চেল কেমেষ্ট্ৰী বেটাৰী, ইলেকট্ৰনিক/টেকনল'জি প্ৰডাক্ট, অট'ম'বাইল ও অট' উপাংশ, ফাৰ্মাচিউটিকেল ড্ৰাগছ, টেলিকম ও নেটৱৰ্কিং প্ৰডাক্ট, টেক্সটাইল প্ৰডাক্ট, ফুড প্ৰডাক্ট, উচ্চ ক্ষমতাসম্পন্ন ছ'লাৰ পিভি মডিউল, হোৱাইট গুডছ (এচি ও এলইডি) আৰু স্পেচিয়েলিটি ষ্টীল।

পিএমএৱাই-ইউ লৈ ১৮,০০০ কোটি টকা

প্ৰধান মন্ত্ৰী আৱাস যোজনা (নগৰীয়া)ৰ অৰ্থে ১৮,০০০ কোটি টকা আগবঢ়োৱা হৈছে। এই পৰিমাণ হ'ব এই বৰ্ষতে আগবঢ়োৱা ৮,০০০ কোটি টকাত সংযোজন। এই সিদ্ধান্ত ১.২ নিযুত ঘৰৰ ভেটি আৰু ১.৮ নিযুত ঘৰৰ সম্পূৰ্ণত সহায়ক হ'ব। ই ৭৮ লাখ নতুন নিয়োগৰ সুযোগ সৃষ্টি কৰিব।

নিৰ্মাণ ও আন্তঃগাঁথনি

ধন লক আপত থকা বা ঠিকাত পাৰ্ফমেন্স চিকিউৰিটি ৫-১০ শতাংশৰপৰা ৩ শতাংশলৈ হ্ৰাস হোৱা ঠিকাদাৰসকলক ইজ অৱ ডুয়িং বিজনেছ আৰু সাহাৰ্য্য আগবঢ়াবলৈ। চলিত ঠিকা আৰু ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানসমূহলৈয়ো ইয়াক আগবঢ়োৱা হ'ব। জেনেৰেল ফাইনেন্সিয়েল ৰুলত এই শিথিলকৰণ ২০২১ ৰ ৩১ ডিচেম্বৰলৈকে বাহাল থাকিব।

ডেভলপাৰ ও হ'ম বায়াৰলৈ সাহাৰ্য্য

ডেভলপাৰ আৰু ক্ৰেতাসকললৈ কৰ সাহাৰ্য্য আগবঢ়াবলৈ, ৰিয়েল এষ্টেটত কৰ সাহাৰ্য্যৰ অৰ্থে চাৰ্কল ৰেট আৰু এগ্ৰিমেন্ট ভেল্যুৰ মাজৰ পাৰ্থক্য ১০ শতাংশৰপৰা ২০ শতাংশলৈ বৃদ্ধি কৰা হৈছে। ২০২১ ৰ ৩০ জুনলৈকে এই ইউনিটসমূহৰ ক্ৰেতাসকললৈ ২০ শতাংশ পৰ্যন্ত সাহাৰ্য্যও আগবঢ়োৱা হৈছে।

ৰাজসাহাৰ্য্যপ্ৰাপ্ত সাৰৰ বাবে ৬৫,০০০ কোটি টকা

আগন্তুক শস্যৰ বতৰত সময়মতে সাৰ লাভ কৰাৰ অৰ্থে কৃষকলৈ সাৰৰ যোগান বৃদ্ধি নিশ্চিত কৰিবলৈ ৬৫,০০০ কোটি টকা আগবঢ়োৱা হৈছে।

গ্ৰামীণ নিয়োগৰ বাবে বল

গ্ৰামীণ নিয়োগ আগবঢ়াবলৈ পিএম গৰীৱ কল্যাণ ৰোজগাৰ যোজনাৰ অৰ্থে অতিৰিক্ত ১০,০০০ কোটি টকা আগবঢ়োৱা হৈছে। ই গ্ৰাম্য অৰ্থনীতিক ত্বৰান্বিতকৰণত সহায় আগবঢ়াব।

ক'ভিড-১৯ ভেকচিনৰ অৰ্থে আৰএণ্ডডি অনুদান

ভাৰতীয় ক'ভিড ভেকচিনৰ গৱেষণা আৰু উন্নয়নৰ অৰ্থে বাঅ'টেকনল'জি বিভাগলৈ ৯০০ কোটি টকা আগবঢ়োৱা হৈছে। ■

নতুন দিগন্তৰ অভিমুখে

সিদ্ধান্তঃ হিমাচল প্ৰদেশত ২১০ মেগাৱাট লুহৰী ১ম পৰ্যায় জল শক্তি প্ৰকল্পৰ ১,৮১০ কোটি টকা বিনিয়োগ প্ৰস্তাৱত অনুমোদন

লাভা-লাভসমূহঃ

- এই প্ৰকল্পই বছৰি ৭৫৮.২০ নিযুত ইউনিট বিদ্যুৎ উৎপাদন কৰিব
- এই উৎপাদিত শক্তিয়ে গ্ৰীড সুস্থিৰতা আগবঢ়োৱাত সহায় কৰিব আৰু শক্তি যোগান উন্নত কৰিব
- প্ৰকল্পটোৰ নিৰ্মাণ কাৰ্যই প্ৰায় ২০০০ লোকলৈ প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে নিয়োগ সৃষ্টি কৰিব
- এই প্ৰকল্পৰ ৪০ বছৰীয়া জীৱন চক্ৰত হিমাচল প্ৰদেশে প্ৰায় ১,১৪০ কোটি টকা মূল্যৰ বিনামূলীয়া শক্তিৰে লাভান্বিত হ'ব

সিদ্ধান্তঃ ভাৰতৰ মেনুফেক্চাৰিং সাৰ্মথ্য বৰ্ধনৰ অৰ্থে মুঠ ৮,১০০ কোটি টকা ব্যয়ৰ সৈতে ১০ টা মূল খণ্ডলৈ প্ৰডাকশ্যন-লিংকড ইনচেনটিভ (PLI) আঁচনি

লাভা-লাভসমূহঃ

- ই ৰপ্তানি বৃদ্ধি কৰি তুলিব। ই ভাৰতীয় নিৰ্মাতাসকলক বৈশ্বিকভাৱে প্ৰতিযোগিতামূলক কৰি তুলিব, বিনিয়োগক আকৰ্ষিত কৰিব আৰু ৰপ্তানি বৃদ্ধি কৰিব। ই সম্পদৰ দক্ষ উৎপাদনৰ বাবে সামাজিক আৰু অৰ্থনৈতিক আন্তঃগাঁথনিত পিপিপিক প্ৰোৎসাহিত কৰিব আৰু ইয়াৰ যথোচিত সঞ্চালন আৰু পৰিচালনা নিশ্চিত কৰিব তথা অৰ্থনৈতিক আৰু সামাজিকভাৱে অপৰিহাৰ্য্য প্ৰকল্পসমূহক বাণিজ্যিকভাৱে ব্যৱহাৰ্য্য কৰি তুলিব।
- এই ১০ টা নিৰ্দিষ্ট খণ্ডত পিএলআই আঁচনিখনে ভাৰতীয় নিৰ্মাতাসকলক গোলকীয়ভাৱে প্ৰতিযোগী কৰি তুলিব, মূল যোগ্যতা আৰু অত্যাধুনিক প্ৰযুক্তিবিদ্যাৰ ক্ষেত্ৰসমূহত বিনিয়োগক আকৰ্ষণ কৰিব
- ই কাৰ্যকাৰিতা নিশ্চিত কৰি তুলিব; স্কেলৰ অৰ্থনীতি গঢ়ি তুলিব; ৰপ্তানিৰ বৰ্ধন ঘটাব আৰু ভাৰতক বৈশ্বিক যোগান শৃংখলডালৰ এটা অবিচ্ছেদ্য অংগ কৰি তুলিব। ■

$৫ ট্ৰিলিয়ন অৰ্থনীতিৰ অভিমুখে

ভাৰতে বৈশ্বিক বিনিয়োগকাৰীসকলক বিনিয়োগ কৰিবলৈ কোৱাৰ মূলতে হৈছে দেশখনে কেৱল উচ্চ ইএছজি স্ক'ৰত সমান লক্ষ্যৰ সৈতে বিকাশৰ পথতেই বিশ্বাসী নহয় বৰঞ্চ গণতন্ত্ৰ, জনগাঁথনি, চাহিদা তথা বৈচিত্ৰ্যও আগবঢ়াইছে

২০২৪ ৰ ভিতৰত ভাৰতক $৫ ট্ৰিলিয়ন অৰ্থনীতি হিচাপে গঢ়ি তুলিবলৈ প্ৰচেষ্টা হিচাপে, দেশখনে বৈশ্বিক বিনিয়োগকাৰীসকলক আকৰ্ষিত কৰি তুলিবলৈ এটা প্ৰধান অভিযান আৰম্ভ কৰিছে। ভাৰ্চুৱেল গ্ল'ৱেল ইনভেষ্টৰ ৰাউণ্ডটেবুল (VGIR)ত ই বিশ্বখনৰ সন্মুখত ৰোডমেপ উপস্থাপন কৰে — ভিজিআইআৰ হৈছে শীৰ্ষস্থানীয় বৈশ্বিক আনুষ্ঠানিক বিনিয়োগকাৰী, ভাৰতীয় ব্যৱসায় নেতৃত্ব, চৰকাৰৰ সৰ্বোচ্চ সিদ্ধান্ত গ্ৰহণকাৰী আৰু ফাইনেন্সিয়েল মাৰ্কেট ৰেগুলেটৰসকলৰ মাজৰ এখনি বিশেষ কথোপকথন।

ভিজিআইআৰত ভাষণ প্ৰদান কৰি, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে শ্ৰেষ্ঠতৰৰ বাবে ভাৰত সলনি হৈ আছে আৰু দেশখনে বিকাশৰ পথক বিশ্বাস কৰাৰ সমান্তৰালভাৱে উচ্চ পৰিবেশগত, সামাজিক আৰু শাসন (ESG) স্ক'ৰতো সমানেই গুৰুত্ব প্ৰদান কৰে। তদুপৰি ভাৰতে বিনিয়োগকাৰীসকলক গণতন্ত্ৰ, জনগাঁথনি, চাহিদা তথা বৈচিত্ৰ্যও আগবঢ়াইছে। এই কথাৰে, প্ৰধানমন্ত্ৰীগৰাকীয়ে নৱ্য ভাৰতৰ বাবে মাথো তেখেতৰ দৃষ্টি আৰু ৰোডমেপকে ব্যক্ত কৰাই নহয় বৰঞ্চ ভাৰতত বিনিয়োগৰ অৰ্থে বিশ্বখনক আমন্ত্ৰণো জনায়।

ভিজিআইআৰ ২০২০ত ভাৰতৰ অৰ্থনৈতিক আৰু বিনিয়োগ দৃষ্টিভংগী, গাঁথনিগত সংস্কাৰ আৰু $৫ ট্ৰিলিয়ন অৰ্থনীতিৰ বাবে চৰকাৰখনৰ দৃষ্টি সন্দৰ্ভত আলোচনা কৰা হয়। ইয়াত অংশগ্ৰহণ কৰে বিশ্বৰ বিশ সৰ্ববৃহৎ পেঞ্চন আৰু চভৰেইন ৰেল্‌থ ফাণ্ড বিনিয়োগকাৰীয়ে যাৰ মুঠ এচেট মেনেজমেন্ট হৈছে প্ৰায় $৬ ট্ৰিলিয়ন। ইয়াৰে একাংশ বিনিয়োগকাৰীয়ে প্ৰথমবাৰৰ বাবে চৰকাৰখনৰ সৈতে সংযুক্ত হৈছে।

প্ৰধানমন্ত্ৰীৰ ভাষণ

- আমি সমস্যাযুক্ত পুৰণি প্ৰথাসমূহৰপৰা মুক্ত এখন নৱ্য ভাৰত নিৰ্মাণ কৰি আছো। ভাৰতৰ পন্থা হৈছে সমস্যাসমূহৰ বাবে দীৰ্ঘ-ম্যাদী আৰু বহনক্ষম সমাধান সূত্ৰ নিৰ্ণয় কৰা
- যদি আপুনি নিৰ্ভৰযোগ্যতাৰ সৈতে ৰিটাৰ্ণ; গণতন্ত্ৰৰ সৈতে চাহিদা; বহনক্ষমতাৰ সৈতে সুস্থিৰতা আৰু সেউজ পন্থাৰে বিকাশ বিচাৰিছে, সেই স্থান হৈছে ভাৰত
- আমাৰ নীতিসমূহৰ সুস্থিৰতাৰ বাবে ভাৰত বিশ্বখনৰ পচ্ছন্দৰ বিনিয়োগ ক্ষেত্ৰ হিচাপে পৰিগণিত হৈছে
- যোৱা বছৰৰ তুলনাত বিগত ৫ মাহত এফডিআইৰ প্ৰবাহ ১৩ শতাংশ

চৰকাৰী প্ৰচেষ্টা

- বিদেশী প্ৰত্যক্ষ বিনিয়োগ (এফডিআই)ত ৫৫ শতাংশ বাঢ়ি ২০০৮-১৪ত ২৩১.৩৭ বিলিয়ন ডলাৰৰ পৰা ২০১৪-২০ত ৩৫৮ বিলিয়ন ডলাৰলৈ বৃদ্ধি পায়
- ৰাষ্ট্ৰসংঘৰ প্ৰতিবেদন অনুসৰি, দক্ষিণ এছিয়াত বিদেশী প্ৰত্যক্ষ বিনিয়োগত ১০ শতাংশ ৬০ বিলিয়ন ডলাৰলৈ বৃদ্ধি পায় আৰু এই বৃদ্ধি ভাৰতৰ দ্বাৰা চালিত
- ব্যৱসায় কৰাৰ ৰেংকিঙৰ ক্ষেত্ৰত, বৰ্তমান ভাৰত ৬৩তম স্থানত। ২০১৪ত এই স্থান আছিল ১৪২
- ২০২০ৰ এপ্ৰিলৰ পৰা আগষ্টলৈ, এফডিআইৰ প্ৰবাহ হৈছে ৩৫.৭৩ বিলিয়ন ডলাৰ। এয়া হৈছে বিত্তীয় বৰ্ষৰ প্ৰথম পাঁচ মাহত সৰ্বাধিক

বৃদ্ধি পায়

- আমি প্ৰায় ৮০০ নিযুত লোকক খাদ্য শস্য, ৪২০ নিযুত লোকক ধন, আৰু প্ৰায় ৮০ নিযুত পৰিয়ালক বিনামূলীয়া ৰন্ধন গেছ প্ৰদান কৰিব পৰাৰ আমাৰ সামৰ্থ্যৰ বাবে এয়া সম্ভৱ হৈছে
- নেচনেল ইনফ্ৰাষ্ট্ৰাকচাৰ পাইপলাইনৰ অধীনত ১.৫ ট্ৰিলিয়ন ডলাৰ বিনিয়োগ কৰাৰ এক অভিলাষী আঁচনি আমাৰ আছে। এটা পথ প্ৰদৰ্শক বহুমুখী সংযোগ আন্তঃগাঁথনি মাষ্টাৰ প্লেন চূড়ান্ত কৰি থকা হৈছে। ভাৰতে ৰাজপথ, ৰে'লপথ, মেট্ৰ', জলপথ আৰু বিমান বন্দৰৰ আন্তঃগাঁথনি নিৰ্মাণৰ এক দেশজোৰা অভিযান চলাইছে
- কৃষিত হোৱা শেহতীয়া সংস্কাৰসমূহে ভাৰতৰ কৃষকৰ সৈতে জড়িত অংশীদাৰ সকলৰ বাবে নতুন সম্ভাৱনা মুকলি কৰিছে। প্ৰযুক্তি আৰু আধুনিক প্ৰক্ৰিয়াকৰণ ব্যৱস্থাৰ সহায়ত, শীঘ্ৰেই ভাৰত এক কৃষি ৰপ্তানি কেন্দ্ৰত পৰিণত হ'ব
- ৰাষ্ট্ৰীয় শিক্ষা নীতিয়ে বিদেশী বিশ্ববিদ্যালয়ৰ চৌহদ প্ৰতিষ্ঠাৰ অনুমতি প্ৰদান কৰিছে। নেচনেল ডিজিটেল হেল্‌থ মিছনে fin-techsৰ সুযোগ প্ৰদান কৰিছে।

প্ৰধানমন্ত্ৰীৰ ওপৰত থকা বিশ্বাসে বিনিয়োগকাৰীক আশ্বস্ত কৰিছে

বিদেশী বিনিয়োগৰ ক্ষেত্ৰত ভাৰতে একেৰাহে ভাল প্ৰদৰ্শন কৰি আহিছে। উৎপাদন বৃদ্ধি কৰিবলৈ, চৰকাৰে এটা প্ৰজেক্ট ডেভেলপমেন্ট চেলৰ লগতে ইণ্ডাষ্ট্ৰিয়েল কৰিডৰ আৰু বিশেষ অৰ্থনৈতিক মণ্ডলৰ ধাৰণাক উৎসাহিত কৰিছে। ■

প্ৰধানমন্ত্ৰীয়ে কৈছে যে ২০২৪ৰ ভিতৰত ভাৰত ৫ ট্ৰিলিয়ন ডলাৰ অৰ্থনীতিৰ হ'ব পাৰে

যদিও কোভিড-১৯ মহামাৰীয়ে অৰ্থনীতি আৰু ইয়াৰ বিকাশত প্ৰভাৱ পেলাইছে, তথাপি ২০২৪ৰ ভিতৰত ভাৰত ৫ ট্ৰিলিয়ন ডলাৰ অৰ্থনীতিৰ দেশ হ'ব পাৰে বুলি প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদী বিশ্বাসী। এখন ইংৰাজী দৈনিকৰে হোৱা এটা সাক্ষাৎকাৰত প্ৰধানমন্ত্ৰীয়ে কয় যে মহামাৰীৰ কাৰণে চলিত বৰ্ষত যদিও আশা কৰা মতে অগ্ৰসৰ হ'ব পৰা নাই, চৰকাৰে ক্ষতিপূৰণ কৰিবলৈ অহা বছৰ চেষ্টা চলাব। ক্ৰয় ক্ষমতাৰ দিশৰ পৰা ভাৰত তৃতীয় বৃহত্তম দেশ। "একেদৰে চলিত মাৰ্কিন ডলাৰৰ মূল্যৰ ক্ষেত্ৰতো আমি তৃতীয় বৃহত্তম দেশ হ'ব বিচাৰো। ৫ ট্ৰিলিয়ন ডলাৰৰ লক্ষ্যই আমাক ইয়াক আহৰণ কৰাত সহায় কৰিব", প্ৰধানমন্ত্ৰীয়ে কয়। তেওঁ কয় যে লক্ষ্যত উপনীত হোৱাৰ অভিলেখ চৰকাৰৰ আছে। "সময়সীমাৰ পূৰ্বেই আমি গ্ৰামীণ অনাময় কাৰ্যক্ৰম সম্পূৰ্ণ কৰিলো, গাঁৱৰ বৈদ্যুতিকৰণ সম্পূৰ্ণ কৰিলো, সময়সীমাৰ পূৰ্বেই ৮ কোটি উজ্জ্বলা কানেকচনৰ লক্ষ্য পূৰণ কৰিলো। সেয়ে আমাৰ অভিলেখ অব্যাহত ৰাখি সংস্কাৰৰ দিশত আমি সফল হ'ম বুলি জনসাধাৰণৰ বিশ্বাস আছে", বুলি তেওঁ কয়।

গ্ৰীণফিল্ড প্ৰজেক্টৰ ক্ষেত্ৰত চুবুৰীয়া দেশতকৈ আগত

সাক্ষাৎকাৰত প্ৰধানমন্ত্ৰীয়ে কয় যে যুক্তৰাষ্ট্ৰৰ পৰা ১৫৪টা গ্ৰীণফিল্ড প্ৰজেক্ট ভাৰতলৈ ২০২০ত আহিছে, ইয়াৰ বিপৰীতে চীনলৈ ৮৬, ভিয়েটনামলৈ ১২ আৰু মালয়েছিয়ালৈ ১৫টা। ই হৈছে ভাৰতৰ অৰ্থনীতি অগ্ৰসৰ হৈ থকা বুলি বৈশ্বিক বিশ্বাসৰ স্পষ্ট প্ৰতিফলন।

কোভিড-১৯ৰ প্ৰতিক্ৰিয়া স্বৰূপে বিজ্ঞানভিত্তিক পদক্ষেপ

প্ৰধানমন্ত্ৰীয়ে কয় যে কোভিড-১৯ মহামাৰীৰ প্ৰথম পৰ্যায়ত গ্ৰহণ কৰা পদক্ষেপসমূহে চৰকাৰক ইয়াৰ বিৰুদ্ধে প্ৰতিৰক্ষা গঢ়ি তোলাত সহায় কৰিলে আৰু বিশ্বত ভাৰতৰ কোভিড-১৯ৰ মৃত্যুৰ হাৰ সৰ্বনিম্ন। যোৱা কেইটামান মাহৰ ইতিবাচক শিক্ষাই আদায় দিয়া ব্যৱস্থাপনাক নতুন মাত্ৰা প্ৰদান কৰিলে। এই ডেলিভাৰী মেকানিজম প্ৰথমে চৰকাৰে প্ৰস্তুত কৰি দেখুৱালে আৰু শতিকাত এবাৰ হোৱা এই মহামাৰীৰে মোকাবিলা কৰিবলৈ ই ব্যাপক হাৰত সহায় কৰে।



উপকূলীয় মানচিত্ৰৰ পৰিৱৰ্তন

চুৰাটৰ হাজিৰা বন্দৰ অৰু সৌৰাষ্ট্ৰৰ ঘোঘাক ৰো-পাক্স ফেৰী সেৱাৰে সংযুক্ত কৰি শুভাৰম্ভ কৰা প্ৰকল্পৰ জৰিয়তে এক শক্তিশালী আত্মনিৰ্ভৰ ভাৰত গঢ়াৰ দিশত দেশৰ ২১,০০০ কিলোমিটাৰ দৈৰ্ঘ্যৰ উপকূলীয় অঞ্চলক ভিন্ন আৰ্হিৰ যোগযোগ ব্যৱস্থাৰে সংযোজিত কৰাৰ বাবে প্ৰয়াস কৰিছে কেন্দ্ৰীয় চৰকাৰে

ঘাইপথেই হওক কিম্বা ৰে'লপথ বা বায়ুপথেই হওক, উন্নত আন্তঃগাঁথনি নিৰ্মাণক গুৰুত্ব প্ৰদান কৰি আহিছে চৰকাৰে। যি কি নহওক, যিকোনো সমাজৰ উত্তৰণ আৰু বিকাশৰ ক্ষেত্ৰত জলপথসমূহে সদায়ে বিশিষ্ট ভূমিকা গ্ৰহণ কৰি আহিছিল। এই কথাকে হৃদয়ংগম কৰি বৰ্তমানৰ চৰকাৰে সামুদ্ৰিক পথেৰে বয়-বস্তুৰ পৰিবহণ সম্ভৱ কৰি তোলাৰ বাবে কৰি অহা প্ৰয়াসৰ আধাৰতে গুজৰাটৰ চুৰাট আৰু সৌৰাষ্ট্ৰক জলপথেৰে সংযুক্ত কৰাৰ বাবে এক জলপথৰ শুভাৰম্ভ কৰে। যোৱা ৮ নৱেম্বৰ ২০২০ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে ঘোঘা আৰু হাজিৰাৰ মাজত ৰো-পাক্স ফেৰী সেৱাৰ শুভাৰম্ভ কৰা কথাই চুৰাটৰ বিকাশত জীৱনপাত কৰি ঘৰ, পৰিয়ালৰ পৰা আঁতৰি থাকিবলগীয়া হোৱা অঞ্চলটোৰ প্ৰায় ২০ লাখ মানুহৰ বাবে বৰদান স্বৰূপ হৈ উঠিছে। যোগাযোগ ব্যৱস্থা অধিক দ্ৰুত হৈ উঠাৰ ফলত ব্যৱসায়ীক সম্ভাৱনাক অধিক ফলপ্ৰসু কৰি তুলিব। তদুপৰি সামুদ্ৰিক পথ মুকলি হোৱাৰ সুবাদত দুয়োটা অঞ্চলৰ মাজৰ যাতায়াতৰ সময় ১০-১২ ঘণ্টাৰ পৰা ৩-৪ ঘণ্টালৈ অৱনমিত কৰিব। কিয়নো স্থলপথেৰে দুয়োটা স্থানৰ মাজৰ দূৰত্ব ৩৭৫ কিলোমিটাৰ হোৱাৰ বাবে এই পথ অতিক্ৰম কৰিবলৈ ১০-১২ ঘণ্টাৰ প্ৰয়োজন হৈছিল। পিচে, এতিয়া জলপথৰে দুয়োটা স্থানৰ মাজৰ দূৰত্ব মাত্ৰ ৯০ কিলোমিটাৰলৈ হ্ৰাস পালে। গুজৰাটৰ এই অঞ্চলৰ ৰাইজে যুগ ধৰি দেখি অহা সপোনটোকে উপকূলীয় অঞ্চলৰ সংযোগ স্থাপনৰ দূৰদৃষ্টিৰে অৱশেষত দিঠকত পৰিণত কৰিলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে। সমুদ্ৰই 'নীল-অৰ্থনীতি'ৰ উত্তৰণত

জাহাজ পৰিবহণ মন্ত্ৰালয়ৰ শিৰোনাম সলনি

গুজৰাটত ৰো-পাক্স ফেৰী সেৱাৰ শুভাৰম্ভ কৰা অনুষ্ঠানতে প্ৰধানমন্ত্ৰীয়ে জাহাজ পৰিবহণ মন্ত্ৰালয়ৰ শিৰোনাম সলনি কৰি বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰালয় হিচাপে পুনৰ নামাংকৃত কৰে। এই প্ৰসংগত মন্তব্য কৰি তেওঁ কয় যে, প্ৰায়বোৰ উন্নত দেশৰ জাহজ পৰিবহণ মন্ত্ৰালয়েই বন্দৰ আৰু জলপথসমূহৰ কাম-কাজৰো তদাৰকী কৰে। নতুন নামকৰণৰ পিচত এতিয়া মন্ত্ৰালয়টোৰে নামত স্পষ্টতা লাভ কৰাৰ লগতে কামৰ ক্ষেত্ৰতো অধিক স্পষ্টতা লাভ কৰিলে।

গুৰুত্বপূৰ্ণ পদক্ষেপসমূহ

- এই পদক্ষেপে জলপথসমূহৰ সদ্ব্যৱহাৰৰ বাবে নতুন পথৰ সন্ধান দিয়াৰ লগতে সমীপৱৰ্তি অঞ্চলসমূহৰ আৰ্থ-সামজিক উন্নয়ণ সম্ভৱ কৰি তুলিব।
- এই ব্যৱস্থাই গৰাকী বিহীন যানবাহণৰ পৰিবহণো সম্ভৱ কৰি তুলিব। তদুপৰি এই ব্যৱস্থাই ৩৭৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ যাত্ৰাপথৰ দূৰত্ব হ্ৰাস কৰি যাতায়াতৰ সময় ১০-১২ ঘণ্টাৰ পৰা ৪ ঘণ্টালৈ অৱনমিত কৰিব।
- এই ব্যৱস্থাই ৰি-ৰলিং মিল, চিমেণ্ট, লো, খাদ্য-সংসাধন উদ্যোগৰ উৎপাদিত সা-সামগ্ৰী, কেঁচামাল তথা উপকৰণ আদিৰ পৰিবহণ ব্যয় হ্ৰাস কৰিব। দুয়োটা অঞ্চলৰ মাজৰ দূৰত্ব হ্ৰাস পোৱা কথাই ব্যৱসায় বাণিজ্যৰ পৰিসৰ সম্প্ৰসাৰিত কৰি তুলিব।
- চুৰাট আৰু মুম্বাইৰ দৰে মেট্ৰো মহানগৰীৰ দ্বাৰা সৌৰাষ্ট্ৰৰ বীচ্ছসমূহৰ বাণিজ্যিক সম্ভাৱনাক অধিক কৰি তুলিব। ইয়ে নতুন নিয়োগৰ সম্ভাৱনা সৃষ্টি কৰিব।
- দক্ষিণ গুজৰাট আৰু সৌৰাষ্ট্ৰ মাজৰ যোগযোগ ব্যৱস্থা অব্যাহত ৰখাৰ বাবে প্ৰতিদিনে ৫,০০০ৰৰো অধিক যান-বাহণে অহা-যোৱা কৰিবলগীয়া হৈছিল। এই যোগাযোগ এতিয়া সামুদ্ৰিক পথেৰে সম্ভৱ হ'ব।

প্ৰয়োজনীয় শক্তিৰ যোগান ধৰিব। ইয়ে 'আত্মনিৰ্ভৰ ভাৰত'ৰ মহান লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত বিশেষ ভাবে সহযোগিতা আগবঢ়াব।

জল পৰিবহণ

দেশৰ সাগৰীয় সীমান্তত বন্দৰৰ সাৰ্মথ্য বৰ্দ্ধনৰ ব্যৱস্থা কৰা হৈছে আৰু নতুন বন্দৰ বিকশিত কৰাৰ কামো অব্যাহত আছে। দেশত ২১,০০০ কিলোমিটাৰ দৈৰ্ঘ্যৰ জলপথ আছে। ইয়াৰ বাবে 'সাগৰমালা প্ৰকল্প'ৰ অধীনত ৫০০ৰো অধিক প্ৰকল্প ৰূপায়ণৰ কাৰ্যক্ৰম চলি আছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে কয়, "স্থলপথ কিম্বা ৰেলপথেৰে কৰা ভ্ৰমণৰ তুলনাত জলপথৰে কৰা ভ্ৰমণ ব্যয় বহু পৰিমাণে কম। ই পৰিৱেশ অনুকূলো। অৱশ্যে, ২০১৪ চনৰ পিচৰ পৰাহে এই ক্ষেত্ৰত বিস্তৃত ৰূপত কাম-কাজ আৰম্ভ হৈছে। মোডী প্ৰধানমন্ত্ৰী হোৱাৰ আগতেও এই নদী-সাগৰবোৰ আছিল, পিচে, যি নাছিল সেয়া হ'ল দূৰদৃষ্টি। ২০১৪ চনৰ পিচৰ পৰিস্থিতিতহে এই দূৰদৃষ্টিৰে চৰকাৰে কাম-কাজ আৰম্ভ কৰিলে আৰু চাৰিওফালে স্থলভাগৰে আবৰি থকা ৰাজ্যসমূহকো সাগৰৰে সংযোজিত কৰাৰ পদক্ষেপ গ্ৰহণ কৰিলে। ভাৰত মহাসাগৰ আৰু বংগোপসাগৰত নিজৰ সাৰ্মথ্য বিকশিত কৰাৰ বাবে চৰকাৰে অহৰহ ভাবে কাম কৰি আছে, যাতে সমুদ্ৰ আত্মনিৰ্ভৰ ভাৰতৰ বাবে অন্যতম গুৰুত্বপূৰ্ণ অংশ হিচাপে পৰিণিত হ'ব পাৰে। ■

যেতিয়াই কিবা কিনা, স্থানীয় সামগ্ৰী কিনিবা : প্ৰধানমন্ত্ৰী

তেওঁৰ সংসদীয় সমষ্টি বাৰানসীত ৬২০ কোটি টকীয়া উন্নয়ণী প্ৰকল্পৰ উদ্বোধনী তথা আধাৰশিলা স্থাপন কৰা অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে 'ভোকেল ফৰ লোকেল'-ৰ মন্ত্ৰ দোহাৰিছিল। তেওঁ এই কথা কেৱল মাটিৰ চাকি কিনাতে সীমাবদ্ধ নাৰাখিবলৈ আহ্বান জনায়। এগৰাকী ভাৰতীয় হিচাপে যিসকলে আত্মনিৰ্ভৰ হোৱাৰ লক্ষ্যৰে উদ্ভাৱনী কাম-কাজত আত্মনিয়োগ কৰিছে তেওঁলোকক সহযোগিতা আগবঢ়াবলৈ তেওঁ আহ্বান জনায়। তেওঁ কয়, "যিসকল লোকে দেহৰ ঘাম পানী কৰি কঠোৰ শ্ৰম কৰিছে আৰু দেশৰ বাবে যিসকল যুৱকে নতুন চিন্তা, সাৰ্মথ্য আৰু বুদ্ধিদীপ্ততাৰে কিবা কৰাৰ প্ৰয়াস কৰিছে তেনে লোকক সহায় কৰাতো আমাৰ দায়িত্ব। তেওঁলোকৰ হাতত হাত ধৰি আগুৱাই নিয়াতো আমাৰ সকলোৰে দায়িত্ব"। তেওঁ আৰু কয় যে "পবিত্ৰ গংগাৰ প্ৰতি কাশীৰ এক দায়বদ্ধতাও আছে। লাহে লাহে ঘাটসমূহৰ প্ৰতিচ্ছবিও সলনি হ'বলৈ ধৰিছে। ইয়ে বাৰানসীৰ ঘাটসমূহৰ সৌন্দৰ্য উপভোগ কৰাৰ বাবে পৰ্যটকক আকৰ্ষিত কৰিব। বৈদ্যুতিক তাঁৰৰ বিশৃংখল জালৰ গ্ৰাসৰ পৰা মুক্ত হৈ পৰিছে। ইতিমধ্যে বাৰানসীলৈ যাতায়াত কৰা বিমানৰ সংখ্যা ১২ৰ পৰা ৪৮ লৈ বৃদ্ধি পাইছে। স্থলপথৰ উন্নয়ণ সাধনৰে যোগাযোগ ব্যৱস্থা উন্নত কৰি তোলা হৈছে। সমগ্ৰ পূৰ্বাঞ্চলবাসীৰ বাবে কাশী এতিয়া স্বাস্থ্য সেৱাৰ কেন্দ্ৰস্থল হিচাপে চিহ্নিত হৈ উঠিছে"। দৰাচলতে সমগ্ৰ পূব ভাৰতেই এতিয়া লাভ আদায় কৰিব পাৰিছে। প্ৰধানমন্ত্ৰীয়ে কয় যে "আত্মনিৰ্ভৰ ভাৰতৰ আটাইতকৈ বৃহৎ শক্তিস্তম্ভ হৈছে গাঁৱৰ দুখীয়া আৰু কৃষক আৰু তেওঁলোকেই এতিয়া আটাইতকৈ অধিক সুবিধা লাভ কৰিব পাৰিছে"।

কমিউনিটী ৰেডিঅ'

আটাইতকৈ আওহতীয়া অঞ্চলৰ সন্ধান

Play

সমগ্ৰ দেশতে কমিউনিটী ৰেডিঅ' ষ্টেচনৰ প্ৰসাৰৰ দিশত চৰকাৰে চলোৱা প্ৰধান প্ৰচেষ্টাসমূহে আটাইতকৈ আওহতীয়া ঠাইবোৰত থকা মানুহকো ব্যাপক হাৰত ঢুকি পাইছে আৰু ইয়াৰ জৰিয়তে তেওঁলোকক উন্নয়নমূলক আঁচনিসমূহৰ সুবিধা গ্ৰহণ কৰাৰ লগতে কোভিড-১৯ মহামাৰীৰে যুঁজ দিয়াতো সহায় কৰিছে।

নগৰাঞ্চলত বাস কৰা লোকৰ যোগাযোগৰ বাবে কোনো অসুবিধা নথকাৰ বিপৰীতে দেশৰ জনজাতীয় আৰু গ্ৰামীণ অঞ্চলৰ বহু লোকে এতিয়াও যোগাযোগৰ একোটা নিৰ্ভৰযোগ্য মাধ্যমৰ বাবে সংগ্ৰাম কৰি আছে। এনে এক পৰিস্থিতিত, দেশত কমিউনিটী ৰেডিঅ'ই এক গুৰুত্বপূৰ্ণ আহিলা হিচাপে কাম কৰিছে আৰু বৰ্তমান প্ৰায় ৩১০টা কমিউনিটী ৰেডিঅ' ষ্টেচন আছে।

আনকি কৰোণা ভাইৰাছ মহামাৰীৰ সময়তো, আঞ্চলিক ভাষাৰ এই ষ্টেচনসমূহে এই সন্দৰ্ভত তথ্যৰ সঞ্চালিত আৰু সজাগতা সৃষ্টিত যথেষ্ট সহায় কৰে। এই ষ্টেচনসমূহৰ শক্তি উপলব্ধি কৰি, প্ৰায় ১০ কোটি মানুহলৈ সেৱা আগবঢ়াই, চৰকাৰে ইয়াৰ সংখ্যা বৃদ্ধি কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। শীঘ্ৰেই, ২৭৬টা ৰেডিঅ' ষ্টেচন আৰম্ভ কৰা হ'ব। ২০২৫ৰ ভিতৰত সমগ্ৰ দেশতে অতিৰিক্ত ৫০০টা কমিউনিটী ৰেডিঅ' ষ্টেচনৰ প্ৰস্তাৱ আছে।

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে বিশ্বাস কৰে যে সাধাৰণ মানুহৰ সৈতে সংযোগ স্থাপনৰ ক্ষেত্ৰত কমিউনিটী ৰেডিঅ' এটা শক্তিশালী মাধ্যম। তেওঁ বিশ্বাস কৰে যে যোগাযোগৰ ক্ষেত্ৰত আন কোনো মাধ্যমৰ সৈতে ৰেডিঅ'ৰ তুলনা নহয়। প্ৰধানমন্ত্ৰীয়ে তেওঁৰ মাহেকীয়া ৰেডিঅ' কাৰ্যক্ৰম 'মন কী বাত'ত নবেম্বৰ, ২০১৮ত ১৯৯৮ৰ এটা ঘটনাৰ কথা স্মৰণ কৰে, যেতিয়া তেওঁ হিমাচল প্ৰদেশত এজন বিজেপি কৰ্মী আছিল। তেওঁ দেখিছিল যে এজন চাহ দোকানীয়ে ভাৰতৰ পাৰমাণবিক পৰীক্ষাৰ অকলে উদযাপন কৰিছিল। চাহ দোকানীজনে ৰেডিঅ'ত বাতৰিটো শুনিছিল আৰু তেওঁ সেইটো প্ৰধানমন্ত্ৰীক জনাইছিল। তেওঁ কয় যে বৰফাবৃত পাহাৰীয়া এখন আওহতীয়া ঠাইৰ এজন চাহ দোকানীয়ে গোটেই দিনটো ৰেডিঅ' শুনি থকাটো দেখিবলৈ পোৱাটো খুবেই আমোদজনক বিষয়। জনগণৰ সৈতে সংযোগ স্থাপনৰ ক্ষেত্ৰত ৰেডিঅ'ৰ শক্তি কিমান সেই কথা তেতিয়াই তেওঁ উপলব্ধি কৰা বুলি প্ৰধানমন্ত্ৰীয়ে কয়।

কমেও, ৩১০টা কমিউনিটী ৰেডিঅ'ই বৰ্তমান আওহতীয়া ঠাইবোৰত সেৱা আগবঢ়াই আছে, যাক অল ইণ্ডিয়া ৰেডিঅ' আৰু ডিডিয়ে ঢুকি নাপায়। কৰোণা ভাইৰাছ মহামাৰীৰ সময়ত, যিহেতু বিদ্যালয়সমূহ বন্ধ আছিল সেয়ে কমিউনিটী ৰেডিঅ'ই ছাত্ৰ-ছাত্ৰীৰ বাবে অনুষ্ঠানো প্ৰচাৰ কৰিছিল। কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী শ্ৰী প্ৰকাশ জাভড়োকাৰে এই মঞ্চখনৰ ওপৰত আলোকপাত কৰে যাতে চৰকাৰে আটাইতকৈ আওহতীয়া ঠাইবোৰকো ঢুকি পায় আৰু তাত বসবাস কৰা মানুহৰ সৈতেও কথা পাতিব পাৰে। তেওঁ কয় যে কমিউনিটী ৰেডিঅ' নিজেই এটা কমিউনিটী আৰু ই পৰিৱৰ্তনৰ এটা প্ৰতিনিধি। নবেম্বৰৰ প্ৰথম সপ্তাহত ৭৩৮টা কমিউনিটী ৰেডিঅ'লৈ জনসমুদায়ক শক্তিশালী কৰিবলৈ লেটাৰ অফ ইনটেণ্ট (এলঅআই) জাৰি কৰা হৈছে। ৩৭৩টা কমিউনিটী

কমিউনিটী ৰেডিঅ' ষ্টেচনসমূহ কি?

কমিউনিটী ৰেডিঅ' ষ্টেচনসমূহ (চিআৰএছ) হৈছে ক্ষুদ্ৰ (ল' পাৱাৰ) এফ এম ৰেডিঅ' ষ্টেচন যাৰ পৰিসৰ হৈছে প্ৰায় ১০-১৫ কিলোমিটাৰ ব্যাসাৰ্দ্ধৰ এলেকা, অঞ্চলটোৰ ভৌগোলিক অৱস্থানৰ ওপৰত নিৰ্ভৰ কৰি। কৃষি সম্পৰ্কীয় তথ্য, জনসাধাৰণৰ কল্যাণৰ বাবে থকা চৰকাৰৰ আঁচনি আৰু বতৰৰ আগজাননী প্ৰচাৰ কৰাত চিআৰএছসমূহে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ইবিলাকে স্থানীয় ভাষাত স্থানীয় বিষয়ক লৈ কমেও ৫০% অনুষ্ঠান প্ৰচাৰ কৰিব বুলি আশা কৰা হয়। কাম কৰি থকা চিআৰএছসমূহে বিভিন্ন স্থানীয় ভাষাত অনুষ্ঠান সম্প্ৰচাৰ কৰি আছে যাৰ ফলত প্ৰান্তীয় সম্প্ৰদায়সমূহে নিজৰ কথা কোৱাৰ সুযোগ লাভ কৰিছে।

কমিউনিটী ৰেডিঅ' ষ্টেচনৰ আৱশ্যকতা

গ্ৰামাঞ্চলত অল ইণ্ডিয়া ৰেডিঅ' (এআইআৰ) আৰু দূৰদৰ্শনে সেৱা আগবঢ়াই আছে যদিও এনে কিছুমান ঠাই আছে য'ত বসবাস কৰা মানুহক চৰকাৰে ঢুকি নাপায়। চৰকাৰী আঁচনিসমূহ জনসাধাৰণৰ মাজলৈ যোৱাটো নিশ্চিত কৰিবলৈ, সজাগতা গুৰুত্বপূৰ্ণ আৰু সেই ক্ষেত্ৰত কমিউনিটী ৰেডিঅ' ষ্টেচনৰ ভূমিকা অপৰিহাৰ্য। স্থানীয় বিষয়ৰ ব্যৱহাৰে ইয়াক জনসমুদায়ৰ মাজত অধিক জনপ্ৰিয় কৰি তোলে।

কোভিড-১৯ৰ সময়ত কমিউনিটী ৰেডিঅ'

কৰোণা ভাইৰাছৰ সংক্ৰমণৰ বিষয়ে সজাগতা সৃষ্টিৰ পৰা ল'বলগীয়া আগতীয়া সাৱধানতালৈ, কমিউনিটী ৰেডিঅ'ই ব্যাপক সহায় কৰে। এইসমূহে স্থানীয় বজাৰত মাস্ক, ছেনিটাইজাৰ আৰু অন্য গুৰুত্বপূৰ্ণ সামগ্ৰীৰ পৰ্যাপ্ততা সম্পৰ্কীয় তথ্যও প্ৰচাৰ কৰে। এই মহামাৰী সন্দৰ্ভত থকা একাধিক ভ্ৰান্ত ধাৰণা আঁতৰোৱাৰ ক্ষেত্ৰতো সহায় কৰে। একোটা দুৰ্গম স্থানতো মহামাৰীৰ সময়ত প্ৰচাৰৰ ক্ষেত্ৰত কমিউনিটী ৰেডিঅ'ই চৰকাৰক সহায় কৰিছে।

কেনেকৈ আবেদন কৰিব: তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয় (এমআ'আইবি) হৈছে কমিউনিটী ৰেডিঅ'ৰ লাইচেন্স দিয়া প্ৰক্ৰিয়াৰে সম্পৰ্কযুক্ত ন'ডেল এজেন্সি, যিটো হৈছে ১২তৰপীয়া প্ৰক্ৰিয়া। প্ৰথম পদক্ষেপ হৈছে আবেদন দাখিল কৰা। www.mib.nic.inত আবেদন প্ৰপত্ৰ বিনামূলীয়াকৈ উপলব্ধ। www.cronlineindia.netত আবেদনকাৰীয়ে অনলাইন আবেদন দাখিল কৰিব লাগে। চিআৰএফচিৰ ৱেবছাইট **www.crfc.in**ৰ পৰাও চিআৰ আবেদন সংগ্ৰহ কৰিব পাৰি।

কমিউনিটী ৰেডিঅ' ষ্টেচন স্থাপন কৰাৰ অৰ্হতা

তিনি বা ততোধিক বছৰ কাম কৰি থকা যিকোনো অলাভজনক সংস্থা বা সমুদায়ভিত্তিক সংগঠনে কমিউনিটী ৰেডিঅ' ষ্টেচনৰ বাবে আবেদন কৰিব পাৰে। ছচাইটিজ ৰেজিষ্ট্ৰেচন এক্ট বা তেনে প্ৰাসংগিক আইনৰ অধীনত পঞ্জীভুক্ত শিক্ষা প্ৰতিষ্ঠান, কৃষি বিজ্ঞান কেন্দ্ৰ, নাগৰিক সমাজ, স্বেচ্ছাসেৱী সংগঠন, পঞ্জীভুক্ত সমিতি, স্বায়ত্বশাসিত সমিতি বা ৰাজহুৱা ন্যাস আদি কমিউনিটী ৰেডিঅ' স্থাপনৰ বাবে অৰ্হতাসম্পন্ন। তেওঁলোৰ একোটা ট্ৰেন্সমিটাৰ, ফীডাৰ কেবোল আৰু এণ্টেনা, ৰেকৰ্ডিং আৰু প্লেবেকৰ আহিলা, অন্য ষ্টুডিঅ'ৰ আৱশ্যকতা, ষ্টুডিঅ' মিক্সাৰ আৰু মণিটৰ থাকিব লাগিব। এইসমূহত ৬ লাখৰ পৰা ২৭ লাখ টকা বা ততোধিক খৰচ হ'ব পাৰে।

ৰেডিঅ'ষ্টেচনলৈ গ্ৰাণ্ট অফ পাৰ্মিশ্যন এগ্ৰিমেণ্ট (জিআ'পিএ) জাৰি কৰা হৈছে। ২০০৪-০৫ত যদিও চৰকাৰে কমিউনিটী ৰেডিঅ'ৰ বাবে গাইডলাইন জাৰি কৰে, তথাপি ২০১৪লৈকে বৰ বেছি অগ্ৰগতি হোৱা নাই। দেশৰ প্ৰথমটো কমিউনিটী ৰেডিঅ'ষ্টেচন স্থাপন কৰা হৈছিল আন্নামালাই ইউনিভাৰছিটীত। ইণ্ডিয়ান ইনষ্টিটিউট অফ মাছ কমিউনিকেচনৰ সঞ্চালক প্ৰধান সঞ্জয় দ্বিবেদীৰ মতে, কমিউনিটী ৰেডিঅ'ই ভাৰতক একত্ৰিত কৰিছে। কমিউনিটী ৰেডিঅ'ৰ প্ৰভাৱৰ ওপৰত পিএইচডি কৰা, শিক্ষা মন্ত্ৰালয়ৰ উপ-সঞ্চালক সৌৰভ মিশ্ৰই কয় যে ২০১১ত মধ্যপ্ৰদেশৰ জনজাতীয় অঞ্চলত আঠটা কমিউনিটী ৰেডিঅ'স্থাপন কৰা হয়। ■

সপোনৰ বাস্তৱায়ন

বৰ্তমানৰ চলন্ত সময়ত, ভাৰতৰ দুটা প্ৰেৰণাদায়ক কাহিনী আছে। এফালে শাৰদা সিংহই মহিলাসকলক মৰাপাটৰ মোনা বনাবলৈ সহায় কৰি বহু মহিলাক আত্মনিৰ্ভৰশীল হোৱাত সহায় কৰে, আনফালে গুজৰাট টেকনিকেল ইউনিভাৰছিটীৰ পাঁচজন ছাত্ৰই 'হেণ্ড ছেনিটাইজাৰ বেগু'ৰ বিকাশ ঘটাই সংকটক সুযোগত পৰিণত কৰে।

মৰাপাটৰ মোনাই মহিলাসকলক নতুন পথ দেখুৱালে

আত্মনিৰ্ভৰ ভাৰত অভিযানে দেশত যে এটা আকাৰ লৈছে, এই কথা সাৰোগত কৰিছে ড০ শাৰদা সিংহই তেওঁৰ সংস্থা অভ্যুদয়ৰ জৰিয়তে। নিজৰ চুবুৰীয়া মহিলাৰ সহায়ত, তেওঁ মৰাপাটৰ মোনা আৰু পাৰ্ছ বনায়। তেওঁলোকে কেৱল পৰিৱেশ অনুকূল সামগ্ৰীয়েই নিৰ্মাণ কৰা নাই, বৰং প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্লাষ্টিক মুক্ত ভাৰতৰ সপোন সাকাৰ কৰাতো সহায় কৰিছে। তেওঁলোকে গুজৰাট আৰু পশ্চিম বংগৰ পৰা কেঁচামাল সংগ্ৰহ কৰে। শাৰদা সিংহই কয় যে এই মহিলাসকলে যোৱা তিনি-চাৰি মাহ তেওঁৰ লগত কাম কৰিছে আৰু নিজৰ শিল্প প্ৰতিভা দেখুৱাইছে। দুগৰাকী মহিলা-লক্ষ্মী আৰু পুনম-আছিল এই প্ৰচেষ্টাৰ ৰাজহাড় স্বৰূপ, যি মৰাপাটৰ মোনা বনোৱাৰ সমান্তৰালকৈ প্লাষ্টিক ব্যৱহাৰ নকৰিবলৈও মানুহক সজাগ কৰে। স্থানীয়ভাৱে নিৰ্মিত মোনা কেৱল কম দামতে পোৱাই নহয়, এইবিলাকে ছোৱালীসকলক নৱ পথো দিয়ে। অলপতে

চৰকাৰে ১০০ শতাংশ খাদ্য শস্য আৰু ২০ শতাংশ চেনী মৰাপাটৰ মোনাৰে টোপোলা কৰাটো বাধ্যতামূলক কৰিছে।

■

ছাত্ৰই আৱিস্কাৰ কৰিলে হেণ্ড ছেনিটাইজাৰ বেগু

ভোকেল ফৰ লোকেল এতিয়া কেৱল এটা শ্লোগানেই হৈ থকা নাই, বৰং ই এটা অভিযানত পৰিণত হৈছে। সংকটে কেনেকৈ সুযোগৰ সৃষ্টি কৰে তাৰ বহু উদাহৰণ আছে। কৰোণাৰ এই প্ৰত্যাহ্বানপূৰ্ণ সময়ত, গুজৰাট টেকনিকেল ইউনিভাৰছিটীৰ পাঁচজন বন্ধুৱে, সাৰ্থক বকছি, কাৰ্তিক, সাগৰ, কৰণ পেটেল আৰু জাগৃত ডাৱেই এটা হেণ্ড ছেনিটাইজাৰ বেগু আৱিস্কাৰ কৰি এই মন্ত্ৰ সাৰ্থক কৰিলে। এটা হেণ্ড ছেনিটাইজাৰ লৈ ফুৰাৰ বাধ্যবাধকতাৰ পৰা ই মানুহক মুক্ত কৰিলে। থলুৱাভাৱে তৈয়াৰী এই ছেনিটাইজাৰৰ বিশেষত্ব হৈছে যে যদি আপুনি কিবা স্পৰ্শ কৰিব খোজে তেন্তে আপুনি হাতৰ ওপৰৰ অংশৰে চুব লাগিব। তেনে কৰোতে নিজেনিজে স্প্ৰে সক্ৰিয় হৈ যাব আৰু আপোনাৰ হাত ছেনিটাইজ হৈ যাব। এনেদৰে এদিনত আপুনি ৩০বাৰ ছেনিটাইজ কৰিব পাৰে। এই হেণ্ড ছেনিটাইজাৰ বেগুৰ বিকাশ কৰিবলৈ ছাত্ৰকেইজনক দুমাহ সময় লাগে। এই বেগু খুবেই ব্যৱহাৰৰ অনুকূল আৰু মুকলিভাৱে ব্যৱহাৰ কৰিব পাৰি। ই প্ৰতিপন্ন কৰিছে যে দেশৰ যুৱশক্তিৰ অফুৰন্ত প্ৰতিভা আছে, মাথোঁ সুযোগৰ দৰকাৰ।

Narendra Modi @narendramodi ·

Every year, I cherish spending Diwali with our security forces. It is a way of reaffirming our solidarity with them, as they bravely protect the nation and ensure our country can scale new heights of progress.

रक्षा मंत्री कार्यालय/ RMO In...

Our vision for Make in India for defence manufacturing is being implemented with the long-term of making India more self-reliant. We have received a very encouraging response in this regard & further changes will be undertaken to improve the existing policy as and when needed: RM

Amit Shah @AmitShah · 5d

Modi govt is committed towards the welfare of our brave Armed forces who secure our motherland against all odds.

Implementation of decades-long pending OROP 5 years ago was the testimony of the same.

Nitin Gadkari @nitin_gadkari ·

Cabinet under the leadership of Hon'ble Prime Minister Shri Narendra Modi ji approved the Production Linked Incentive Scheme for 10 sectors. It will reduce imports & parallely supports the growth of MSMEs.

NSitharamanOffice @nsitha...

Replying to @nsitharamanoffc

The Atmanirbhar Bharat Rozgar Yojana will be applicable for eligible new employees joining EPFO-registered establishments and for those who exited these establishments during the COVID pandemic.

Mansukh Mandaviya @man...

Waterways: Transport For the Future!

Taking advantage of India's vast coastline, we are undertaking special efforts to develop waterways

With waterways offering less travel time and distance, farmers & businesses can reduce logistics costs and find newer markets. #TransportDay

Modi: Improve ease of living of citizens

PM Urges IIT-D Grads To Make India Self-Reliant

TIMES NEWS NETWORK

New Delhi: The coronavirus pandemic has taught a lesson to the world that globalisation is important but being self-reliant is also necessary, said Prime Minister Narendra Modi while virtually addressing the 51st convocation of IIT Delhi on Saturday. The event saw 2,019 students getting their degrees.

The PM asked the students to innovate to improve the lives of crores of Indians. Technology is going to play an important role in a post-Covid world, he added.

Modi further said, "We will give you the ease of doing business, you focus on improving the ease of living of citizens."

Referring to his government's reforms in several sectors, the PM said, "For the first time, there are possibilities for innovations and startups in the agriculture sector… for the first time, there is an opportunity for investment in the space sector."

Modi asked the IIT graduates to recognise the needs of the country and connect with the changes on the ground. He also asked them to identify with the aspirations of the common people in the context of Atmanirbhar Bharat.

The PM stated that India was among the countries where corporate tax was the lowest and that more than 50 thousand start-ups had started here since the Start-up India campaign was launched. Over 20 Indian unicorns have been established over the years and this number will increase further in the next one or two years, he added.

PTI

BRIGHT FUTURE: PM Narendra Modi virtually addressed the 51st convocation of IIT-Delhi, in which 2,019 students got their degrees

PM MODI SAYS

Focus on quality and never compromise; ensure scalability and make your innovations work at a mass scale

Modi gave four mantras to the students for their workplace. He asked them to "focus on quality and never compromise; ensure scalability and make your innovations work at a mass scale; assure reliability and build long-term trust in the market; and bring in adaptability and be open to change and expect uncertainty as a way of life."

He said working on these basic mantras would bring shine on one's identity as well as on brand India, since "students are India's biggest brand ambassadors."

Modi concluded his address by saying that students at IIT had "exceptional abilities" as they had "passed one of the toughest exams — the Joint Entrance Exam".

Union education minister Ramesh Pokhriyal 'Nishank' told students that their "real test begins when they enter the field of life and employment where they have to use theoretical knowledge and experiences found in institutions in practical life."

Presenting the director's report, V Ramgopal Rao said: "In the last 5 years, IIT Delhi faculty and students have written over 10,000 high-quality papers, filed over 500 patents, executed roughly 150 industry projects and obtained over Rs 1,300 crore of research funding from competitive grants from all over the world. We have also created 18 new Centres of Excellence with funding from alumni, industries and government agencies in the last 5 years."

An online programme, eVIDYA@IITD, was also launched on the occasion.

Going local this Diwali will boost economy: PM

MAULSHREE SETH
LUCKNOW, NOVEMBER 9

PRIME MINISTER Narendra Modi on Monday exhorted people to promote locally-made products for Diwali saying that this would also make the festive season for their makers better.

Speaking via video-conferencing at an event in Varanasi where he inaugurated infrastructure projects worth Rs 200 crore and laid foundation for projects worth Rs 400 crore, the Prime Minister said promoting local products would rejuvenate the entire economy. He also wished people for all upcoming festivals.

"Local for Diwali… This mantra can be heard everywhere… I say to the people of

PM Narendra Modi

Diwali' strongly".

Noting that festive purchases didn't only mean 'diyas' (lamps), Modi said, "I urge the people to insist on local products.. be vocal... celebrate Diwali with local products... This will boost the economy."

Modi said that in the last six years during his tenure as a Member of Parliament from Varanasi, "unprecedented" infra-

Noteban cleaned up system, says PM; Opp alleges Govt kept shifting goalposts

ENS ECONOMIC BUREAU
NEW DELHI, NOVEMBER 8

ON THE FOURTH anniversary of demonetisation, Prime Minister Narendra Modi Sunday shared data to suggest that the overnight scrapping of Rs 500 and Rs 1,000 notes brought in formalisation and transparency along with a curbing of counterfeit currency.

"Demonetisation has helped reduce black money, increase tax compliance and formalisation and given a boost to transparency. These outcomes have

CONTINUED ON PAGE 2

'Helped reduce black money, increase tax compliance'. PTI

CASH WITH PUBLIC UP 45.7% IN 4 YEARS

Modi looks forward to working closely with Biden, hails Harris

India might have to step up its focus on human rights, CAA issues

SRIDHAR KUMARASWAMI
NEW DELHI, NOV. 8

Getting ready to work with the Democrat-led administration in Washington that will assume office in January next year, India on Sunday congratulated President-elect Joe Biden who defeated President Donald Trump in the US Presidential polls. New Delhi also congratulated Vice President-elect Kamala Harris.

President Ram Nath Kovind and Prime Minister Narendra Modi posted congratulatory messages on Twitter to Biden and Harris shortly after midnight on Sunday after the Democrat challengers were declared winners.

Modi said he looked forward to strengthening Indo-US ties by "working closely together once again" with Biden who was US Vice-President in the Barack Obama administration when Modi had become Prime Minister in 2014. Modi also hailed the success of Kamala-Harris — who is partly of Indian origin — as "pathbreaking", and a matter of "immense pride for all Indian-Americans".

It may be recalled that India had on Friday said the Comprehensive Global Strategic Partnership between both nations has "very strong bipartisan support" in the US, thereby hinting that bilateral ties would continue to grow stronger. At his weekly media briefing two days ago, MEA spokesperson Anurag Srivastava had also said that Indo-US bilateral ties "rest on strong foundations" and that this "encompasses cooperation in every possible sphere" ranging from strategic ties to the defence sector, trade and investment as well as people to people ties.

India may well have to deal with an increased focus on human rights from Washington during the tenure of Biden and Harris on the Kashmir issue and the Citizenship Amendment Act (CAA). However, bilateral ties are expected to remain strong especially in the defence and strategic sectors. Biden's stand on China in the Indo-Pacific region and on Pakistan in the context of both cross-border terrorism and the Afghan situation will also be watched closely by New Delhi as it will have major implications for India.

In a statement on Sunday morning the Prime Minister's Office said, "Prime Minister Narendra Modi has congratulated Joe Biden on winning the US Presidential election," adding also that the PM "has congratulated US Vice President-elect Kamala Harris."

Modi tweeted, "Congratulations Joe Biden on your spectacular victory! As the VP, your contribution to strengthening Indo-US relations was critical and invaluable. I look forward to working closely together once again to take India-US relations to

Modi also tweeted, "Heartiest congratulations Kamala Harris! Your success is pathbreaking, and a matter of immense pride not just for your 'chittis' (aunts in Tamil), but also for all Indian-Americans. I am confident that the vibrant India-US ties will get even stronger with your support and leadership." Harris' mother was from Tamil Nadu.

President Kovind said in his Twitter message: "My sincere felicitations to Joseph R. Biden on his election as President of the United States of America and @KamalaHarris as Vice President. I wish @JoeBiden a successful tenure and look forward to working with him to further strengthen India-US

DeMo helped to cut stash: Modi

Tax compliance, transparency increased: BJP

New Delhi, Nov. 8: Prime Minister Narendra Modi on Sunday said demonetisation has helped reduce black money, increase tax compliance and gave a boost to transparency, on the fourth anniversary of withdrawal of high-value currency notes.

On November 8, 2016, Modi had announced on national television his government's decision to ban currency notes of ₹500 and ₹1,000 denomination from midnight on the same day. Certain restrictions were placed on withdrawals

Narendra Modi

been greatly beneficial towards national progress," Modi said using the hashtag 'DeMonetisingCorruption'.

The PM also shared a graphic on how demonetisation dealt a body blow to the systemic financial corruption and black money economy. Since then, it has simultaneously invigorated formal economy and brought unprecedented financial benefits to all sections of society."

He said: "If there is anybody who shouldn't talk about loot, mismanagement of the economy it should be people from the Congress. During the lost decade of the Congress-led UPA government, there was rampant black money and

ters here: "Demon-etisation dealt a body blow to the systemic financial corruption and black money economy. Since then, it has simultaneously invigorated formal economy and brought unprecedented financial benefits to all sections of society."

He said: "If there is anybody who shouldn't talk about loot, mismanagement of the economy it should be people from the Congress. During the lost decade of the Congress-led UPA government, there was rampant black money, and

PM to unveil statue at JNU

New Delhi: Prime Minister Narendra Modi will unveil a life-size statue of Swami Vivekananda at the Jawaharlal Nehru University through video-conferencing on November 12, according to JNU Vice-Chancellor M Jagadesh Kumar. "The unveiling of the statue will be preceded by a programme on Swami

Modi: Shipping ministry's name to include ports and waterways

Dipak.Dash@timesgroup.com

New Delhi: "The shipping ministry will be renamed as the ministry of ports, shipping and waterways. PM Modi made this announcement on Sunday while inaugurating the Ro-Pax terminal at Hazira and flagging off the Ro-Pax ferry service.

"In most of the developed economies, the shipping min-

After 4 months, active Covid cases dip below 100k mark in Maha

Faisal Malik
letters@hindustantimes.com

MUMBAI: Maharashtra recorded 3,959 Covid-19 infections on Saturday, taking the total count to 1,714,273, state health department said.

At 99,151, this is the first time since July 11 that the tally of active Covid-19 cases was recorded below the 100,000 mark in the state.

Active cases are the difference between the total cases and the patients who have recovered (or discharged from hospitals) or succumbed to the disease.

According to the data pro-

reported, along with 23 deaths.

Public health expert Sanjay Pattiwar said that the cases have been reducing but the state will have to be cautious and ensure that the trend continues till the end of November.

"Cases are declining is a fact but we have to wait till November end as festivals are going on and winter season has arrived. Plus, most of the lockdown restrictions have been lifted. We have to increase testing and contract tracing and if cases doesn't rise till November end then we can say that the state has successfully controlled the pandemic," Pattiwar said.

Meanwhile, chief minister

RNI No. :
DELASS/2020/78827
December: 01-15, 2020

NEW INDIA
SAMACHAR
FORTNIGHTLY

RNI Registered No DELASS/2020/78827 Delhi Postal License No DL (S)-1/3547/2020-22
WPP No U(S)-95/2020-22 posting at BPC, MEGHDOOT BHAWAN, New Delhi-110 001.
On 26-30 advance Fortnightly **(Publishing Date November 20, 2020, Pages-40)**

"মোৰ দৰে পিছপৰা শ্ৰেণীৰ লাখ লাখ মানুহৰ বাবে বাবা চাহেব আম্বেদকাৰ হৈছে এক অনুপ্ৰেৰণা। তেওঁ আমাক দেখুৱাই দিলে যে সফল হ'বলৈ এজন লোক আঢ্যৱন্ত বা সমৃদ্ধিশালী পৰিয়ালত জন্ম হোৱাৰ প্ৰয়োজন নাই, কিন্তু ভাৰতত দুখীয়া পৰিয়ালত জন্ম হোৱাসকলেও সপোন দেখাৰ সাহস কৰিব পাৰে আৰু সফলতা অৰ্জন কৰি সেই সপোন বাস্তৱ কৰি তুলিব পাৰে।"

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী

Assamese

Editor:
Kuldeep Singh Dhatwalia,
Principal Director General,
PIB, New Delhi

Published & Printed by: Satyendra Prakash, Director General
BOC on behalf of Bureau of
Outreach and Communication

Published from Bureau of Outreach and Communication,
2nd Floor, Soochna
Bhawan, New Delhi -110003

Printed at: Viba Press Pvt. Ltd., C-66/3, Okhla Ind Area
Phase-II, New Delhi 20